প্ৰতি বুধবাৰে প্ৰকাশিত আধুনিক অসমীয়া সাপ্তাহিক

RNI REGD NO- ASSASS/2003/13505

# কলংপাৰ

মূল্য ঃ ৬.০০

প্ৰস্তাৱনা বৰ্ষ ঃ ১৯৯৯ চন

KALONGPAR The Modern Assamese Weekly

Vol- 27 ☐ Issue- 17 ☐ NAGAON ☐ December 10, 2025

নগাঁও ☐ সপ্তবিংশতি বছৰ ☐১৭ সংখ্যা ☐বুধবাৰ ২৩ আঘোণ, ১৯৪৬ শক ☐১০ ডিচেম্বৰ, ২০২৫

## মুখ্য সম্পাদকৰ কলম

### অসমীয়া ভাষাৰ দুৰ্ভাগ্য

অসমৰ সকলো চৰকাৰী কাম-কাজত অসমীয়া ভাষাৰ ব্যৱহাৰ হ'ব। ৰাজ্য চৰকাৰৰ হৈ এই কথা ঘোষণা কৰিছিল স্বয়ং মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্য মন্ত্ৰীয়ে কৈছিল যে চলিত বৰ্ষৰ এক বহাগৰ পৰা অসমৰ সকলো চৰকাৰী নিৰ্দেশনা তথা জাননী আদিত অসমীয়া ভাষাৰ ব্যৱহাৰ হ'ব। প্ৰয়োজন অনুসৰি অসমীয়াৰ উপৰিও ইংৰাজী ভাষাৰ ব্যৱহাৰ হ'ব। তদুপৰি বড়োলেণ্ডৰ বাবে বড়ো ভাষা আৰু বৰাক উপত্যকাৰ বাবে বঙলা ভাষাৰ ব্যৱহাৰ হ'ব। ষষ্ঠ অনুসূচীৰ অধীনৰ পাৰ্বত্য অঞ্চলত স্থানীয় ভাষাত চৰকাৰী নিৰ্দেশনা আদি প্ৰচাৰ কৰা হ'ব। চৰকাৰী ভাবে জাৰি কৰা নিৰ্দেশনাতো এই কথা প্ৰকাশ কৰা হৈছিল। ১০ পৃষ্ঠাত

# ‘বন্দে মাতৰম’ক লৈ উত্তপ্ত লোকসভা

**কলংপাৰ ঃ** ডেৰশ বছৰ পূৰ্বে বংকিম চন্দ্ৰ চেটাৰ্জীয়ে ৰচনা কৰা বন্দে মাতৰমে ভাৰতৰ স্বাধীনতাৰ পথ প্ৰশস্ত কৰিছিল।

যোৱা ৮ ডিচেম্বৰত লোকসভাত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে দহ দিন ধৰি চলিব লগা চৰ্চাৰ সূচনা কৰি এই মত পোষণ কৰে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। তেওঁ কয় যে এই গীতটোৱে ভাৰতীয়সকলক স্বদেশ প্ৰেমেৰে ব্যাপক হাৰত উদ্বুদ্ধ কৰি তুলিছিল। ফলত স্বাধীনতা আন্দোলনক ই এক সুকীয়া গতি দিছিল।

দেশখনৰ স্বাধীনতা আন্দোলনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বন্দে মাতৰম সন্দৰ্ভত দেশবাসীয়ে ইয়াক স্মৰণ কৰাৰ প্ৰয়োজনীয়তা আছে।

দেশে সম্প্ৰতি সংবিধানৰ ৭৫ বছৰীয়া জয়ন্তী, চৰ্দাৰ বল্লভভাই পেটেল আৰু বীৰছা মুণ্ডাৰ ডেৰশ বছৰীয়া জয়ন্তী আৰু গুৰু টেগ বাহাদুৰৰ ৩৫০ বছৰীয়া জয়ন্তী পালন কৰিছে। ইয়াৰ লগতে বন্দে মাতৰমৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপন কৰিবলৈ সুযোগ লাভ কৰাটো আনন্দৰ বিষয়।

প্ৰধান মন্ত্ৰীয়ে কয় যে জাতীয় প্ৰেমৰ অফুৰন্ত উৎস স্বৰূপ এই গীতটোৰ প্ৰকৃত মূল্য হয় কংগ্ৰেছ দলে বুজা নাছিল অথবা ইচ্ছাকৃতভাৱে ইয়াক অৱমাননা কৰিছিল। এই গীতটোৰ গুৰুত্বপূৰ্ণ অংশ ১৯৩৭ চনত কংগ্ৰেছৰ ৱৰ্কিং কমিটীৰ বৈঠকত সম্পাদিত হৈছিল। এই কাম জিন্না আৰু মুছলীম লীগৰ হেঁচাত কৰা হৈছিল। এয়া তুষ্টিকৰণৰ বাদে আন একো হ'ব নোৱাৰে।

আনহাতে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীক এই বিষয়ত উভতি ধৰে লোক সভাৰ বিৰোধী পক্ষৰ উপ দলপতি গৌৰৱ গগৈয়ে। তেওঁ কয় যে কংগ্ৰেছ দলেই বন্দে মাতৰম গীতক ৰাষ্ট্ৰীয় গীতৰ মৰ্যাদা প্ৰদান কৰিছিল। সেই সময়ৰ মুছলীম লীগ আৰু হিন্দু মহাসভাৰ বিৰোধিতা সত্বেও কংগ্ৰেছ দলে এই কাম কৰিছিল। কংগ্ৰেছৰ ৱৰ্কিং কমিটীৰ বৈঠকত ১০ পৃষ্ঠাত

# বিপৰ্যয়ৰ গৰাহত ‘ইণ্ডিগো’




**কলংপাৰ প্ৰতিবেদন ঃ** চৰম বিপৰ্যয়ৰ সন্মুখীন হৈছে দেশৰ অন্যতম আগশাৰীৰ বিমান পৰিবহণ সংস্থা ইণ্ডিগো। দৈনিক প্ৰায় ২৩০০ বিমান চলাচল কৰা দেশৰ এই অগ্ৰণী বিমান পৰিবহণ সংস্থাটোত হঠাতে উদ্ভৱ হোৱা আভ্যন্তৰীণ সমস্যাৰ পৰিপ্ৰেক্ষিতত বিমানৰ চলাচলত এক প্ৰকাৰৰ অচলাৱস্থাৰ সৃষ্টি হয়। ফলত কেইবা শতাধিক বিমানৰ যাত্ৰা বাতিল কৰিব লগা হয়। ইণ্ডিগো বিমান পৰিবহণ সংস্থাৰ এনে সমস্যাৰ ফলত দেশৰ বিমান বন্দৰ সমূহতো অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হয়। অনিশ্চয়তাৰ মাজত আবদ্ধ হৈ পৰা যাত্ৰীসমূহে বিমান বন্দৰত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। যাত্ৰীসকলৰ উপৰ্য্যুপৰি প্ৰশ্নৰ কোনো সঠিক উত্তৰ দিব নোৱাৰা ইণ্ডিগোৰ কৰ্মচাৰীসকলৰ বিৰুদ্ধে বিষোদগাৰ কৰে ১০ পৃষ্ঠাত

# সূচনা হ'ল শিক্ষাৰ্থীলৈ স্কুটী বিতৰণ

**নগাঁও ঃ** ড° বাণীকান্ত কাকতি মেধা বঁটা আঁচনিৰ অধীনত ২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকললৈ স্কুটী বিতৰণ কাৰ্যসূচী যোৱা ৮ ডিচেম্বৰত সূচনা কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক অনুষ্ঠানত এই কাৰ্যসূচী মুকলি কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে শিক্ষাৰ্থীসকলক উদগনি যোগোৱাৰ উদ্দেশ্যে অসম চৰকাৰে ২০১৭-১৮ বৰ্ষৰ পৰা ২০২৫-২৫ বৰ্ষ পৰ্যন্ত সৰ্বমুঠ ১,৮৬,৪৪২ গৰাকী শিক্ষাৰ্থীলৈ স্কুটী বিতৰণ কৰিছে। ইয়াৰ বাবে ৰাজ্য চৰকাৰে ১৪৩৩ কোটি টকাতকৈও অধিক ধন ব্যয় কৰিব লগা হৈছে। ১০ পৃষ্ঠাত

# নগাঁৱত আৰম্ভ হ'ল ৫৩ টা কৈ পথ নিৰ্মাণৰ কাম



**নগাঁও ঃ** মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি আৰু পথ নবীকৰণ আঁচনিৰ অধীনত নগাঁও-বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত কেইবাটাও পঞ্চায়তৰ বিভিন্ন স্থানত নতুনকৈ নিৰ্মাণ হ'বলগীয়া ১৩ টাকৈ পথৰ আধাৰশিলা স্থাপন কৰা হয়। আধাৰশিলা স্থাপন কৰি বিধায়ক ৰূপক শৰ্মাই নিজৰ ভাষনত কয়— নগাঁও-বটদ্ৰৱা সমষ্টিৰ বৰ্তমানৰ পৰিসৰ বৃদ্ধি হ'ল। পূৰ্বৰ সদৰ সমষ্টি আছিল আৰু এতিয়া নগাঁও-বটদ্ৰৱা সমষ্টি হ'ল। আজি আমি কেইবাটাও পথৰ আধাৰশিলা কৰিছো। চাৰিটা দিনত ৫৩টা পকীপথৰ আধাৰশিলা কৰা হৈছে। আজি যি পথৰ আধাৰশিলা কৰিলো সেইটো এটা মথাউৰি। প্ৰকৃততে লোকনিৰ্মান বিভাগে মথাউৰিৰৰ ওপৰত পকী পথৰ কাম নকৰে। কিন্তু বৰ্তমানৰ কৰ্মোদ্যমী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ নেতৃত্বত তথা কাম কৰাৰ যি মানসিকতা তেওঁ মথাউৰিৰ ওপৰতো পকীপথ নিৰ্মাণৰ বাবে কাম হাতত দিছে । আজিৰ পৰা ১৫ বছৰৰ আগতে নগাঁৱৰ কি ৰূপ আছিল সেইয়া নগাঁৱৰ ৰাইজে দেখিছিল। কিন্তু বৰ্তমান নগাঁৱৰ কি ৰূপ সেইয়াও প্ৰতিজন ৰাইজে দেখা পাইছে ।

নগাঁও বাসী ৰাইজৰ বাবে এটা বৰ ভাল খবৰ যে অহা ডিচেম্বৰৰ শেষত বা জানুৱাৰী ১০ পৃষ্ঠাত

# অমৰ দ্বীপ-মৃত্যু য'ত থমকি ৰয়

■ বিৰিঞ্চি কুমাৰ ডেকা

পৃথিবীৰ অন্যতম ৰহস্যময় দেশ হৈছে গ্ৰীচ। গ্ৰীচ হৈছে দক্ষিণ পুব ইউৰোপৰ এখন দেশ যাৰ এতিহাস সুপ্ৰাচীন। গ্ৰীক সভ্যতাই বিশ্বক গণিত, দৰ্শন, বিজ্ঞান, গণতন্ত্ৰ আদি অনেক ক্ষেত্ৰত প্ৰভাৱিত কৰিছে। ভূমধ্য সাগৰীয় অঞ্চলৰ এক গুৰুত্বপূৰ্ণ অংশ।

সি যি হওক এই গ্ৰীচ দেশৰে এটা সৰু দ্বীপ, নাম ‘ইকাৰিয়া’। প্ৰায় তিনিশ বৰ্গ কিলোমিটাৰ অঞ্চলজুৰি বিস্তৃত ভুমিত বসবাস কৰা লোকসকলৰ জীৱন কালৰ ঘটনা সমগ্ৰই বিশ্ববাসীক আচম্বিত কৰি আহিছে। দ্বীপটোত বাসিন্দা সকলে যেন প্ৰকাৰান্তে অমৰত্ব লাভ কৰিছে, বহু ক্ষেত্ৰত যেন মৃত্যু থমকি ৰৈছে। এই বিস্ময়কৰ দ্বীপটোত বাসিন্দা সকলৰ গড় আয়ুস হৈছে এশ বছৰ। তাৎপৰ্যপূৰ্ণ কথাটো হৈছে, সাধাৰণতে এশ বছৰীয়া বুলিলেই মনলৈ ভাঁহি অহা জৰাগ্ৰস্ত এটা বিধ্বস্ত প্ৰায় দেহৰ কথাই মনলৈ আহে। কিন্তু এই ইকাৰিয়া দ্বীপটোৰ বাসিন্দা সকলৰ ক্ষেত্ৰত ইয়াৰ বিপৰীত ছবিহে প্ৰত্যক্ষ হয়। এশ বছৰ বয়সতো এই দ্বীপৰ বাসিন্দা সকলে দৈনন্দিন জীৱনত লাখুটিৰ ওপৰত ভৰ দি খোজ নাকাঢ়ে, বৰঞ্চ অনায়াসে পাহাৰ বগাব পাৰে। আটাইতকৈ মিৰাকল ঘটনাটো হৈছে দুৰাৰোগ্য কৰ্কট ৰোগী, শয্যাগত মৃত্যুমুখী ৰোগ ব্যাধিৰে জৰ্জৰিত সকলো এই দ্বীপত উপস্থিত হৈ বিনা চিকিৎসাৰে সুস্থ হৈ উঠিব পাৰে। এনে এক ৰহস্যময় কৰ্ম-কাণ্ডৰ বাবে বিখ্যাত হৈ পৰিছে ইকাৰিয়া নামৰ এই সৰু দ্বীপটো আৰু ইয়াৰ বাসিন্দা সকল।

এনেকুৱা ঘটনাৰ জীৱন্ত সাক্ষী ষ্টেমাটিছ মʼৰাইটিছৰ জীৱনত। এই দুৰাৰোগ্য ৰোগী জনক চিকিৎসকে জীৱন কাল বান্ধি দিছিল মাত্ৰ ন-মাহ। সেই সময়ত ষ্টেমাটিছৰ বয়স আছিল যাঠি বছৰ। সেয়ে তেওঁ জীৱনৰ অন্তিম সময়চোৱা ইকাৰিয়া দ্বীপৰ বাসিন্দা সকলৰ সৈতে কটোৱাৰ ইচ্ছা কৰিলে। সেয়ে তেওঁ সপত্নীক ইকাৰিয়া দ্বীপটোত উপস্থিত হয়গৈ। দ্বীপটোত তেওঁ এমাহমান কটোৱাৰ পিছতে সঁচা অৰ্থত ষ্টেমাটিছৰ জীৱনৰেখা বিপৰীত হ'বলৈ ধৰে। ক্ৰমান্বয়ে সুস্থ হ'বলৈ ধৰে তেওঁ। শয্যাগত অৱস্থাৰ পৰা নিজে খোজকাঢ়ি কৰ্মময় জীৱন আৰম্ভ কৰি নৱৈ বছৰলৈ জীয়াই থাকিল ষ্টেমাটিছ নামৰ লোকজন। আন এক উদাহৰণ গ্ৰেগৰী ছাহাছ। শতায়ু এই লোকজনে জীৱনত এবাৰ এপেণ্ডিচাইটিছৰ সংক্ৰমণৰ বাহিৰে অন্য কোনো ৰোগত আক্ৰান্ত হোৱা নাছিল।

দৰাচলতে এই দ্বীপৰ বাসিন্দা সকলে দৈনন্দিন চাপ মুক্ত জীৱন নিৰ্বাহ কৰে। বাসিন্দা ১০ পৃষ্ঠাত

# পথিকৃত চিত্ৰশিল্পী আশুদেৱ

## (১৩ ডিচেম্বৰৰ জন্মদিনৰ সোঁৱৰণিৰে)

■ উজ্জ্বল জ্যোতি দাস

আশুদেব অসমৰ আগশাৰীৰ চিত্ৰশিল্পী সকলৰ ভিতৰত অন্যতম। ‘মানুহৰ শিল্পী’ আৰু ‘অগ্ৰণী শিল্পী’ বুলি প্ৰগতিশীল লেখক দধি মহন্তদেৱে সৌ তাহানিতেই তেওঁক অভিহিত কৰি থৈছে। এয়া সাধাৰণ কথা নহয়। গুৱাহাটী আৰ্টিষ্টছ গীল্ডৰ তেওঁ প্ৰতিষ্ঠাপক কাৰ্যকৰী সভাপতি আছিল। বেণু মিশ্ৰৰ লগত কলাপ্ৰেমীৰ হেঁপাহৰ অনুষ্ঠানটিক তেওঁ আগবঢ়াই নিছিল। প্ৰতিটো ক্ষেত্ৰতে আশুদেবক কিন্তু সংগ দিছিল সুযোগ্যা পৰিবাৰ বেলা দেৱে; যিগৰাকী বিশ্বভাৰতীৰ (শান্তিনিকেতন) কলা আৰু সঙ্গীত ভৱনৰ কৃতি ছাত্ৰী আছিল।

আশুদেৱে ১৯১৭ চনৰ ১৩ ডিচেম্বৰত ধুবুৰীত জন্মগ্ৰহণ কৰিছিল। ১৯৫২ চনৰ ১৪ এপ্ৰিলত গুৱাহাটীৰ প্ৰখ্যাত কামৰূপ একাডেমীত তেওঁৰ প্ৰথমখন চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত হৈছিল। শিল্পী সৰ্বেশ্বৰ চক্ৰৱৰ্তীয়ে আয়োজন কৰা এই একক প্ৰদৰ্শনীখন উদ্বোধন কৰিছিল গুৱাহাটী উচ্চ ন্যায়ালয়ৰ সেই সময়ৰ মুখ্য ন্যায়াধীশ হলিৰাম ডেকাই। তাৰ পিছত দুলিয়াজান, শ্বিলং, দিল্লী, কলিকতা আদি ঠাইত পৰ্যায়ক্ৰমে তেওঁৰ ছবি প্ৰদৰ্শনীবোৰ অনুষ্ঠিত হৈছে। তেওঁৰ পৰিবাৰ বেলা দে (বিয়াৰ আগতে ‘পালিত’ উপাধি আছিল) ডাঙৰীয়ানীও এবাৰ একেলগে তেওঁৰ লগত প্ৰদৰ্শনীত অংশগ্ৰহণ কৰিছে; ১৯৫৮ত শ্বিলঙত। শিল্পী আশুদেৱৰ প্ৰায় সমসাময়িক নৰকান্ত বৰুৱা, ডঃ প্ৰফুল্ল দত্ত গোস্বামী, নীলকমল দত্ত (হিন্দুস্তান টাইমছৰে জড়িত আছিল), ডঃ বীৰেন্দ্ৰ নাথ দত্ত আদিয়ে শিল্পী গৰাকীৰ জীৱিতকালতে তেখেতৰ চিত্ৰকৰ্মৰ বিষয়ে কিছু আলোচনা-বিলোচনা কৰিছিল যদিও সেয়া যথেষ্ট নাছিল। এগৰাকী পথিকৃত শিল্পী হিচাপে আজি পৰ্যন্ত তেখেতৰ কলা সাধনাৰ বিষয়টি উপেক্ষিত হৈ থকাটো খুবেই দুখজনক বিষয়। পঞ্চাশৰ দশকতেই আশুদেৱৰ দৰে এজন স্বশিক্ষিত শিল্পীয়ে শিল্পকলা চৰ্চাৰ বাট কাটি গৈছিল। গতিকে তেনে এজন লোকৰ বিষয়ে আলোচনা যিদৰে হ’ব লাগিছিল, সেইদৰে হোৱা আমি দেখা নাই। তেতিয়াৰ দিনতে ২০০ৰো অধিক ছবি অংকন কৰাই নহয় প্ৰদৰ্শনী পাতি অসমত এটা শিল্পকলাৰ পৰিৱেশ স্থাপনত তেওঁ আগভাগ লৈছিল। জীৱেশ্বৰ বৰুৱাৰ লগত গুৱাহাটী আৰ্ট স্কুলৰ (পাণবজাৰৰ সমীপত থকা) স্থাপনৰেও এইগৰাকী অগ্ৰজ শিল্পী জড়িত আছিল। এই খনেই পিছলৈ গৈ গুৱাহাটী আৰ্ট কলেজ হৈছে। জনহিতৈষী চিকিৎসক প্ৰয়াত ডাঃ

ভূবনেশ্বৰ বৰুৱাৰ বাসভৱনত চিত্ৰভাগৱতক লৈ কৰা তেওঁৰ এটি কামে (মিউৰেল) বহুতকে আকৰ্ষণ কৰিছিল। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰতো তেওঁৰ প্ৰদৰ্শনী অনুষ্ঠিত হৈছে (Retrospective III)।

যাহওক, তেওঁৰ ঘৰতে পুত্ৰ অনুতোষ দেবৰ তৎপৰতাত গঢ়ি উঠা আৰ্ট গেলাৰীটোত মুঠতে চল্লিছখন ছবি আমি প্ৰত্যেক্ষ কৰিছো। প্ৰায়বোৰেই কেনভাচত অঁকা আৰু তেল ৰঙৰ ব্যৱহাৰ হৈছে। তাত একাষে আন ছবিও বহুকেইখন আছে যিবোৰ আজিলৈকে ক’তো প্ৰদৰ্শন কৰা হোৱা নাই। কিছু পৰিমাণে ছবিবোৰৰ ৰেষ্ট্ৰ’ৰেচনৰ আৱশ্যক হৈছে। অতি সোনকালে এই ছবিবোৰো প্ৰদৰ্শন কৰাটো আমি বিচাৰোঁ। আশুদেবৰ পবিত্ৰ স্মৃতিত ন্যাসৰ ফালৰ পৰা যোৱা তিনিটা বছৰে (এইবাৰক লৈ চাৰিবাৰ) এগৰাকীকৈ অধ্যয়নৰত ছাত্ৰ/ছাত্ৰীক জলপানি দিয়াৰ ব্যৱস্থা কৰা হৈছে। এইবেলিও (চতুৰ্থবাৰ) দিয়া হ’ব। নিউ বঙ্গাইগাঁৱৰ চিত্ৰকলা বিষয়ত মাষ্টাৰ ডিগ্ৰী কৰি থকা ছাত্ৰী প্ৰান্তিকা সাহাক এই জলপানিটি এইবাৰ আগবঢ়োৱা হৈছে। অধ্যয়নৰত কৃতী ছাত্ৰ-ছাত্ৰী সকলক আৰ্থিক সকাহ এটা দিয়াৰ বাবেই এইধৰণৰ এটা উদ্যোগ আশুদেব আৰ্ট ফাউণ্ডেচনে গ্ৰহণ কৰি আহিছে বুলি জানিব পাৰিলোঁ। লক্ষ্যণীয় ভাৱে দেউতাকৰ কামখিনি নতুন প্ৰজন্মৰ বাবে আগবঢ়াই দিবলৈকে একমাত্ৰ পুত্ৰ আলোকচিত্ৰ শিল্পী অনুতোষ দেৱে সুদূৰ বৰোদাত এপ্লাইদ আৰ্ট বিষয়ত অধ্যয়ন কৰি আহিছিল। এইক্ষেত্ৰত অৱশ্যে মাক বেলা দে’ৰো প্ৰভূত অৰিহণা আছে। কামখিনি সুন্দৰকৈ ৰাইজৰ মাজলৈ নিবলৈ আৰ্টটি জনাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি মাকেই অনুতোষ দেবক বৰোদালৈ পঠিয়াই শিল্পকলা বিষয়ত প্ৰশিক্ষিত কৰালে। কিয়নো আৰ্ট সযত্নে ৰাখিবলৈ আৰ্টৰ জ্ঞান ভালদৰে জানিবলৈ লাগিবই।

শিল্পী আশু দেবৰ শিল্পকলা চৰ্চাত সাধাৰণতে দুটি বিশেষত্ব বিশেষভাৱে আমি দেখিবলৈ পাওঁ, সেয়া ডট্‌ছৰ (আধুনিক কালত পিক্সেল বুলি কোৱা হয়) বহুল প্ৰয়োগ আৰু জনজাতীয় লোকৰ উপস্থিতি। স্বশিক্ষিত

শিল্পীজনে একালত টেক্সটাইল বিভাগত কাম কৰোঁতে ডিজাইনৰ বাবে সঘনে গ্ৰাফত ডট্‌ছ প্ৰয়োগেৰে নক্সা তুলিব লগা হৈছিল। এয়েই তেখেতৰ শিল্পচৰ্চাত এক মাত্ৰা প্ৰদান কৰিলে বুলি কোৱা হয়। কৰ্মসূত্ৰে তেওঁ আহমেদাবাদ, খোলনা, ময়মনসিং, কলকাতা আদি ঠাইত থাকিব লগা হৈছিল। তেওঁৰ ছবিত ডট্‌ছৰ প্ৰয়োগ খুবেই কিন্তু মনকৰিবলগীয়া। ছবিবোৰ প্ৰায়বোৰেই ফিগাৰেটিভ যদিও নৈসৰ্গিক ছবিও কেবাখনো আছে। উজ্জ্বল আৰু পাতল, দুইধৰণৰ ৰঙেই তেওঁ ছবিত প্ৰয়োগ কৰিছে। অসংখ্য

স্কেটছো তেওঁ আঁকিছিল। ব্ৰাছবোৰ নিজেই প্ৰস্তুত কৰি লোৱা। অসমৰ জনজাতীয় সংস্কৃতিৰ লগত তেওঁৰ এটা সুপৰিচয় গঢ়ি উঠিছিল; ইয়ে প্ৰভাৱ পেলাইছিল ছবিত। ক’ভাৰ ডিজাইনিঙো কিছু পৰিমাণে তেওঁ কৰিছিল। আৰ্থিকভাৱে সচ্ছল নোহোৱাৰ বাবে ছবি অঁকাত কিছু স্থৱিৰতা আহিছিল যদিও বন্ধুবৰ্গৰ সহায় আৰু উদগনিত চৰ্চাটো তেওঁ অব্যাহত ৰাখিছিল জীৱনৰ শেষ সময়লৈ। প্ৰমথো সেন, শংকৰ বৰুৱাৰ দৰে বাহিৰত থকা অন্তৰংগ বন্ধু দুজনমানে ৰঙ, কেনভাছ তেওঁলৈ অসমলৈ আহোঁতে আনিছিল আৰু যোৱাৰ সময়ত তেওঁৰ পৰা এখন ছবি

উপহাৰ হিচাপে লৈ গৈছিল। ১৯৮৩ চনৰ ৬ ফেব্ৰুৱাৰীত শিল্পীগৰাকীৰ মৃত্যু হৈছিল। পুত্ৰ অনুতোষ দেবৰ পৰা জানিব পৰা মতে শেষৰ ফালে মস্কোলৈ যোৱাৰ এটা পৰিকল্পনা তেওঁৰ আছিল। কিন্তু বিধিয়ে তাক পূৰণ হ’ব নিদিলে। গুৱাহাটী আৰ্টিষ্টছ গীল্ডৰ লগত তেওঁৰ সুসম্পৰ্ক আছিল। শিল্পী ভাস্কৰ প্ৰয়াত যুগল দাসে এবাৰ এখনি পত্ৰত এইদৰে শিল্পীগৰাকীৰ কলাসাধনাক প্ৰশংসা কৰি লিখিছিল — His paintings attract us, they are pleasing and soothing for us and we find in them the sincerity and love of work of the artist।... যাহওক, শিল্পীগৰাকীৰ বোৱাৰী তুলিৰেখা, নাতিনী অনুৰেখাৰ লগতে পুত্ৰই তেওঁৰ পদাংক অনুসৰণ কৰি আজিও চিত্ৰকলাৰে সম্পৰ্কিত হৈ থকা কথাই আমাক আনন্দিত কৰিছে। প্ৰজন্মৰ পৰা প্ৰজন্মলৈ এই সাধনা অব্যাহত ৰওঁক।



আলোক চিত্ৰ ঃ আনোৱাৰ হাজৰিকা

মৰ্মান্তিক ঃ হাতুৰীৰ কোবত ধূলিস্যাৎ নগাঁৱৰ ঐতিহ্যমণ্ডিত কৃষ্ণা চিনেমা ঘৰ।

# কেনেকৈ চালে চকুৰোৱা হৈ পৰে এখন চহৰ?

■ দেৰেন শইকীয়া

কোনোবাই টপকৈ ক’ব পাৰে তলতীয়া কৰ্মী, চাফাই কৰ্মীৰ নিয়াৰি দায়িত্ব পালনৰ বাবে বা কোনোবাই ক’ব পাৰে নগৰৰ নাগৰিকসকলৰ নগৰখনৰ প্ৰতি ভাল পোৱাত। দুয়োটাই হ’ব পাৰে কিন্তু শাসক প্ৰশাসকৰ উৰ্বৰ মগজুৰ কথাও আহিব। শাসকজনৰ ভাল চিন্তা এটা কাৰ্য্যত ৰূপায়িত কৰে আমোলা, কৰ্মীয়ে। নিৰ্মাণ সম্পৰ্কীয় কথা হ’লে ঠিকাদাৰ, বনুৱা ইত্যাদি।

আমাৰ মৰমৰ নগাঁও চহৰখনৰ কথা ক’বলৈ ওলাইছো। ২২ অক্টোবৰত গৌৰৱপথ নামেৰে মুখ্যমন্ত্ৰীয়ে উদঘাটন কৰা আৱৰ্ত্ত ভৱনৰ পৰা পানীগাঁও চাৰিআলিলৈকে এই দুই কিলোমিটাৰ পথ চাই চাই আমাৰ বুকু গৌৰৱত ফুলি উঠিছে, আপুনিও চাই যাওকহি। আপুনি যদি নগএঁৱা, ৰাজহুৱা ঠাইৰ যদি আপুনি চাকচিক্য ভাল পাই, আপোনাৰ যদি নগাঁও প্ৰেম আৰু আপুনিও ইয়াৰ ৰূপ দেখি গৌৰৱী হৈ উঠিব।

চকুৰ সন্মুখতে বিৱৰ্ত্তনবোৰ দেখি আছিলো। পৰিবৰ্ত্তনবোৰ চাই আছিলো। এইবোৰ আমাৰ চখৰ বিষয়, দুখৰ বিষয়, সুখৰ বিষয়, এইবোৰ আমাৰ বৰ সুখানুভূতি। লক্ষ্য কৰি আছিলো।

১) প্ৰথমে চহৰৰ মাজেৰে যোৱা ৩৭ নং ৰাষ্ট্ৰীয় পথৰ খুটিকটিয়াৰ পৰা ডিমৰুগুৰিলৈ নৰ্দমাবোৰ বনাই পেলোৱা হ’ল, সেই নৰ্দমা, ভিতৰৰ পানীতো বাদেই, ভিতৰৰ মাটি আহি ঢাকনিৰ তলৰ ফালে লাগিছিলহি। বোধকৰো বনোৱাৰ পাছত আৰু সেইবোৰৰ গেদ এবাৰো চাফা কৰা নাছিল।

২) তাৰ পিছত ইয়াত মানে পদপথত টাইলছ লগোৱা হ’ল।

৩) পিছত আকৌ এটা দুৰত্বৰ পাৰ্থক্যত টাইলছখিনিত কাটাৰেৰে আঁক দিয়া হ’ল, আমি মিস্ত্ৰীক সুধি পেলালো, এয়া কি? ক’লে — কেতিয়াবা ভিতৰৰ গেদ চাফা কৰিবলৈ অ’ত ত’ত টাইলছ ভঙাৰ বিপৰীতে এই কাটাৰখিনিৰে সুবিধা হ’ব।

৪) তাৰ পিছত আমাৰ বাবে নোহোৱা-নোপজা কথা, পদপথসমূহ লোহাৰ ৰেলিঙেৰে বেৰি দিয়া হ’ল।

৫) তৰা পিছত ৰং দিয়া হ’ল।

৬) ৰেলিঙৰ খুটিসমূহৰ গুৰিটো চবিৰ আৰ্হিত গাথনি কৰি দিয়া হ’ল।

৭) এই ৰেলিংসমূহ লগাঁওতে যিবোৰ দোকানৰ সন্মুখত এই ৰেলিং সন্মুখতে পৰিল, তেওঁলোকৰ বাবে আকৌ আচুতীয়াকৈ খট্‌খটি। যিখিনি অব্যৱহৃত হ’বলৈ ওলাল, সেইখিনি ভাঙি দিয়া হ’ল।

৮) ৰাষ্ট্ৰীয় পথৰ দুয়োকাষে বাগৰি যোৱা পানী নৰ্দমাত পৰিবলৈ নিৰ্দ্দিষ্ট দূৰত্বৰ পাৰ্থৰ্ক্যত নৰ্দমাৰ বেৰত ফুটা কৰি দিয়া হ’ল।

৯) তাৰ পাছত দেখিছো আকৌ পদপথৰ কাষে কাষে গাঁতখন্দা হ’ল। আমি আচৰিত হ’লো, কিন্তু ধৈৰ্য্য ধৰিলো।

১০) কৌতুহল ভাগিল, ওখোন আকৃতিৰ বিশেষ ধৰণৰ লাইট প’ষ্ট পোতা হ’ল, এতিয়া লাইটো জ্বলিল।

১১) আকৌ গাঁত খন্দা হ’ল, হে হৰি আৰু কি থাকিল? থাকিল পথৰ সাংকেতিক চাইনবৰ্ড পুতিবলৈ, পুতিলে।

১২) ৰাস্তাখিনি মিহি কৈ পিছ কৰি দিয়া হ’ল, সোণসেৰীয়া ৰাস্তা, সোণসেৰীয়া চহৰ হৈ গ’ল।

১৩) ওহোঁ, বাকী আছে, ৰাস্তাৰ লাইনিং, জেব্ৰা ক্ৰচিংৰ দাগ।

১৪) এইবোৰত আকৌ ৰাতি গাড়ীৰ হেডলাইটৰ পোহৰত জিলিকা বিশেষ লাইট ৰাস্তাত গজাল মাৰি দিয়া হ’ল।

১৫) তাৰ পিছত ৰাস্তাৰ দুয়োদাঁতিৰ পদপথত সংযোগ স্থলৰ পানী বাগৰিব পৰা লোৰটো পকা কৰি, পৰি ৰোৱা মচলা, ইটাৰ টুকুৰাবোৰ সাৰি পুচি লৈ যোৱা হ’ল।

১৬) বিশেষ মেচিনেৰে (গাড়ীত সংলগ্ন) পুৰা ৰাষ্ট্ৰীয় পথখিনি সাৰি পুচি নিয়া হ’ল।

১৭) পুৱা আবেলি দুবাৰ Water Sprinking গাড়ীৰে পানী ছটিওৱাৰ নিয়ম হ’ল।

এইখন আমাৰ মৰমৰ নগাঁও, নিকা নগাঁও, পৰিস্কাৰ নগাঁও। চৰকাৰ প্ৰশাসনে কৰি দিলে। ইতিয়া এইবোৰ ‘চৰকাৰী মাল, আমাৰ কি আহে যায়’ এই মনোভাৱেৰে চামনে, নে আমিও দায়িত্ব অলপমান লম। দোকানীসকলে, নাগৰিক সকলে য’তে ত’তে থু, খেকাৰ পিক, পলিথিন বেগ, চিখৰ, চিপসৰ বাকলি পেলাবনে, নে দাষ্টবিনলৈ চকু ফুৰাব? টাইলচ, অলপমান ভাগিলে, ৰেলিং অকণমান বেঁকা হ’লে প্ৰশাসন, পৌৰসভাক ফোন এটা কৰিবনে?

আমি কিন্তু যৎসামান্য কৰা আৰম্ভ কৰিছো ‘মৰিকলং অঞ্চলৰ, আনৰ পদূলিত তিনি ঠাইত জল জীৱন মিছনৰ পানী পাইপেৰে ওলাই থকা দেখি, নম্বৰ গোটাই, ফোন কৰাত তেওঁলোকৰ কৰ্মীয়ে আহি ঠিক কৰি গ’লহি। মাজতে প্ৰাক্তন সাংসদ ৰাজেন গোঁহাইৰ গলিত জাৱৰ বঢ়া দেখি উপ পৌৰপতি সীমান্ত বৰাক মেছেজ এটাহে দিলো, তেওঁ পৰিস্কাৰ কৰাই দিলেহি।

জুলাই মাহৰ উৎকট গৰমৰ সময়ত যেতিয়া সকলোৱে বৰষুণ এজাকৰ হেপাঁহ কৰি ৯ পৃষ্ঠাত

কলংপাৰ
নগাঁও □ সপ্তবিংশতি বছৰ □ ১৭ সংখ্যা □ বুধবাৰ ২৩ আঘোণ, ১৯৪৬ শক □ ১০ ডিচেম্বৰ, ২০২৫



# ধ্ৰুপদী ভাষাৰ স্বীকৃতিৰে অসমীয়া ভাষা সুৰক্ষিতনে ?

■ মিলেশ্বৰ পাতৰ

অসমীয়া ভাষাৰ প্ৰাচীনত্ব আৰু ইয়াৰ মৌলিকতাক স্বীকৃতি দি ভাৰত চৰকাৰে শেহতীয়াকৈ অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰিছে। এই লৈ অসমত মৃদু আৱেগৰ ঢৌ বৈ গ'ল। অৱশ্যে ভাষাৰ ক্ষেত্ৰত এনে আবেগৰ প্ৰয়োজনো আছে। প্ৰায় দুই সহস্ৰাধিক বছৰৰ পুৰণি, মৌলিকতাৰে সমৃদ্ধ আৰু লিপিবদ্ধ প্ৰাচীন সাহিত্যৰে প্ৰোজ্জ্বল অসমীয়া ভাষাৰ এই স্বীকৃতিয়ে প্ৰত্যাহ্বানৰ সম্মুখীন হোৱা যিকোনো ভাষাকে জীয়াই থকাৰ বল-শক্তি যোগান ধৰিব পাৰে। সপ্তম শতিকাৰ প্ৰাচীন কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মনৰ দিনত অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙে 'এই অঞ্চলৰ ভাষা অন্যান্য অঞ্চলৰ ভাষাৰপৰা পৃথক' বুলি দিয়া মন্তব্যৰ স্বীকৃতিৰপৰা আৰম্ভ কৰি সুদীৰ্ঘ পৰিক্ৰমাত এচাম ভাষা-সাহিত্যৰ সাধকৰ নিৰলস প্ৰচেষ্টাৰ ফলতে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে। ভাৰতত তামিল, সংস্কৃত, তেলুগু, কন্নড়, মালায়ালম আৰু ওড়িয়া- এই ছটা ভাষাই বহু পূৰ্বে ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰিছিল। শেহতীয়াকৈ অসমীয়া ভাষাৰ লগতে মাৰাঠী, বাংলা, পালি আৰু প্ৰাকৃত ভাষাকো এনে মৰ্যাদা প্ৰদান কৰা হৈছে। অসমীয়া ভাষাৰ এনে স্বীকৃতিৰ পৰা আমি এটা কথাত আশ্বস্ত হ'ব পাৰোঁ যে বহুতে কৈ অহাৰ দৰে অসমীয়া ভাষা বাংলা বা ওড়িয়া অথবা আন কোনো ভাষাৰ অপভ্ৰংশ নহয়। ইয়াৰ নিজৰ মৌলিকতা আছে। আৰু এতিয়া আন কোনোৱেই অসমীয়া ভাষাৰ মৌলিকতাক লৈ প্ৰশ্ন উত্থাপন কৰিব নোৱাৰে। এটা দীঘলীয়া পৰিক্ৰমাত অসমীয়া ভাষাৰ বিদ্যায়তনিক আৰু ব্যৱহাৰিক ক্ৰমবিকাশত এচাম ভাষা-সাহিত্যৰ সাধকৰ নিৰলস সাধনা, চৰ্চা আৰু অনুশীলনৰ ফলতে এই সাফল্য সম্ভৱ হৈছে। পিছে, একোটা ভাষাৰ স্বীকৃতি বা ধ্ৰুপদী ভাষাৰ মৰ্যাদাৰে ভাষাটোক সুৰক্ষিত কৰি ৰখাটো সম্ভৱনে ?


সাম্প্ৰতিক কালত অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰতো কিছু উদ্বেগজনক আৰু অবাঞ্ছিত পৰিস্থিতিয়ে কিছু প্ৰত্যাহ্বান আৰু সংশয়ৰ সৃষ্টি নকৰাকৈ থকা নাই। অৱশ্যে এনে সংশয় কেবল অসমীয়া ভাষাৰ ক্ষেত্ৰাতে নহয়, অসমৰ অন্যান্য জনগোষ্ঠীয় ভাষা-সাহিত্যৰ ক্ষেত্ৰতো প্ৰযোজ্য। আধুনিক বিশ্বত বিজ্ঞান আৰু প্ৰযুক্তবিদ্যাৰ অভাৱনীয় উত্তৰণে আমাৰ সভ্যতা-সংস্কৃতিলৈ নানা পৰিৱৰ্তন আৰু প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। সমাজ পৰিক্ৰমাই যিমানেই আধুনিক বাতাৱৰণত প্ৰবেশ কৰিছে, সিমানেই ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত সংঘাতৰ সৃষ্টি হৈছে। এই পৰিস্থিতিয়ে থলুৱা ভাষা-সাহিত্যৰ বল-শক্তি ক্ৰমান্বয়ে হ্ৰাস কৰিবলৈ ধৰিছে। বিকাশৰ স্বাৰ্থত বা যুগ সাপেক্ষ গতিৰ সৈতে খোজ মিলাবলৈ গৈ কেতিয়াবা উন্নত ভাষা-সাহিত্যৰ অনুপ্ৰবেশক বাট এৰি দিবলগীয়াও হৈছে। ফলস্বৰূপে, পাশ্চাত্যৰ ভাব-বৈচিত্ৰ্যই অৱধাৰিতভাৱে জীৱন-জীবিকাক প্ৰভাৱিত কৰিবলৈ ধৰিছে। সমগ্ৰ বিশ্বজুৰি আৰম্ভহোৱা এনে অৱধাৰিত পৰিক্ৰমাত ইংৰাজী ভাষা-সাহিত্যৰ প্ৰভাব ব্যাপক হ'বলৈ ধৰিছে। আধুনিক প্ৰতিযোগিতামূলক জীবন-শৈলীত পাশ্চাত্যৰ শিক্ষা ব্যবস্থাক আঁকোৱালি লোৱাৰ প্ৰবণতায়ো ইংৰাজী ভাষা-সাহিত্যৰ আগ্ৰাসনক বাট এৰি দিবলগীয়া হৈছে। অৰ্থাৎ ইংৰাজী ভাষা-সাহিত্যৰ প্ৰতি প্ৰদৰ্শন কৰা মাত্ৰাধিক দৰদে নিজস্ব ভাষা-সাহিত্যৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাত সহায় কৰিছে। এতিয়া বিশ্ব অৰ্থনীতিৰ প্ৰয়োজনীয়তা পুৰণৰ স্বাৰ্থত বা বিশ্বায়নৰ পৰিৱেশক ইংৰাজী ভাষাৰ দ্বাৰাই নিয়ন্ত্ৰিত কৰাৰ প্ৰচেষ্টা চলিছে। এনে প্ৰেক্ষাপটত অসমীয়া ভাষা বা থলুৱা ভাষাসমূহৰ বিকাশৰ পথ কি হ'ব বা মাতৃভাষা কেনেদৰে সুৰক্ষিত হৈ থাকিব সেয়া এটা বৃহৎ প্ৰশ্ন।

কিছুদিনৰ পূৰ্বে ইউনেস্ক'ৰ প্ৰতিবেদনত প্ৰকাশ পাইছিল- ভাৰতৰ ১৯৬টা ভাষাই সংকটৰ গৰাহত। ইয়াৰে অসমৰ কেইবাটা ভাষাও আছে। অসমত অসমীয়া, বাংলা আৰু বড়ো চৰকাৰী স্বীকৃত ভাষা। ২০১১ চনৰ লোকপিয়লৰ তথ্য মতে, অসমৰ ৩ কোটি ১২ লাখ মুঠ জনসংখ্যাৰ ভিতৰত অসমীয়াভাষীৰ সংখ্যা প্ৰায় ১ কোটি ৫০ লাখ, বাংলাভাষী ৯০ লাখ। অসমীয়াভাষী ৫৪.৫৮ শতাংশ, বাংলাভাষী ৩০.৮০ শতাংশ, বড়োভাষী ৫.৪৪ শতাংশ, কাৰ্বিভাষী ১.৭০ শতাংশ ইত্যাদি। People Linguistic Survey of Indiaৰ তালিকাভুক্তি অনুসৰি অসমত ৫৫টা ভাষা প্ৰচলিত হৈ আছে। ইয়াৰে টাই আহোম আৰু টাই তুৰুং ভাষা লুপ্তপ্ৰায়। আন এটা টাই ভাষা খামিয়াং লুপ্ত হোৱাৰ পথত। উত্তৰ-পূৰ্বাঞ্চলৰ মৃত্যুমুখী আন চাৰিটা ভাষা হৈছে- মণিপুৰৰ পুৰুম, তাৰাও আৰু আইমল; অৰুণাচলৰ মাৰা বা স্ৰা ভাষা। আনহাতে, অসমৰ তিৱা ভাষাকে আদি কৰি ক্ষুদ্ৰ ক্ষুদ্ৰ ভাষা-ভাষী লোকৰ সংখ্যাও ক্ৰম হ্ৰাসমান অবস্থাত আছে।

অসমীয়া ভাষাৰ ক্ষেত্ৰত উদ্বেগজনক কথাটো হৈছে বৃহত্তৰ অসমীয়া জাতি গঠনৰ অংশীদাৰ একাংশ জনগোষ্ঠীয়ে নিজকে 'অসমীয়া' বুলি পৰিচয় দিবলৈ অনিচ্ছুক হৈ নিজস্ব ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি সচেতন হ'বলৈ ধৰিছে। এইসকলৰ জাতীয় চেতনা নিশ্চয় শলাগিবলগীয়া। কিন্তু অসমীয়াভাষী হ্ৰাসকৰণৰ পৰিস্থিতিটোহে উদ্বেগজনক। এই পৰিস্থিতিটোৱে ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীক অসমীয়া ভাষাৰ চৰ্চা আৰু অনুশীলনৰ স্বাভাবিক অৱস্থাৰপৰা ক্ৰমান্বয়ে আঁতৰাই আনিব। আনহাতে, অসমীয়া ভাষীসকলে মাতৃভাষাৰ চৰ্চা আৰু অনুশীলনৰপৰা ক্ৰমান্বয়ে নিজকে আঁতৰাবলৈ ধৰিছে। ঘৰখনত মাতৃভাষাৰ চৰ্চাৰ পৰিৱেশটো দুৰ্বল হ'বলৈ ধৰিছে, নতুন প্ৰজন্মৰ শিশুসকল মাতৃভাষাৰপৰা ক্ৰমান্বয়ে আঁতৰি গৈছে, ইংৰাজী মাধ্যমৰ শিক্ষাৰ প্ৰতি পিতৃ-মাতৃ, অভিভাৱক-শিক্ষাৰ্থীৰ আগ্ৰহ ক্ৰমান্বয়ে বৃদ্ধি হৈ গৈ আছে অসমীয়া গ্ৰন্থ, বাতৰিকাকত আদি পঢ়া মানুহৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস পাবলৈ ধৰিছে কথোপকথন বা ভাব-বিনিময়ত ইংৰাজী ভাষাক প্ৰাধান্য দিবলৈ ধৰিছে, প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰত ইংৰাজী ভাষাক আওকাণ কৰিব নোৱাৰা হৈছে। এনে অৱস্থাত অসমীয়া ভাষা কিমান দিনলৈ সুৰক্ষিত হৈ থাকিব ? আগন্তুক ৫০ বা ১০০ বছৰত অসমীয়া ভাষাটো আজিৰ পৰ্যায়তে বা অধিক উন্নত পৰ্যায়ত বৰ্তি থাকিবগৈনে। প্ৰণিধানযোগ্য যে প্ৰাক শঙ্কৰী যুগ বা শঙ্কৰী যুগত নিৰ্দিষ্ট ৰূপ লোৱা অসমীয়া ভাষাই বৰ্তমানৰ অৱস্থাত উপনীত হোৱা পৰিক্ৰমাটো কেবল ৬০০ বছৰীয়াহে হৈছে। জোনাকী যুগতহে আধুনিক অসমীয়া ভাষাটোৰ ভেটি নিৰ্মিত হ'ল। অৰ্থাৎ আধুনিক অসমীয়া ভাষা বিকাশৰ পৰিক্ৰমাটো কেবল ১৩০-১৪০ বছৰীয়া হৈছে। এই চমু কালছোৱাতে অসমীয়া ভাষাটোৱে প্ৰত্যাহ্বানৰ মুখামুখি হোৱা বিষয়টো নিশ্চয় উদ্বেগজনক। এই ক্ষেত্ৰত ধ্ৰুপদী ভাষাৰ স্বীকৃতিয়ে ভাষাটোক সুৰক্ষিত কৰিবনে ?

সাম্প্ৰতিক সময়ৰ আধুনিক জীৱন-শৈলীৰ ব্যৱহাৰিক প্ৰয়োজনৰ তাগিদাত ইংৰাজী ভাষা ব্যাপকভাবে ব্যৱহাৰ কৰিবলগীয়া পৰিস্থিতিটোৱে মাতৃভাষা চৰ্চা আৰু বিকাশৰ স্বাভাৱিক পৰিক্ৰমাটোক আঘাত কৰিবলৈ ধৰিছে। ইংৰাজী ভাষাৰ বিশ্বব্যাপী থকা গুৰুত্ব আৰু ক্ষমতাক অস্বীকাৰ কৰিব পৰা নাযায়। প্ৰাক স্বাধীনতা কালত ভাৰতবৰ্ষত ইংৰাজী ভাষাটো ঔপনিবেশিক শক্তিৰ ক্ষমতা বিস্তাৰৰ আহিলা হিচাপে ব্যৱহৃত হৈছিল। সেই ধাৰা আজিও অব্যাহত আছে আৰু বৰ্তমান সময়তো মানুহৰ দৈনন্দিন জীৱন-শৈলীত তেনে ক্ষমতাৰ প্ৰতীক হৈ আছে। আনকি ক্ষুদ্ৰ-ক্ষুদ্ৰ ভাষা গোষ্ঠীয়েও ইংৰাজী ভাষাৰ অনুকৰণীয় চৰ্চা আৰু অনুশীলন কৰিবলৈ ধৰিছে। স্বকীয় ভাষা-সাহিত্য বিকাশৰ স্বাৰ্থত এনে প্ৰৱণতা আত্মঘাতীমূলক। তেনেহ'লে কেৱল ৯ *পৃষ্ঠাত*

# ৰাছিয়া ভ্ৰমণৰ খন্ডচিত্ৰ– (৪)
## ক্ৰেমলিন চহৰ, ৰেড স্কোৱেৰ



■ মুনি কাকতি

ৰাছিয়া ফুৰিবলৈ ওলাওতেই মোৰ ল'ৰাটোৰ মুখত প্ৰথম বাৰৰ বাবে শুনিছিলোঁ ম'জ'লিয়ামৰ কথা। সচাঁকৈ মই তেতিয়ালৈকে এই ম'জ'লিয়ামৰ বিষয়ে জনা নাছিলোঁ। সি কৈছিল, ম'জ'লিয়াম কিন্তু চাবলৈ যাবাই। মই মাথোঁ কৈছিলোঁ কন্ডাক্টেড ট্যুৰ এটাৰ নিৰ্দিষ্ট লিষ্টত থকা দৰ্শনৰ বাবে উপযুক্ত বুলি বিবেচনা কৰা বিশেষ বিশেষ স্থানবোৰৰ ভিতৰত পৰিলেহে এই ম'জ'লিয়াম চাবলৈ যাব পাৰিম। নহ'লে উপায় নাই। কিন্তু আমালৈ পঠিওৱা আইটিনিয়েৰিত ইয়াক সন্নিৱিষ্ট হোৱা দেখি মনটো ভাল লাগি গ'ল।

দ্বিতীয় দিনৰ কাৰ্যসূচীত ক্ৰেমলিন চহৰলৈ বুলি ওলালোঁ। এই ৰেডস্কোৱেৰ আমাৰ দেশৰ ৰাজধানী চহৰ দিল্লীত অৱস্থিত লালকিল্লাৰ দৰে এটা গুৰুত্বপূৰ্ণ অঞ্চল। ইয়াত তেওঁলোকৰ চৰকাৰৰ সকলো গুৰুত্বপূৰ্ণ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। দেশ বিদেশৰ পৰা অহা বিশেষ প্ৰতিনিধি সকলৰ সন্মানাৰ্থে আয়োজন কৰা ই এক প্ৰদৰ্শনস্থলী। ইয়াত আছে পাঁচোটাকৈ ৰাজপ্ৰসাদ, চাৰিটাকৈ কেথেড্ৰেল বা গীৰ্জাঘৰ আৰু ওখ স্তুপৰে সৈতে ৰঙা ৰঙৰ ইটাৰ বেৰাৰে আগুৰি থকা এটা বিশাল এলেকা। অতি চকুত লগা এই ঠাই এসময়ত ৰাছিয়াৰ প্ৰেছিডেন্টৰ বাসস্থান হিচাপে ব্যৱহাৰ হৈছিল যদিও বৰ্তমানৰ প্ৰেছিডেন্ট ব্লাডিমিৰ পুটিনে ইয়াক বাসগৃহ হিচাপে ব্যৱহাৰ নকৰে। দিনটোৰ বিশেষ এটা সময়ত ইয়ালৈ আহি তেওঁ অফিচৰ কাম কাজ কৰেহি। মস্কো ক্ৰেমলিনৰ দক্ষিণ পাৰে আছে মস্কোভা নদী, ছেইণ্ট বেছিলৰ গীৰ্জা ঘৰ আৰু পূব দিশত ৰেড স্কোৱেৰ, পশ্চিম দিশে আলেকজেণ্ডাৰ গাৰ্ডেন।

ক্ৰেমলিন চহৰৰ 'ৰেড স্কোৱেৰৰ' 'ৰেড'ৰ অৰ্থ কিন্তু 'ৰঙা' নহয়। ৰাছিয়ান শব্দ krasnaya ploshcadৰ অৰ্থ হ'ল 'সুন্দৰ প্ৰাংগন'। সেয়ে ৰেড স্কোৱেৰ মানে ৰঙা ৰঙৰ প্ৰাংগন নহয়। সুন্দৰ প্ৰাংগণ হে। মস্কোভা নৈৰ পাৰত অৱস্থিত ৰেড স্কোৱেৰৰ নিৰ্মাণ কাল আছিল ১৪০০ শতাব্দী। পোন প্ৰথমে এইখন এখন বজাৰ হিচাপেহে তৈয়াৰ কৰা হৈছিল। ওচৰতে নিৰ্মাণ হৈছিল ক্ৰেমলিন চহৰ। কিন্তু এই স্কোৱেৰৰ নিৰ্মাণ একেবাৰতে সম্পূৰ্ণ কৰিব পৰা হোৱা নাছিল। শতিকাৰ পাছত শতিকা বিভিন্ন স্মৃতিসৌধ আৰু স্থাপত্যকলাৰ নিৰ্মাণ অহৰহ চলি আছিল। উদাহৰণস্বৰূপে, ছেইণ্ট বেছিলৰ কেথেড্ৰেল নিৰ্মাণ হৈছিল ১৫৫৫ চনৰ পৰা ১৫৬০ চনৰ ভিতৰত। বহুলভাৱে বিখ্যাত মিউজিয়ামটো বনোৱা হৈছিল ১৮৭৫ৰ পৰা ১৮৮৩ৰ ভিতৰত আৰু বৰ্তমানৰ অৱস্থা নোপোৱালৈকে ৰেড স্কোৱেৰৰ এই নিৰ্মাণ কাৰ্য আহৰহ চলিয়েই আছিল।

ৰেড স্কোৱেৰ ৰাছিয়াৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ এখন ঐতিহাসিক, সাংস্কৃতিক আৰু ৰাজনৈতিক স্থান। ইয়াত ৰাছিয়াৰ ৰাষ্ট্ৰপতিৰ কাৰ্যালয় আছে আৰু দেশৰ শক্তিশালী ৰাজনৈতিক প্ৰতীক হিচাপে ই চিহ্নিত। দেশখনৰ ৰাষ্ট্ৰীয় শক্তি, সত্ত্বা আৰু ৰাজনৈতিক পৰিচয় নিহিত হৈ থকা এই ঠাই বিশ্বৰ প্ৰত্যেকজন লোকে দৰ্শনৰ বাবে উপযোগী বুলি বিবেচনা কৰে।

আন কেইবাটাও কাৰণত ৰেড স্কোৱেৰে পৰ্যটকক আকৰ্ষণ কৰে। উৎসুকতা বৃদ্ধি কৰায়। ছেইণ্ট বেছিলৰ কেথেড্ৰেল, কাজান কেথেড্ৰেল যাৰ গুৰুত্ব কেৱল ইয়াৰ সুন্দৰ স্থাপত্যকলাই নহয়, ধৰ্মীয় মূল্যৰেও আকৰ্ষণীয়। ইয়াত মাহৰ ন তাৰিখে ৰাছিয়াৰ সামৰিক শক্তিৰ প্ৰতীকী প্ৰদৰ্শন Victory day Parade অনুষ্ঠিত হয়। হাজাৰ বিজাৰ দৰ্শকে এই পেৰেড উপভোগ কৰে। ইয়াৰ বাহিৰেও এটা সময়লৈকে ইয়াত নৃত্য-গীত-আতচবাজিৰে New Year's Eve পালন কৰাটো এটা বিশেষত্ব ৰূপে পৰিগণিত আছিল। কিন্তু বৰ্তমান এই বিষয়ত প্ৰশাসনে নিৰাপত্তা জনিত কাৰণত এই অনুষ্ঠানবোৰ বন্ধ কৰিছে। কভিডৰ ভয়াবহ সংক্ৰমণৰ আশংকাও ইয়াৰ আন এটা কাৰণ।

কিন্তু মোৰ বাবে ৯ *পৃষ্ঠাত*

# শিলঘাট মৰাপাট কলৰ দ্বিতীয় ইউনিট বন্ধ

**নগাঁও ঃ** নগাঁও জিলাৰ শিলঘাটত অৱস্থিত সমবায় ভিত্তিত গঢ় লৈ উঠা অসম সমবায় কলত অচলাৱস্থাৰ সৃষ্টি হোৱাত কলিয়াবৰৰ সচেতন মহল উদ্বিগ্ন হৈ পৰিছে। বিভিন্ন ঘাট প্ৰতিঘাটক নেওচি লাভজনক উদ্যোগ হিচাপে প্ৰতিষ্ঠা লাভ কৰা উদ্যোগটো বৰ্তমান মৰাপাট কল কৰ্তৃপক্ষ আৰু পৰিচালনা মণ্ডলীৰ অদুৰদৰ্শী কাম কাজৰ বাবে এই অৱস্থাৰ সৃষ্টি হৈছে বুলি সচেতন মহলে মন্তব্য কৰিছে। অসম চৰকাৰৰ অৰ্থ সাহাৰ্য্যত অধিক উৎপাদনৰ লক্ষ্যৰে আৰম্ভ কৰা হৈছিল দ্বিতীয় ইউনিট। দুবছৰৰ পুৰ্বে আৰম্ভ হোৱা দ্বিতীয় ইউনিট মৰাপাট কল কৰ্তৃপক্ষই অতি সংগোপনে কলকতাৰ চনু এণ্টাৰপ্ৰাইজ নামৰ এক প্ৰতিষ্ঠানক লীজত দিছিল। আৰম্ভণিতে সকলো ঠিকেই আছিল যদিও অসম চৰকাৰ, মৰাপাট কল কৰ্তৃপক্ষ আৰু পৰিচালনা সঞ্চালক মণ্ডলীৰ ভুল নীতিৰ পৰিণতিত বন্ধ হৈ পৰিল কলিয়াবৰৰ শিলঘাটৰ অসম সমবায় মৰাপাট কলৰ দ্বিতীয় ইউনিট। উল্লেখ যে দ্বিতীয় ইউনিটৰ দায়িত্বত থকা কলকতাৰ প্ৰতিষ্ঠানটোৱে মৰাপাট যোগান ধৰা ব্যৱসায়ীক প্ৰায় ৮ কোটি টকা দিবলৈ বাকী আছে। মৰাপাট যোগান ধৰা ব্যৱসায়ী সকলে প্ৰাপ্য ধন বিচাৰি প্ৰতিষ্ঠানটোৰ বিষয়াক বাৰম্বাৰ অনুৰোধ জনোৱাৰ পিছতো কোনো গুৰুত্ব দিয়া নাছিল। যাৰ বাবে এজন ব্যৱসায়ীয়ে আত্মহত্যাৰ প্ৰচেষ্টা চলাইছিল। ইয়াক কেন্দ্ৰ কৰি মৰাপাট কলত ব্যৱসায়ী আৰু প্ৰতিস্থানটোৰ বিষয়া শশী প্ৰসাদ পুৰুহিতৰ মাজত সংঘাটৰ সৃষ্টি হয়। ইয়াৰ মাজতে কলকতাৰ প্ৰতিস্থানটোৰ বিষয়া-কৰ্মচাৰীসকল পলায়ন কৰে। ফলত মৰাপাট কলটোৰ দ্বিতীয় ইউনিটৰ তিনিশতাধিক কৰ্মচাৰীৰ ভৱিষ্যত অন্ধকাৰ হৈ পৰে। এতিয়া তলা উলমি আছে মৰাপাট কলটোৰৰ উপ সঞ্চালকৰ দায়িত্ব লৈ নতুন ইউনিটটোৰ কাম পৰিচালনা কৰা কলকতীয়া প্ৰতিষ্ঠান চনু এণ্টাৰপ্ৰাইজৰ বিষয়া শশীপ্ৰকাশ পুৰোহিতৰ কাৰ্যালয়। মৰাপাট যোগনীয়াৰক *১১ পৃষ্ঠাত*

# পবিতৰাত বৃদ্ধি পাইছে পৰিভ্ৰমী পক্ষীৰ আগমন



**কল্পতৰু চৌধুৰী, মৰিগাঁও ঃ** শীতৰ আগমনৰ লগে লগে বিভিন্ন দেশী-বিদেশী পৰিভ্ৰমী পক্ষীৰ আগমন ঘটিছে পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যলৈ। যাৰ বাবে অভয়াৰণ্য খনত পক্ষী তথা চৰাইবোৰৰ কলৰৱেৰে মুখৰিত হৈ পৰাৰ লগতে জলাশয়সমূহত এই প্ৰবাসী পক্ষীৰ জাক সমূহে আকৰ্ষণীয় দৃশ্যৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে অসমৰ পৰ্যটনস্থল সমূহৰ ভিতৰত এখন অন্যতম উল্লেখনীয় স্থান হৈছে পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য। বিশ্ব বিখ্যাত এশিঙীয়া গঁড়ৰ বাবে এই অভয়াৰণ্য পৰ্যটকৰ আকৰ্ষণৰ *১১ পৃষ্ঠাত*

# লংকাত কাশীনাথ উপাধ্যায়ৰ সোঁৱৰণী সভা



**লংকা ঃ** লংকাৰ অৱসৰপ্ৰাপ্ত কৃতি শিক্ষাবিষয়া, সৰবৰহী সমাজকৰ্মী প্ৰয়াত কাশীনাথ উপাধ্যায়ৰ মৃত্যুৰ বৰ্ষপূৰ্তী উপলক্ষে লংকা ৰংমহলাৰ নিজা বাসভৱন চৌহদত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সমাজকৰ্মী গৰাকীৰ স্মৃতিত হোজাই জিলা নেপালী সাহিত্য সভাৰ ব্যৱস্থাপনাত এক স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে, নেপালী সাহিত্য সভাৰ সভাপতি ডিল্লীৰাম গৌতমে। সভাৰ আৰম্ভনিতে প্ৰয়াত উপাধ্যায়ৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে ইন্দ্ৰ প্ৰসাদ শৰ্ম্মাই আৰু বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ সাংবাদিক তোযেশ্বৰ তামুলী ফুকনে। সভাত অসম নেপালী সাহিত্য সভাই প্ৰকাশ কৰা প্ৰায় ৩০০ পৃষ্ঠা জোৰা আটকধুনীয়া স্মৃতিগ্ৰন্থ 'কৰ্ম্মনঃ প্ৰতিধ্বনি' উন্মোচন কৰে হোজাই জিলাৰ অন্যতম সমাজ-সংস্কৃতিক অনুষ্ঠান শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ সম্পাদক তথা বিশিষ্ট সমাজকৰ্মী গজেন হাজৰিকাই। গ্ৰন্থ উন্মোচক হিচাবে দিয়া *১১ পৃষ্ঠাত*

# সত্ৰীয়া শিল্পী মঞ্জিৰা চৌধুৰীক 'কল্লোল'ৰ সম্বৰ্ধনা

**নগাঁও ঃ** নগাঁৱৰ অগ্ৰণী সাংস্কৃতিক গোষ্ঠী কল্লোলৰ উদ্যোগত কল্লোলৰ সৈতে নিবিড় সম্পৰ্ক থকা লণ্ডন নিবাসী বিশিষ্ট সত্ৰীয়া সংস্কৃতিৰ শিল্পী মঞ্জিৰা চৌধুৰীক অলপতে সম্বৰ্ধনা জনোৱা হয়। বিশিষ্ট শিল্পী মঞ্জিৰা চৌধুৰী নগাঁও ছোৱালী মহাবিদ্যালয় প্ৰতিষ্ঠাপক অধ্যক্ষ মহেশ চন্দ্ৰ দেৱগোস্বামীৰ কণ্যা। তদুপলক্ষে কল্লোল কাৰ্যালয়ত অনুষ্ঠিত এখন সভাত সভাপতিত্ব কৰে কল্লোলৰ সভাপতি লোহিত কলিতাই। কল্লোলৰ সম্পাদক নৌচাদ আখতাৰ হাজৰিকাই আদৰণি ভাষন প্ৰদান কৰা আৰু আঁত ধৰা সভাখনত মঞ্জিৰা চৌধুৰীৰ জীৱন চৰ্যাৰ ওপৰত ভাষন প্ৰদান কৰি বিশিষ্ট সাংবাদিক মানস মহন্তই কয় যে- স্বাভিমানী ব্যক্তিৰ সুন্দৰ উদাহৰণ মঞ্জিৰা চৌধুৰী। স্বাভিমানী হোৱাৰ বাবেই তেখেতৰ নাতিনীয়ে বিদেশৰ মাটিত বৰগীত পৰিবেশন কৰিব পাৰিছে। তেওঁ কল্লোলৰ বাবে প্ৰেৰণাদায়িনী আছিল। গোৱালপৰীয়া লোকগীতক প্ৰতিমা পাণ্ডেৰ পিচতে এটা প্ৰজন্মৰ পিচত আন এটা প্ৰজন্মলৈ কঢ়িয়াই নিয়া সকলৰ অন্যতম মঞ্জিৰা চৌধুৰী। তেওঁৰ শৰীৰ ইংলেণ্ডৰ মাটিত। আত্মা অসমত। বিদেশৰ পৰাই অসমীয়া পৰম্পৰা, অসমীয়া সংগীত, গুৰুজনাৰ কৃষ্টি ধৰি ৰাখিছে। সভাখনতে মঞ্জিৰা চৌধুৰীৰ বিষয়ে বক্তব্য ৰখা আন এজন বক্তা বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতিয়ে কয় যে- *১১ পৃষ্ঠাত*

# বৰজহা মজলীয়া বিদ্যালয়ৰ শতবৰ্ষ উদযাপনৰ প্ৰস্তুতি

**নগাঁও ঃ** নগাঁও জিলাৰ খাগৰিজান শিক্ষাখণ্ডৰ অন্তৰ্গত বৰজহা মজলীয়া বিদ্যালয়ে আগন্তুক ২০২৬ত ভৰি থব শতবৰ্ষত। ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনৰ শতবৰ্ষ উদযাপনৰ লক্ষ্যৰে যোৱা ৭ ডিচেম্বৰত বিদ্যালয়ৰ সভাগৃহত এখন প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয়। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি বিতোপন দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে প্ৰাক্তন ছাত্ৰ তথা সাংবাদিক জ্যোতিপ্ৰসাদ বৰাই। বিদ্যালয়ৰ প্ৰধান শিক্ষক তৰুণ চন্দ্ৰ দাসৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাখনত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গৃহীত কৰাৰ উপৰিও চলিত বৰ্ষৰ ২৫ ডিচেম্বৰৰ বিয়লি ১.০০ বজাত ৰাজহুৱা সভা আহ্বান কৰিবলৈ এখন এঘাৰজনীয়া আহ্বায়ক সমিতি গঠন কৰি দিয়া হয়। সভাৰ সিদ্ধান্ত অনুসৰি আহ্বায়ক সমিতিত অন্তৰ্ভুক্ত হোৱা সদস্য কেইজন হৈছে বিতোপন দাস, তৰুণ চন্দ্ৰ দাস, প্ৰবীন মজুমদাৰ, গৌৰীশংকৰ বৰা, দুৰ্লভ বৰা, পৰাগ বৰা, জ্যোতিপ্ৰসাদ বৰা, মনোজ শৰ্মা, দিপাংকৰ হাজৰিকা, দিপাংকৰ শৰ্মা আৰু দ্বীপজ্যোতি বৰা। *১০ পৃষ্ঠাত*

# অসমত পুথিভঁৰাল আন্দোলন প্ৰয়োজনীয়

**নগাঁও ঃ** 'গ্ৰন্থাগাৰ বিশ্ব দৰ্শনৰ মুলদ্বাৰ' এই আদৰ্শক শিৰোগত কৰি ১৯৮৫ চনৰ পৰা আজি ৪০ বছৰ ধৰি সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাই সমগ্ৰ অসমত এক শক্তিশালী পুথিভঁৰাল আন্দোলন গঢ়ি তোলাৰ প্ৰয়াস অব্যাহত ৰাখিছে। এই প্ৰয়াসৰ অংশ হিচাপে সন্থাৰ নগাঁও চহৰস্থ প্ৰধান কাৰ্যালয়ত সন্থাৰ অন্তৰ্গত জিলা আৰু মহকুমা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি-সম্পাদক সকলৰ এখন সন্মিলন অনুষ্ঠিত হয়। এই উপলক্ষে অনুষ্ঠিত সাধাৰণ সভা উদ্বোধন কৰি দিয়া ভাষণত প্ৰাক্তন মন্ত্ৰী তথা অৱসৰপ্ৰাপ্ত অধ্যাপক গিৰীন্দ্ৰ কুমাৰ বৰুৱাই কয় যে মানৱ সভ্যতাৰ আৰম্ভণিৰ সময়ৰ পৰাই গ্ৰন্থই মানৱ সম্পদ গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভুমিকা গ্ৰহণ কৰি আহিছে। গ্ৰন্থ মানৱ সমাজৰ অবিচ্ছেদ্য অংগ বুলি মন্তব্য কৰি বৰুৱাই কয় যে গ্ৰন্থই মানুহৰ মনত অনাবিল আনন্দ প্ৰদান কৰে। তেওঁ লগতে কয় যে গ্ৰন্থ মানৱ সভ্যতাৰ অন্যতম সম্পদ। এই সম্পদক একেলগে ৰখা হয় পুথিভঁৰালত। সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাক প্ৰশংসা কৰি বৰুৱাই কয় যে এই সন্থাই অসমৰ গ্ৰামাঞ্চলৰ লোকক গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহ বৃদ্ধিৰ বাবে কৰি অহা প্ৰয়াস নিশ্চিতভাৱে গুৰুত্বপূৰ্ণ কথা। ৪০ বছৰ ধৰি সন্থাই নিৰন্তৰ ভাৱে অসমত পুথিভঁৰাল আন্দোলন গঢ়ি তোলাটো মনকৰিবলগীয়া। প্ৰসঙ্গক্ৰমে বৰুৱাই কৃত্ৰিম *১০ পৃষ্ঠাত*

# জামুগুৰিত সংগীত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

**প্ৰাঞ্জল বৰদলৈ ঃ** ৰিব ৰিবকৈ বতাহে কোবোৱা জাৰৰ দিনটোৰে কাকনো কঁপাই নাযায়! ঠিক তেনে এটা শীতৰ সেমেকা দিনতে শব্দ সুৰৰ যুগল বন্দীত উপচি উঠি প্ৰতিধ্বনি তোলা কাব্য-গীতৰ অপূৰ্ব ধ্বনিত যোৱা ২ ডিচেম্বৰত নগাঁও জিলাৰ জামুগুৰি চাৰিআলি মুখৰ হৈ পৰে। পুৱাৰে পৰা আৰম্ভ হোৱা এটি হৃদয় পৰশা অনুষ্ঠানে সকলোকে কৰি তোলে মন্ত্ৰমুগ্ধ। জামুগুৰি চাৰিআলিস্থিত জনশিল্পী সুনীল শইকীয়া মহাবিদ্যালয়ৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত সাংস্কৃতিক অনুষ্ঠানটিৰ শুভাৰম্ভণিতে জনশিল্পী শইকীয়াৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন, সুধাকণ্ঠৰ *১১ পৃষ্ঠাত*

## জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদ

# নগাঁৱত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত

**নগাঁও ঃ** অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ অন্তৰ্গত জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ উদ্যোগত আৰু অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সহযোগত নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত যোৱা ৩ ডিচেম্বৰৰ পুৱা দহ বজাৰ পৰা আৰম্ভ হয় সুধাকণ্ঠ ড° ভূপেন হাজৰিকা জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি ৰাজ্যখনৰ জ্যেষ্ঠ নাগৰিক সকলৰ মাজত সৌহাৰ্দ্যপূৰ্ণ ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু একাংক নাট প্ৰতিযোগিতা। নগাঁও জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ব্যৱস্থাপনাত দিনযোৰাকৈ আয়োজিত প্ৰতিযোগিতাখনিত ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে নগাঁও জিলা জ্যেষ্ঠ নাগৰিক মঞ্চৰ সভাপতি তথা নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীয়ে। ইয়াৰ লগতে সুধাকণ্ঠৰ প্ৰতিচ্ছবিত পুস্পাঞ্জলী অৰ্পন কৰি সাংস্কৃতিক মঞ্চ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই। জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ অধ্যক্ষ ড° প্ৰদীপ ঠাকুৰীয়াৰ নেতৃত্বত তথা অসম চৰকাৰৰ জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদে আয়োজন কৰা সাংস্কৃতিক সমাৰোহৰ মুখ্য আহ্বায়ক ইন্দ্ৰ প্ৰসাদ বৰা উপস্থিত থাকে। *৯ পৃষ্ঠাত*

# ধুবুৰীৰ ঐতিহাসিক শিখ মেলা আৰু ঐতিহ্য

■ দিবাকৰ ৰেণু

অসমৰ পশ্চিম প্ৰান্তৰ এখন ঐতিহ্যমণ্ডিত জিলা হ'ল ধুবুৰী। এই জিলাখনৰ বুকুৰে বৈ গৈছে মহাবাহু ব্ৰহ্মপুত্ৰ নৈ। ইয়াৰ পাৰতে অৱস্থিত শ্ৰীগুৰু টেগবাহাদুৰ চাহিবৰ স্মৃতিত নিৰ্মিত এটি গুৰুদ্বাৰা। যি স্থানত উক্ত গুৰুদ্বাৰা অৱস্থিত, সেই স্থানলৈ ১৫৫০ খৃষ্টাব্দত শিখসকলৰ প্ৰথমগৰাকী ধৰ্মগুৰু গুৰু নানকদেৱৰ আগমণ ঘটিছিল। অসমৰ বৈষ্ণৱ ভক্তি আন্দোলনৰ গুৰিয়াল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ উক্ত স্থানতে নানকদেৱৰ সৈতে মিলন হৈছিল। প্ৰায় ১৭ শতিকা মানত গুৰু টেগবাহাদুৰে উক্ত স্থানতে বৰ্তমানৰ গুৰুদ্বাৰাটো প্ৰতিষ্ঠা কৰিছিল। ১৬৬৯ খৃষ্টাব্দত গুৰু টেগবাহাদুৰ অসমলৈ আহিছিল। তেওঁৰ লগতে সম্ৰাট ঔৰংজেবে আহোম ৰজা চক্ৰধ্বজ সিংহক দমনৰ বাবে পঠিওৱা অম্বৰৰ ৰজা ৰামসিংহও আহিছিল। সেই সময়ৰ অসম বুলিলে বিদেশী ৰজা, মহাৰজা আৰু শত্ৰু সৈন্যৰ পেটতে হাত-ভৰি লুকাইছিল। অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠী আছিল প্ৰবল প্ৰতাপী। অসমৰ পৌৰাণিক তন্ত্ৰ-মন্ত্ৰ, মায়া, যাদুকলা বিদ্যাৰ বিষয়েও এক বিশেষ চৰ্চা আছিল। হাবি-জংঘলৰে ভৰা অসমৰ জনজীৱনৰ লগত অপৰিচিত বহু বিদেশী লোকে সেই সময়ত হিংস্ৰ জন্তুৰ আহাৰো হ'বলগীয়া হৈছিল। সেয়েহে অসমলৈ কোনো সৈন্যক প্ৰেৰণ কৰাটো এক প্ৰকাৰ শাস্তি বুলি বিবেচনা কৰা হৈছিল। ৰামসিংহৰ দায়িত্বত থাকোতে বিখ্যাত মাৰাঠা ৰজা শিৱাজী আৰু তেওঁৰ পুত্ৰসকল পলায়ন কৰাৰ বাবে ঔৰংজেৱে এনে নিৰ্দেশ দিছিল। কিন্তু গুৰু টেগবাহাদুৰ সেই সৈন্য সামন্তৰ দলত থকা বাবে সকলোৱে সাহস পাইছিল। পৰৱৰ্তী কালত আহোম আৰু মোগলৰ মাজত শান্তি আলোচনা কৰি সন্ধি কৰিছিল গুৰু টেগবাহাদুৰে। শান্তি প্ৰতিষ্ঠা কৰাৰ বাবে সেই সময়ত আহোম আৰু মোগলৰ সৈন্য উভয়ে ৫ ঢাল মাটি যোগ দি এটা বৃহৎ মাটিৰ ঢিপ সাজিছিল। এই ঢিপ ধুবুৰীৰ ব্ৰহ্মপুত্ৰ নদীৰ



সোঁপাৰত এতিয়াও অৱস্থিত আৰু ইয়াক মানুহে পবিত্ৰ বুলি গণ্য কৰিবলৈ ধৰিলে। ইয়াৰ লগতে গুৰু টেগবাহাদুৰে নিবাস কৰা আৰু শান্তি চুক্তি কৰা ঠাইখনতে বৰ্তমানৰ ধুবুৰীৰ গুৰুদ্বাৰা নিৰ্মাণ হ'ল। ১৮৯৬-৯৭ খৃষ্টাব্দত হোৱা প্ৰবল ভুইকঁপৰ ফলত গুৰুদ্বাৰাটোৰ বিস্তৰ ক্ষতি হয়। পৰৱৰ্তী সময়ত ১৯০১ খৃষ্টাব্দত ভাই ৰাম সিঙে গুৰুদ্বাৰাটো পুনৰ নিৰ্মাণ কৰে। ১৯০২-০৩ খৃষ্টাব্দত মহন্ত জয় সিঙে মোগলৰ দ্বাৰা লাভ কৰা অনুমোদন পত্ৰলৈ পঞ্জাৱৰ পৰা অৰ্থৰ সংগ্ৰহৰ বাবে তালৈ যাওঁতে দুৰ্ভাগ্যক্ৰমে অমৃতসৰৰ ওচৰত স্বৰ্গগামী হয় আৰু অনুমোদন পত্ৰও হেৰাই যায়।

সেয়া যিকি নহওক, ব্ৰহ্মপুত্ৰৰ পাৰত প্ৰতিষ্ঠা হোৱা এই গুৰুদ্বাৰাটো অসমৰ প্ৰথমটো গুৰুদ্বাৰা। এই গুৰুদ্বাৰাটোক অসমৰ বুৰঞ্জীত 'দমদমা সাহিব' নামেৰে জনা যায়। অৱশ্যে এই স্থানত দুটা গুৰুদ্বাৰা আছে- প্ৰথম গুৰুদ্বাৰাটোক ঠাৰা চাহিব বুলিও জনা যায়। আনটো আগতে উল্লেখ কৰা অনুসৰি গুৰু টেগ বাহাদুৰ চাহিব গুৰুদ্বাৰা।

এই গুৰদ্বাৰাৰ ওচৰতে অনেক প্ৰাচীন কীৰ্তিচিহ্ন আছিল যদিও সংৰক্ষণৰ অভাৱত বা প্ৰাকৃতিক দুৰ্যোগ আদি কাৰণত হেৰাই গৈছে। উল্লেখযোগ্য যে মোগলে অসম আক্ৰমণ কৰিবলৈ ৰামসিংহক প্ৰেৰণ কৰাৰ সময়ত গুৰু টেগবাহাদুৰৰ লগত পাঁচগৰাকী পীৰবাবাও আহিছিল। তেওঁলোকক লগত অনাৰ কাৰণ আছিল অসমৰ ৰহস্যময় তন্ত্ৰ-মন্ত্ৰ সাধনাক ব্যৰ্থ কৰা। সেই পাঁচগৰাকী পীৰবাবা আছিল- শ্বাহ আকবৰ, শ্বাহ কামাল, শ্বাহ চুফী, শ্বাহ সাৰেং আৰু শ্বাহ আলম। ধুবুৰীত এই পাঁচগৰাকী পীৰবাবাৰ দৰগাহ আছে। আন এক উল্লেখযোগ্য শিলা ধুবুৰীৰ কোযাগাৰৰ সম্মুখৰ আদালতৰ কাষতে ৬০° কৌণিক ভংগিমাত থিয় হৈ থকা দেখা যায়। শিখসকলে এই শিলটোক সেইসময়ৰ কুমন্ত্ৰকাৰী নেতাই ধুবুনীৰ কোনো বংশধৰে গুৰু টেগবাহাদুৰলৈ নিক্ষেপ কৰা বৃহৎ শিলাখণ্ড বুলি বিশ্বাস কৰে। আন এচামে সেই টুকুৰা শিলক বৃটিছৰ দিনৰ জাহাজ বন্ধা শিল বুলি ক'ব খোজে। হয়তো বৃটিছসকলে সেই শিল টুকুৰাৰ মৰ্যাদা বুজা নাছিল। যাৰ বাবে তেওঁলোকে তেনে কৰিছিল। আনহাতে গুৰুদ্বাৰাটোৰ শীৰ্ষভাগত থকা এজোপা আহত গছকো এই নেতাই ধুবুনী বংশধৰে নিক্ষেপ কৰা গছ বুলি ক'ব খোজে। শিখসকলে গুৰু টেগবাহাদুৰৰ মহিমাৰ বাবে সেই শিল আৰু গছ এনেদৰে নিজ নিজ স্থানত ৰৈ যোৱা বুলি ক'ব খোজে। এই বিষয়বিলাক গৱেষণাৰ উপজীব্য। গুৰুটেগবাহাদুৰ যেতিয়া আনন্দপুৰলৈ উভতিছিল সেই সময়ত মোগল সম্ৰাট ঔৰংজেবে 'দাৰ-উল-হাৰ্ব' দাৰ-উল-ইছলাম' ধৰ্মত দীক্ষিত কৰিবলৈ দেশৰ ব্ৰাহ্মণসকলক ইছলাম ধৰ্মত দীক্ষিত কৰিবলৈ মন মেলে আৰু প্ৰজাৰ ওপৰত বিভিন্ন কুশাসনেৰে অত্যাচাৰ আৰম্ভ কৰিবলৈ ধৰে। ৰজাৰ উদ্দেশ্য সদায় প্ৰজাৰ ওপৰত অত্যাচাৰ কৰা। সাধাৰণ প্ৰজাই ইয়াৰ কোনো ভূ নাপায়। জন্মগতভাৱে কোনেনো কি ধৰ্ম লৈ আহে, সকলো মানুহৰে সন্তান। কিন্তু সম্ৰাট ঔৰংজেৱক বুজায় কোনে? অৱশেষত গুৰুৱে ব্ৰাহ্মণসকলক উপদেশ দিলে যে সকলো ব্ৰাহ্মণে ইছলাম ধৰ্ম আকোৱালি ল'বলৈ প্ৰস্তুত আছে যদিহে সম্ৰাটে গুৰু টেগবাহাদুৰক প্ৰথমে ইছলাম ধৰ্মত দীক্ষিত কৰাব পাৰে। ব্ৰাহ্মণসকলে লাহোৰৰ শাসন কৰ্তাৰ যোগেদি তেওঁলোকৰ আবেদন সম্ৰাটৰ ওচৰত উপস্থাপন কৰিলে। সম্ৰাটে গুৰুক তেখেতৰ সংগীসকলৰ সৈতে 'চাঁদনী চ'ক'ৰ কোটোৱালিত বন্দী কৰি ৰাখিলে। গুৰুক ইছলাম ধৰ্ম গ্ৰহণ কৰিবলৈ আদেশ কৰিলে, কিন্তু টেগবাহাদুৰে তেনে নকৰিলে। শেষত সম্ৰাটৰ নিৰ্দেশত গুৰু টেগবাহাদুৰ আৰু তেওঁৰ শিষ্য মতিদাস, দয়ালদাস, সতীদাসক অমানুষিক শাস্তি বিহি হত্যা কৰা হয়। সিদিনাখন আছিল ১৬৭৫ খৃষ্টাব্দৰ ১১ নৱেম্বৰ,

*৭ পৃষ্ঠাত*

# আচাৰ্য্য তুলসী আৰু আচাৰ্য্য মহাপ্ৰজ্ঞৰ অমূল্য অৱদান

■ সঞ্জয় কুমাৰ জৈন

বিংশ শতিকাৰ যুগপ্ৰধান আচাৰ্য্য তুলসী আৰু তেওঁৰ যশস্বী উত্তৰাধিকাৰী আচাৰ্য্য মহাপ্ৰজ্ঞই মানৱ জাতিক উপকৃত কৰা অনেক অৱদান দি গৈছে। তেওঁলোকৰ এই গুৰুত্বপূৰ্ণ দানক গংগা, যমুনা আৰু সৰস্বতীৰ সৈতে তুলনা কৰা হৈছে। উত্তম জীৱন যাপনৰ কলা শিকোৱা 'অণুব্ৰত' গংগা নদীৰ দৰে জীৱনক পবিত্ৰ কৰে। জীৱন পৰিৱৰ্তনৰ প্ৰক্ৰিয়াক বাস্তৱ ৰূপ দিয়া 'প্ৰেক্ষাধ্যান'ক যমুনাৰ দৰে প্ৰতিষ্ঠা কৰা হৈছে। আনহাতে, শিক্ষাক মূল্যভিত্তিক আৰু প্ৰায়োগিক কৰি ছাত্ৰৰ সৰ্বাংগীন বিকাশ সম্ভৱ কৰি তোলা 'জীৱন বিজ্ঞান'ক সৰস্বতীৰ সৈতে তুলনা কৰা হৈছে। বৰ্তমান শিক্ষাজগতত জীৱন বিজ্ঞানৰ পদ্ধতিক এক গুৰুত্বপূৰ্ণ পথ-প্ৰদৰ্শক যন্ত্ৰ হিচাপে গণ্য কৰা হয়।

মূল বাৰ্তা ঃ মানুহেই হৈছে সংসাৰৰ আধাৰ, প্ৰথম মাত্ৰা হৈছে অণুব্ৰত ঃ

এখন কাগজত এফালে সংসাৰৰ মানচিত্ৰ আৰু আনফালে এজন মানুহৰ ছবি আছিল। শিক্ষকে কাগজখন টুকুৰা-টুকুৰ কৰিলে আৰু ছাত্ৰজনক পুনৰ যোৰা লগাবলৈ ক'লে। অত্যাধিক শ্ৰমৰ পাছতো ছাত্ৰজনে কাগজখন সঠিককৈ যোৰা লগাব নোৱাৰিলে। তাৰ পাছত শিক্ষকে কাগজখন লুটিয়াই যোৰা লগাবলৈ ক'লে। মানুহজনৰ সকলো অংগ যোৰা লগোৱাৰ লগে লগে ছবিখন সম্পূৰ্ণ হৈ পৰিল আৰু সংসাৰৰ মানচিত্ৰও। সেয়েহে সংসাৰৰ মূল হৈছে মানুহ। মানুহৰ নিৰ্মাণৰ দ্বাৰা সংসাৰৰ নিৰ্মাণ সম্ভৱ হয়। যেতিয়া ছাত্ৰজনে মানুহৰ ছবিখনৰ টুকুৰাবোৰ যোৰা লগালে, তেতিয়া আপোনা-আপুনি সংসাৰৰ মানচিত্ৰও সঠিকভাৱে যোৰা লাগি গ'ল।

নিৰ্বাচন ঃ ইয়াৰ অৰ্থ হ'ল যদি মানুহজন ভাল হয়, তেন্তে সমাজ আৰু সংসাৰ স্বয়ংক্ৰিয়ভাৱেই ভাল হৈ উঠিব।

— অণুব্ৰত কি?

মানুহ নিৰ্মাণৰ কাৰখানা ঃ অণুব্ৰতক এক 'কাৰখানা' বুলি কোৱা হৈছে, যিয়ে ভাল মানুহৰ নিৰ্মাণ কৰে।

মানৱতাৰ বাগিচা ঃ এইটো 'মানৱতাৰ সুগন্ধি সিঁচি দিয়া এক এনেকুৱা বাগিচা' যাৰ সুগন্ধিয়ে প্ৰতিজন মানুহৰ মনক আনন্দিত কৰে।

— অণুব্ৰতৰ সাৰ্বজনীনতা আৰু প্ৰভাৱ ঃ

এইটো এনে এক মঞ্চ যি যিকোনো দেশ, জাতি বা শ্ৰেণীৰ বাবে মুকলি। এজন ভাৰতীয়ই যিমান ইয়াৰ অংশ হ'ব পাৰে, সিমানেই এজন বিদেশীয়েও হ'ব পাৰে।

অন্তৰ্ভুক্তিমূলক ঃ এই আন্দোলন বৈষম্যহীন-সেয়া হৰিজন হওক বা মহাজন, ধনী হওক বা দৰিদ্ৰ, স্ত্ৰী হওক বা পুৰুষ, ক'লা হওক বা বগা।

ব্যাপক প্ৰভাৱ ঃ ইয়াৰ প্ৰভাৱ দৰিদ্ৰৰ জুপুৰিৰ পৰা ৰাষ্ট্ৰপতি ভৱনলৈকে দেখা গৈছে।

লাভ ঃ প্ৰতিটো শ্ৰেণীয়ে এই কল্যাণকামী আন্দোলনৰ পৰা লাভান্বিত হৈছে, হৈ আছে আৰু হৈ থাকিব।

— অণুব্ৰত ঃ সুস্থ সমাজৰ আচৰণ বিধি।

নৈতিক মূল্য ঃ অণুব্ৰত হৈছে এনে এক কাৰ্যসূচী যিয়ে সুস্থ সমাজ গঠনৰ বাবে আচৰণ বিধি আগবঢ়ায়।

সৰ্ব-হিতকাৰী ঃ এইটো হিন্দু, মুছলমান, শিখ, খ্ৰীষ্টান-সকলো ধৰ্মৰ বাবে হিতকাৰী।

কৰ্মক ধৰ্ম বুলি মনা ঃ অণুব্ৰতৰ মতে, প্ৰকৃত ধৰ্মপৰায়ণতা পূজা-পাঠ, দান-ধ্যান কৰা বা নকৰাৰ ওপৰত নিৰ্ভৰ নকৰে, বৰঞ্চ ব্যৱহাৰ আৰু আচাৰ-আচৰণৰ ওপৰত নিৰ্ভৰ কৰে।

অণুব্ৰতে ধৰ্মপৰায়ণতাৰ মৰ্যাদা দিয়ে, যদি কোনো ব্যক্তিয়ে বেপাৰ আৰু ব্যৱহাৰত প্ৰামাণিকতাৰে আচৰণ কৰে। নিজৰ লাভৰ বাবে আনক ক্ষতি নকৰে। ছলনাপূৰ্ণ ব্যৱহাৰ নকৰে। ভাঙি-ছিঙি পেলোৱা প্ৰবৃত্তিত অংশ নলয়। কথা আৰু কামত সমতা ৰাখে।

সেয়েহে, অণুব্ৰত কেৱল এটা ধৰ্মীয় অনুষ্ঠান নহয়, বৰঞ্চ নৈতিক জীৱন যাপনৰ এক সহজ পদ্ধতি যিয়ে ব্যক্তিৰ অভ্যন্তৰীণ শুদ্ধিকৰণৰ জৰিয়তে বিশ্ব শান্তি আৰু সদ্ভাৱৰ পথ প্ৰশস্ত কৰে।

অণুব্ৰত আৰু সাম্প্ৰতিক সমস্যাৰ সমাধান মদ-ভাঙৰ সংস্কৃতিয়ে অসংখ্য অপৰাধৰ জন্ম দিয়ে। অণুব্ৰতে ব্যক্তিক নিচামুক্ত জীৱন যাপন কৰিবলৈ অনুপ্ৰাণিত কৰে।

নিৰ্বাচনী হিংসাৰ জ্বৰ অসাধ্য (নিৰাময়হীন) হৈ পৰিছে। অণুব্ৰতৰ আচৰণ বিধিয়ে নিৰ্বাচন সম্পৰ্কে অনৈতিক আচাৰ-আচৰণত প্ৰতিবন্ধকতা আৰোপ কৰে।

সাম্প্ৰদায়িকতা নামৰ বিহ লতাত বিষাক্ত ফল লাগে। অণুব্ৰতে ধৰ্মীয় সহনশীলতাৰ শিক্ষা দিয়ে।

সূৰ্যৰ পৰা অহা অতি বেঙুনীয়া ৰশ্মি যি ওজোন ছাতিৰ মাজেৰে ছাঁকি আহে, তাৰো অৱক্ষয় হৈছে। যদি গভীৰভাৱে চিন্তা কৰা হয়, তেন্তে ইয়াৰ কাৰণ মানুহৰ ভোগবাদী আৰু সুবিধাবাদী মনোভাৱ যেন লাগে। অণুব্ৰতে ইয়াৰ সমাধান এনেদৰে আগবঢ়ায়।

সুবিধাবাদী মনোভাৱ ত্যাগ কৰি, ব্যক্তিগত ভোগ-উপভোগৰ সীমা নিৰ্ধাৰণ কৰি আৰু প্ৰয়োজনীয়তা কম (হ্ৰাস) কৰি প্ৰদুষণ কম কৰিব পাৰি।

অণুব্ৰতৰ এই ঘোষণা — 'সংযমঃ খলু জীৱনম্' (সংযমেই জীৱন) — বৰ্তমানৰ সমস্যাসমূহৰ সাৰ্থক সমাধান আগবঢ়ায়। অণুব্ৰতে এই অনুপ্ৰেৰণা দিয়ে।

'বৰ্তমানক সুন্দৰ কৰা, ভৱিষ্যত নিজে নিজে ভাল হৈ উঠিব।'

সত্যমেব জয়তে
অসম চৰকাৰ

# শ্ৰদ্ধাঞ্জলি আঁচনি

**বহিঃৰাজ্যত মৃত্যু হোৱা অসমৰ ব্যক্তিৰ**
**নশ্বৰ দেহ মৰ্যাদা সহকাৰে স্বগৃহলৈ অনাৰ পদক্ষেপ**

আঁচনিখনৰ সবিশেষ
সেৱা সেতু
প' ৰ্টেলত উপলব্ধ



## বৈশিষ্ট্যসমূহ

- বহিঃৰাজ্যত বিশেষ পৰিস্থিতিত মৃত্যু হোৱা অসমৰ স্থায়ী বাসিন্দাৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য হ'ব
- আৰ্থিকভাৱে সবল শ্ৰেণী বা নিজাববীয়াকৈ ব্যৱস্থা কৰিব পৰা লোকৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য নহ'ব
- চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ যোৱা ৰোগীসকলক এই আঁচনিত সামৰি লোৱা নহ'ব
- আঁচনিখন ৰূপায়ণত গৃহ আৰু ৰাজনৈতিক বিভাগৰ তত্ত্বাৱধানত অসম আৰক্ষীয়ে সমন্বয় ৰক্ষা কৰিব

আৰক্ষীৰ সৈতে যোগাযোগ কৰিবলৈ-

৯১৮১০-১৪৮৮৮
১১২
০৩৬১-২৩৮১৫১১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyoy/AA(Advt.) 3397/25/10-Dec-25

# বৰ্ণালী হত্যাকাৰীৰ মৃত্যুদণ্ড আৰু আমি

■ গুৰমাইল সিং

আগদিনাই বুজা গৈছিল- বৰ্ণালী দেৱ নামৰ কণমানি ছোৱালীজনীৰ ধৰ্ষণ আৰু হত্যাৰ গোচৰত অভিযুক্ত বিষ্ণু প্ৰসাদ সিনহা আৰু পুতুল বৰাই মৃত্যু দণ্ডাজ্ঞাৰ পৰা নিষ্কৃতি নেপাব। সেইকাৰণে পিচদিনাৰ বাতৰি কাকত আৰু টি ভি নিউজ চেনেলবোৰত সেই সম্পৰ্কীয় খবৰ অধিক মনোযোগেৰে লক্ষ্য কৰিছিলো। প্ৰত্যাশিতভাৱে দুয়োজন অভিযুক্তকে আদালতে চৰম শাস্তিৰে দণ্ডিত কৰিলে।

দীৰ্ঘ যাত্ৰাই ক্লান্ত কৰা পৰিয়াল এটাক নিজ প্ৰতিষ্ঠানৰ জিৰণি ঘৰত নিশাটো কটাবলৈ ব্যৱস্থা কৰি দি প্ৰতিষ্ঠানটোৰ নৈশ চকীদাৰ বিষ্ণু প্ৰসাদ সিনহাই যি মুহূৰ্তত সহযোগী কৰ্মচাৰীৰ সহায়ত চক্ৰান্ত কৰি নিদ্ৰাৰত বৰ্ণালীক মাকৰ কোলাৰ পৰা আজুৰি নি নিজৰ কামনা চৰিতাৰ্থ কৰাৰ লগতে নৃশংসভাৱে হত্যা কৰিছিল সেই মুহূৰ্ততে তেওঁলোকৰ জীৱনৰ এনে পৰিণতিত তেওঁলোকে নিজেই মোহৰ লগাইছিল। পিচদিনা পুৱা বৰ্ণালী সন্ধানহীন হোৱা বুলি লগোৱা হৈ হাল্লা, পৰৱৰ্তী সময়ত সন্দেহজনক অভিযুক্তক গ্ৰেপ্তাৰ, শৌচালয়ৰ চেপ্টিক টেংকীৰ পৰা মৃতদেহ উদ্ধাৰ, অভিযুক্তৰ অপৰাধ স্বীকাৰ আৰু আদলতলৈ প্ৰেৰণ আদি প্ৰক্ৰিয়া আছিল সেই প্ৰাপ্য পৰিণামৰ দিশত অবধাৰিত একো একোটা খোজ। কিন্তু আমাৰ দেশত ন্যায় বিচাৰ পোৱাটো নিচেই সহজসাধ্য কথা নহয়। বিশেষকৈ ধৰ্ষণ আৰু হত্যাৰ লেখিয়া গোচৰত। সাধাৰণভাৱে দেখি অহা গোচৰসমূহৰ পৰিপ্ৰেক্ষিতত এনে এক ধাৰণাই হয় যে প্ৰত্যক্ষদৰ্শী কোনো সাক্ষীৰ অবিহনে এনে গোচৰত অভিযুক্তৰ অপৰাধ সাব্যস্ত কৰা যথেষ্টেই কষ্টকৰ। বস্তুতঃ এনেবোৰ কাৰণতে কেবা বছৰ আগতে গুৱাহাটী মহানগৰীৰ মাজমজিয়াত থকা নিজৰ ঘৰতে মাক-জীয়েকক একেলগে হত্যা কৰিও অপৰাধী আজিও আমাৰ সমাজত সদম্ভে ঘূৰি ফুৰা সকলোৱেই দেখি আছে। সেই কাৰণেই বৰ্ণালী দেৱৰ হত্যাৰ গোচৰ চলি থাকোতেও স্বাভাৱিকতেই বহুতৰ মনত দুষ্কৃতিকাৰীয়ে প্ৰাপ্য শাস্তি পাব নে নাই তাক লৈ আশংকাৰ সৃষ্টি হৈছিল। ইয়াৰ বাবেই বিগত সময়ছোৱাত বিভিন্ন সংগঠন আদিৰ তৰফৰ পৰা বৰ্ণালীৰ হত্যাকাৰীৰ উপযুক্ত কঠোৰ শাস্তিৰ বাবে দাবী আদি জনোৱা পৰিলক্ষিত হৈছিল। অৱশেষত সংশ্লিষ্ট থানাখনৰ আৰক্ষীৰ তৎপৰতা আৰু সকলোৰে সহযোগিতাত আদালতৰ ৰায় জনসাধাৰণৰ ইচ্ছা-আকাংখ্যাৰ অনুকূলেই আহিল। যোৱা দহ মাৰ্চৰ বাতৰি কাকত আৰু টিভি নিউজ চেনেলত বিষ্ণু প্ৰসাদ সিনহা আৰু পুতুল বৰাক আদালতে মৃত্যুদণ্ডৰ শাস্তি ঘোষণা কৰা আৰু ইয়াকে লৈ অপৰাধীদ্বয় আৰু সমবেতসকলৰ প্ৰতিক্ৰিয়া আদিৰ বিশদ বিৱৰণ আমি সকলোৱে দেখা পালো। এনেবোৰ বাতৰিৰ পৰাই আমি জানিব পাৰিলো- আদালতৰ পৰা এই চৰম শাস্তিৰ ঘোষণা শুনিও অপৰাধী বিষ্ণু প্ৰসাদ সিনহা নিৰুদ্বেগ হৈ থকাৰ পৰিৱৰ্তে পুতুল বৰা উদ্বাউল হৈ পৰিছিল। কান্দি কান্দি প্ৰায় চেতনাহীন হৈ পৰাৰ উপৰিও উন্মাদৰ দৰে তেওঁ উপস্থিত আৰক্ষী আৰু সমবেত লোকসকলৰ মাজৰ পৰা পলাবলৈ দুবাৰকৈ ব্যৰ্থ চেষ্টাও চলাইছিল। অপৰাধীদ্বয়ৰ উপৰিও আদালত চৌহদত সমবেত আৰক্ষী, অধিবক্তা তথা বৰ্ণালী হত্যাকাৰীৰ উপযুক্ত শাস্তিৰ দাবী জনাই অহা মহিলা সংগঠনৰ সদস্যাসকলৰ প্ৰতিক্ৰিয়াও প্ৰকাশ বা প্ৰচাৰ কৰা হৈছিল। বাতৰি কাকতত পঢ়াৰ উপৰিও টি ভিৰ নিউজ চেনেলত দেখিছিলো বৰ্ণালী হত্যাকাৰীয়ে উপযুক্ত শাস্তি পোৱাৰ আনন্দত প্ৰায় মতলীয়া হৈ নিজৰ উল্লাস প্ৰকাশ কৰিছিল মহিলা সংগঠনসমূহৰ বিভিন্ন সদস্যাই। একাধিকবাৰ সেই দৃশ্য চাইছিলো।

ক্ষণিকৰ উত্তেজনাৰ বশৱৰ্তী হৈ মানুহে কেতিয়াবা কোনো অক্ষমনীয় অপৰাধত লিপ্ত হয়। এনে অপৰাধেৰে তেওঁলোকে কোনো নিৰপৰাধী লোকক ভীষণভাৱে ক্ষতিগ্ৰস্ত কৰে অথবা জীৱন নাশ কৰে। সময়ত সেই অপৰাধত এদিন অপৰাধী আটক হয় আৰু বিচাৰত দোষী সাব্যস্ত হয়। ইয়াৰ ফলত কেৱল অপৰাধীজনেই যে শাস্তি পায় সেই কথা শুদ্ধ নহয় বৰং তেওঁৰ পিতৃ-মাতৃ, পুত্ৰ-পৰিবাৰ তথা আত্মীয়-স্বজনেও এই শাস্তিৰ মূল্য ভৰিব লগা হয়। সেই যে ধনঞ্জয় চেটাৰ্জীৰ মৃত্যুদণ্ড হ'ল— ইয়াৰ ফলত কি তেওঁৰ পিতৃ-মাতৃ, পৰিবাৰে কোনো মনোকষ্ট পোৱা নাই? বিষ্ণু প্ৰসাদ সিনহা অথবা পুতুল বৰা নামৰ এই অপৰাধী দুজনো আকাশৰ পৰা এই পৃথিৱীত সৰি পৰা নাই। তেওঁলোকক লৈ উৎকণ্ঠিত পিতৃ-মাতৃ, পুত্ৰ-পৰিবাৰ তথা আত্মীয় স্বজনো, এই পৃথিৱীতে আছে। তেওঁলোকৰ দুৰ্ভাগ্য এয়ে যে এনে অপকৰ্মত লিপ্ত হোৱাৰ বাবেই আজি বিষ্ণু প্ৰসাদ সিনহা আৰু পুতুল বৰাক লৈ তেওঁলোকে মুকলিভাৱে এটুপি চকুপানীও টুকিব পৰা নাই।

ইয়াৰ উপৰিও বিষ্ণু প্ৰসাদ সিনহা অথবা পুতুল বৰা উপযুক্ত শিক্ষা-দীক্ষা, প্ৰতিপালন অবিহনেই জীৱনৰ জটিল সংগ্ৰামত অৱতীৰ্ণ হ'ব লগা হৈছিল। সাধাৰণভাৱে বিচাৰ-বিবেচনা সম্পন্ন মানুহ এজনে তীব্ৰ স্পৃহা সত্বেও সততে বিবেকৰ হকা-বাধাৰ বাবে তথাকথিত অপকৰ্মবোৰৰ পৰা নিজকে আঁতৰাই ৰাখে বা ৰাখিব পাৰে। কিন্তু বিচাৰ-বুদ্ধিৰ পূৰ্ণ বিকাশ ঘটাৰ সুযোগ নোপোৱা বিষ্ণু প্ৰসাদ সিনহা আৰু পুতুল বৰা- যি দিনটোৰ কঠোৰ পৰিশ্ৰমৰ অন্তত সহজতে পোৱা সস্তীয়া সুৰাপান কৰি নিচাগ্ৰস্ত হৈ পৰে, টি ভি অথবা চিনেমাৰ পৰ্দাত শিল্পী নামধাৰী এচাম যুৱক-যুৱতীৰ অৰ্দ্ধ নগ্ন আৰু উত্তেজক দৃশ্যই যাক সহজতে মতলীয়া কৰি তোলে তেওঁলোক বৰ্ণালী দেব বা আন যিকোনো লোকৰ সৈতে খুব অনায়াসেই যিকোনো ধৰণৰ অপৰাধত লিপ্ত হ'ব পাৰে। সেইকাৰণেই বিষ্ণু সিনহা, পুতুল বৰা তেনে এক অপৰাধত লিপ্ত হ'ল। বিচাৰ চলিল। বিচাৰত তেওঁলোকে যথাৰ্থভাৱেই মৃত্যুদণ্ডৰ শাস্তি পালে। ইয়াৰ পৰিৱৰ্তে দুয়োজন অপৰাধী যদি আমাৰ সমাজৰ হাই প্ৰফাইল অপৰাধী হ'লহেঁতেন তেতিয়াহ'লে আইনৰ যিকোনো সুৰুঙা লৈ তেওঁলোক সাৰি যাব নোৱাৰিলেহেঁতেন বুলিও কোনেও নদি ক'ব নোৱাৰে। যি কি নহওঁক কৃতকৰ্মৰ ফল তেওঁলোকে পাইছে। কিন্তু তেওঁলোকৰ জীৱনৰ এই দুৰ্ভাগ্যজনক পৰিণতিৰ বাবে কম-বেছি পৰিমাণে আমিবোৰ বা আমাৰ সমাজখনো জগৰীয়া নহয় নে? বিশেষকৈ পুতুল বৰা। অপৰাধ সংঘটিত কৰাৰ সময়ত পুতুল বৰাৰ যি বয়স আছিল সেই বয়সত তেওঁ স্কুল-কলেজ অথবা কাগজ-কলম লৈহে ব্যস্ত থাকিব লাগিছিল। অথচ সেইটো বয়সতে পুতুল বৰাই আকোৱালি ল'ব লগা হৈছিল উচ্ছৃংখলতাৰ সম্ভাৱনাৰে পৰিপূৰ্ণ এক কৰ্ম জীৱন। তেওঁলোকৰ জীৱনৰ এই দুখদায়ক পৰিণতিয়ে তেওঁলোকৰ পৰিয়াল বা আত্মীয়-স্বজনৰ হৃদয় থানবান কৰি তোলাৰ সময়তে মানৱ দৰদী, সমাজখনৰ সংস্কাৰকামী মমতাময়ী মহিলাসকল বিজয় গৌৰৱত মতলীয়া হৈ নিজৰ উল্লাস প্ৰকাশ কৰিলে। সেই সময়ত দুয়োজন অপৰাধীৰ পিতৃ-মাতৃ অথবা আত্মীয়-স্বজনৰ মনত সৃষ্টি হোৱা বেদনাৰ উমান লোৱাৰ তিলমান যত্নও কোনেও নকৰিলে। অপৰাধ বিষ্ণুপ্ৰসাদ সিনহা অথবা পুতুল বৰাইহে কৰিছিল। তেওঁলোকৰ পিতৃ-মাতৃ অথবা আত্মীয় স্বজন এইবোৰৰ সৈতে কোনো ধৰণে জড়িত নাছিল। তথাপিও যদিহে ইয়াৰ পিচত আৰু কাহানিও সেই জাতীয় কোনো অপৰাধ সংঘটিত নহ'ব বুলি আমি নিশ্চিত হ'লোহেঁতেন তেন্তে সেই বিজয় উৎসৱৰ আমিও এগৰাকী অংশীদাৰ অথবা সমৰ্থক হ'লোহেঁতেন।

## শিশু নাটক "সভ্যতা"ৰ মঞ্চায়ন



গকুল কৃষ্ণ হাজৰিকা, নৰ্নে, নগাঁও ঃ এক ১৯ দিনীয়া নাট্য প্ৰশিক্ষণৰ অন্তত যোৱা ২২ নবেম্বৰত নগাঁৱৰ দেউবীগাওঁ শিশু সমাজৰ দ্বাৰা বিশিষ্ট নাট্যকাৰ বিপ্লৱজ্যোতি ভূঞাৰ ৰচনা পৰিচালনাৰে সফলতাৰে মঞ্চায়ন হৈ যায় নাটক 'সভ্যতা'। প্ৰশিক্ষক পৰিচালক বিপ্লৱজ্যোতি ভূঞাই দক্ষতাৰে শিশু শিল্পী সকলক প্ৰস্তুত কৰি তোলে আৰু তাৰেই বহিৰ্প্ৰকাশ ঘটে নাটকখন মঞ্চস্থ কৰোতে। অসম সাহিত্য সভাই ২০২৪ চনত আয়োজন কৰা নাটকৰ পাণ্ডুলিপি প্ৰতিযোগিতাত প্ৰথম শ্ৰেষ্ঠ পুৰস্কাৰেৰে সন্মানিত হোৱা নাটকখনত মানব সভ্যতাৰ সংকট সম্পৰ্কত আলোকপাত কৰা হৈছে। একেধাৰে নাট্যকাৰ, অভিনেতা, পৰিচালক, প্ৰশিক্ষক আৰু নাট্য সংগঠক হিচাপে বিশাল দক্ষতাৰ পৰিচয় দি অহা বিপ্লৱ জ্যোতি ভূঞাই এই নাট্য প্ৰযোজনাটিও সৰ্বদিশত উজ্জ্বলতাৰে সফল কৰি তোলে। অসমৰ খ্যাতনামা নাট্যদল নৰ্নে সাহিত্য পৰিষদৰ সঞ্চালক বিপ্লৱ জ্যোতি ভূঞাৰ পৰিচালনাত সকলো শিশু আৰু কিশোৰ অভিনেতাই সাৱলীল আৰু সুন্দৰ অভিনয় কৰে। ধৰ্মিষ্ঠা হাজৰিকাৰ অভিনয় বৰ আকৰ্ষণীয় হৈছিল। প্ৰশান্তি বৰা, চিত্তৰঞ্জন হাজৰিকা, কস্তুৰী কাকতি, নৱজ্যোতি বৰা, সান্ধ্যদীপ হাজৰিকা, জ্যানভি বৰা, গীতুস্মৃতা কাকতি, মিনাক্ষী বৰা, গৌতম বৰা, হীৰকজ্যোতি শৰ্মা, জ্যোতিস্মান বৰা আৰু অন্যান্যই স্বতঃস্ফূৰ্ত অভিনয়েৰে গোটেই অনুষ্ঠানটো সজীৱ কৰি তোলে। উদ্যোক্তা গকুল কৃষ্ণ হাজৰিকা, পুস্পেন্দ্ৰ বৰা, মৃদুল হাজৰিকা আৰু অন্যান্য সকলৰ এই পদক্ষেপ ৰাইজে প্ৰশংসা কৰিছে। প্ৰতি বছৰে নাট প্ৰশিক্ষণ আৰু প্ৰযোজনা নিয়মীয়াকৈ কৰিবলৈ ৰাইজে সিদ্ধান্ত লয়।

## ধুবুৰীৰ ঐতিহাসিক শিখ মেলা আৰু ঐতিহ্য

*(৫ পৃষ্ঠাৰ পৰা)* বৃহস্পতিবাৰ। গুৰু টেগবাহাদুৰ আৰু তেওঁৰ শিষ্যসকলৰ ছহিদ হোৱা এই দিনটোৰ স্মৃতিত সমগ্ৰ শিখসকলে উক্ত দিনত 'শ্বহিদী পৰ্ব' পালন কৰে। ধুবুৰীৰ গুৰুদ্বাৰাতো প্ৰতি বছৰে নৱেম্বৰ বা ডিচেম্বৰ মাহত উক্ত দিবসৰ লগত সংগতি ৰাখি 'শ্বহিদী পৰ্ব' অনুষ্ঠিত হয়। বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা শিখ ধৰ্মাবলম্বী লোকসকলে এই উৎসৱত অংশ গ্ৰহণ কৰে। ধুবুৰীৰ স্থানীয় ভাষাত এই উৎসৱক 'শিখ মেলা' বুলি জনা যায়। সেই সময়ত এই গুৰুদ্বাৰাৰ আশে পাশে থকা অঞ্চলসমূহৰ লগতে ধুবুৰীৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত তিনিদিনীয়া মেলা অনুষ্ঠিত হয়। উক্ত মেলাত শিখসকলৰ পৰম্পৰাগত সাজপাৰ, আ-অলংকাৰ, অস্ত্ৰ-শস্ত্ৰ, পাগুৰিৰ উপৰিও বিভিন্ন ধৰণৰ খাদ্য পৰিৱেশিত হয়। স্থানীয় লোকসকলে এই মেলাত অতি আন্তৰিকতাৰে সহযোগিতা আগবঢ়ায়। সমন্বয়ৰ ভূমি ধুবুৰীৰ এই মেলাত বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকৰ সমাগম হয়। মেলা অনুষ্ঠিত হোৱাৰ দিনা ধুবুৰী ৰে'লষ্টেচনৰ পৰা গুৰুদ্বাৰালৈ হোৱা শিখসকলৰ জনস্ৰোত অতি আকৰ্ষণীয়।

গুৰুদ্বাৰাত এই 'শ্বহিদী পৰ্ব'ৰ প্ৰথম দিনটোতে অখণ্ড গুৰু গ্ৰন্থ চাহেব পাঠ হয়, দ্বিতীয় দিনা সমগ্ৰ ধুবুৰী চহৰ ব্যাপি শিখসকলে 'শোভাযাত্ৰা' উলিয়ায়। শিখসকল অতি শৌৰ্য-বীৰ্যশালী জাতি। তেওঁলোক দেশপ্ৰেমিক আৰু স্বাভিমানীও। তেওঁলোকে সমদলত বিভিন্ন জাতীয় নৃত্য কৰাৰ লগতে বিভিন্ন সমৰ কলাও প্ৰদৰ্শন কৰে। একাংশই আকৌ হাতে হাতে ঝাড়ু লৈ ৰাস্তা-পথ চাফ-চিকুণাই তোলে। 'জো বোলে চো-নিহাল-সৎ শ্ৰীয়াকাল', 'বাহে গুৰু কী খালসা, বাহে গুৰু কী ফতেহ' আমৰ ধ্বনিৰে গোটেই ধুবুৰী অঞ্চল মুখৰিত কৰি তোলে। যদিওবা ধুবুৰীৰ স্থানীয়লোকে এই সমদলত ভাগ নলয়, তথাপিও সকলো লোকে সমদলকাৰীসকলক সহযোগ কৰে। ধুবুৰী প্ৰশাসনেও তেওঁলোকক সুন্দৰভাৱে নিৰাপত্তা প্ৰদান কৰে। শ্বহিদী পৰ্বৰ তৃতীয় দিনা বিভিন্ন ধৰণৰ কীৰ্তন, আলোচনা চক্ৰৰে অনুষ্ঠানৰ সামৰণি মৰা হয়। সিদিনাখনেই ধুবুৰীলৈ অহা বিশ্বৰ বিভিন্ন প্ৰান্তৰ শিখসকলে বিদায় লয়। তিনিদিনীয়া এই মেলাৰ সময়ত গুৰুদ্বাৰাত হোৱা সকলো ভক্তিপ্ৰাণ ৰাইজৰ বাবে লংগৰ অৰ্থাৎ 'ভোজভাত'ৰ আয়োজন কৰা হয়। সেই ভোজ পৰ্বত শিখসকলৰ সকলো প্ৰকাৰৰ ব্যক্তিয়ে শ্ৰমদান কৰে। শ্ৰমদানত উচ্চ-নীচ, পুৰুষ-মহিলা আনকি কোনো কোনো কিশোৰ কিশোৰীয়েও বাদ পৰি নাযায়। বিশাল ভোজভাতৰ এই পৰ্বত শিখসকলে কোনো হাজিৰা নলগায়। তেওঁলোকে খাদ্য অপচয়ো নকৰে। যিয়ে যিমান খাদ্য খাব পাৰে, সিমানহে আগবঢ়ায়। উচ্চ-নীচ ভেদ ভাব নথকা এই সম্প্ৰদায়টোৰ মাজত নাই কোনো শ্ৰেণী বৈষম্য তেওঁলোকৰ লংগৰ গৃহৰ সন্মুখত এখন ফলকত লিখা থাকে 'যিসকল কৃষকে এটা এটা বীজ আনি আমাক এই খাদ্য দিছে, সেই খাদ্য যেন কোনেও নষ্ট নকৰে। এয়া চৰম অন্যায়।' আন এখন ফলকত কিমানডাল কুঁহিয়াৰ চেপিলে ১ কিলোগ্ৰাম চেনি, কিমানজোপা গমৰ পৰা ১ কিলোগ্ৰাম আটা পোৱা যায়-তেনে এক আবেগিক হিচাপ লিখা থাকে। খাদ্য অপচয়ৰোধ কৰাৰ বাবে এই ব্যৱস্থা অতিকৈ প্ৰশংসনীয়।

ধুবুৰী অসমৰেই নহয়, বিশ্বৰে এখন সুন্দৰ আৰু ঐতিহাসিক ঠাই। ধুবুৰীৰ এই মেলাৰ এক বিশেষ তাৎপৰ্য আছে। অৰ্থনৈতিক আৰু কলা-সংস্কৃতিৰ আদান-প্ৰদানত এই মেলাৰ এক বিশেষ অৱদান আছে। 'মিলিব লাগে, মিলাব লাগে জীন যাবলৈ হ'লে'-এই বাৰ্তাটো ধুবুৰীৰ শিখ মেলাই বহন কৰে। সমন্বয় সাধনকাৰী এনে মেলাৰ যুগে যুগে প্ৰয়োজন। বিশ্বৰ গৰিমাশীল জাতি হিচাপে পৰিচয় দিবলৈ আমাক এনেবোৰ এককৰ অনেক প্ৰয়োজন আছে।

ফোন ঃ ৮৪৮৬৭-২৬৬১৪



সত্যমেৱ জয়তে
অসম চৰকাৰ

খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ

# খাদ্য সুৰক্ষাৰ পৰা পৰিপুষ্টিৰ নিশ্চিতিলৈ

## ডিচেম্বৰ ২০২৫ত

# অন্ন সেৱা দিন

## ১ - ১০ ডিচেম্বৰ



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

## ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনস্থ পৰিয়ালৰ বাবে
## বিনামূলীয়া চাউলৰ লগতে বজাৰতকৈ সুলভ মূল্যত খাদ্য-সামগ্ৰী

### ‘প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা’ ৰ অধীনত বিনামূলীয়া চাউল

- ‘অন্ত্যোদয়া অন্ন যোজনা’ ৰ অধীনস্থ প্ৰতিটো পৰিয়াললৈ প্ৰতিমাহে ৩৫ কিলোগ্ৰামকৈ চাউল
- অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়ালৰ প্ৰতিগৰাকী ব্যক্তিলৈ প্ৰতিমাহে ৫ কিলোগ্ৰামকৈ চাউল

### প্ৰতিমাহে প্ৰতিটো পৰিয়াললৈ ১ কিঃগ্ৰাঃ কৈ বজাৰতকৈ সুলভ মূল্যত খাদ্য-সামগ্ৰী



মচুৰ দাইল
৬৯ টকা
*(প্ৰতি কিঃগ্ৰাঃ)*



চেনি
৩৮ টকা
*(প্ৰতি কিঃগ্ৰাঃ)*



নিমখ
১০ টকা
*(প্ৰতি কিঃগ্ৰাঃ)*

উপকৃত হোৱা পৰিয়ালৰ সংখ্যা ৭০ লাখৰো অধিক

### সুলভ মূল্যৰ দোকানীৰ কৰণীয়

- অন্ন সেৱা দিন সম্পৰ্কে ব্যাপক প্ৰচাৰ আৰু সজাগতা সৃষ্টি কৰা
- অন্ন সেৱা দিনৰ প্ৰতিটো দিনত দিনজোৰাকৈ দোকান খোলা ৰখা
- হিতাধিকাৰীয়ে লাভ কৰা সামগ্ৰীৰ বিপৰীতে e-POS মেচিনৰ ৰচিদ প্ৰদান কৰা

### হিতাধিকাৰীলৈ আহ্বান

- প্ৰতিটো সামগ্ৰীৰ বাবে পৃথক পৃথককৈ e-POS মেচিনৰ জৰিয়তে বায়’মেট্ৰিক প্ৰমাণীকৰণ জৰুৰী
- সামগ্ৰী সংগ্ৰহৰ বিপৰীতে e-POS মেচিন সৃষ্ট ৰচিদ গ্ৰহণ কৰিবলৈ নাপাহৰিব

যিকোনো অভিযোগৰ ক্ষেত্ৰত জিলা/সমজিলা/মহকুমাৰ বিভাগীয় কৰ্তৃপক্ষ অথবা টোল ফ্ৰী নম্বৰ:
১৮০০-৩৪৫-৩৬১১ আৰু ১৯৬৭ (BSNL গ্ৰাহক) ত যোগাযোগ কৰক

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyoy/AA(Advt.) 3390/25/10-Dec-25

# ধ্ৰুপদী ভাষাৰ স্বীকৃতিৰে অসমীয়া ভাষা সুৰক্ষিতনে?

*(৩ পৃষ্ঠাৰ পৰা)* ধ্ৰুপদী ভাষাৰ স্বীকৃতিয়েই ভাষা সুৰক্ষিত কৰিব জানো? চৰকাৰী-বেচৰকাৰী কাম-কাজ, ভাব-বিনিময়, কথোপকথন, আদান-প্ৰদান, শিক্ষাগ্ৰহণ, ম'বাইল ফোন, কম্পিউটাৰ ব্যৱহাৰ আদি সকলোতে ইংৰাজী ভাষাৰ এৰাব নোৱাৰা সম্পৰ্কই মাতৃভাষাৰ বিপৰীত পৰিমণ্ডল একোটাৰ সৃষ্টি কৰা নাই জানো? অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাত আমি আটায়ে উৎফুল্লিত হৈছোঁ। কিছু ক্ষেত্ৰত আমি আবেগৰ মাত্ৰাও অতিক্ৰম কৰিছোঁ। পিছে এনে আনন্দ-উল্লাস বা আবেগ একোটা ভাষা সুৰক্ষিত কৰিবলৈ যথেষ্ট নহয়। এইটো সকলোৱে অৱগত যে ব্যৱহাৰিক প্ৰয়োজনৰ তাগিদাতহে একোটা ভাষা জীয়াই থাকে। অসমীয়াভাষীসকলে যদিহে মাতৃভাষাৰ চৰ্চা আৰু অনুশীলন ক্ৰমান্বয়ে হ্ৰাস কৰি আনে, ভাষিক সংখ্যা যদিহে হ্ৰাস পাই থাকে, নতুন প্ৰজন্মই যদিহে মাতৃভাষাৰপৰা আঁতৰি গৈ থাকে, ইংৰাজী মাধ্যমৰ শিক্ষাৰ প্ৰতি অভিভাৱক, শিক্ষাৰ্থীৰ আগ্ৰহ বাঢ়ি গৈ থাকে, তেনেহ'লে অসমীয়া ভাষা কিমান দিনলৈ সুৰক্ষিত হৈ থাকিব? দেৰিকৈ হ'লেও ইয়াৰ পৰিণাম ভুগিব নালাগিবনে?

বিশ্বায়নৰ প্ৰতিযোগিতামূলক যুগত সকলো কথাই যোগ্যতাৰ ভিত্তিত তিষ্ঠি থকাৰ পৰিৱেশৰ সৃষ্টি হৈছে। ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। স্বকীয় ভাষা-সংস্কৃতিক শক্তিশালী ৰূপত সুৰক্ষিত কৰিব লাগিব। তাৰ বাবে জাতীয় চেতনাক জাগ্ৰত আৰু উজ্জীৱিত কৰি ৰাখিব লাগিব। মনত ৰাখিব লাগিব ব্যৱহাৰিক প্ৰয়োজনৰ তাগিদাত ইংৰাজী ভাষাৰ প্ৰায়োগিক দিশত অনুশীলন কৰোঁতে তাৰ সীমাও মানি চলিব লাগিব। সমান্তৰালভাৱে স্বকীয় ভাষা-সংস্কৃতিৰ ব্যৱহাৰিক প্ৰয়োজনীয়তাৰ ভেটিটো শক্তিশালী আৰু কাৰ্যক্ষম কৰি ৰাখিব লাগিব। আমি দোহাৰিছোঁ ব্যৱহাৰিক প্ৰয়োজনৰ ভেটিতহে একোটা ভাষা জীয়াই থাকে।

ম'বাইল ঃ ৮৮৭৬১-৭০৫৯১

# কেনেকৈ চালে চকুৰোৱা হৈ পৰে এখন চহৰ?

*(২ পৃষ্ঠাৰ পৰা)* থাকে, আমাৰ এনে লাগে, নগাঁও ঈদগাহৰ ওচৰৰ কেইঘৰ মানুহ নাগৰিক হয়, কিয়নো নৰ্দমাৰ পানী উপৰচনীয়া হৈ ৩৬ নং ৰাষ্ট্ৰীয় পথতো অনবৰতে পানীৰ ডোঙা বান্ধে। পৌৰপতিৰ নম্বৰ তেওঁলোকক দিয়া হ'ল, তেওঁলোকে ফোন কৰিলে নৰ্দমাৰ বোকা উলিয়াই দিলেহি, বচ, সমাধান।

কিন্তু সেই পৌৰসভাৰ আৰু অকণ দায়িত্ব বাঢ়িল, গৌৰৱ পথৰ ৰেলিঙত এটা দুৰন্তৰ মাজে মাজে পিকদানি দিবৰ হ'ল, নহ'লে পানী যোৱা লোৱটিৰ সৰহ সংখ্যক ঠাইত চিখৰ পিকেৰে ফুল বাছিছেই।

ফোন ঃ ৯৪৩৫২০৯৮৮২

## 'অসমীয়া জনজীৱনত আঘোণ মাহ' শীৰ্ষক নিবন্ধ সন্দৰ্ভত

প্ৰতি

সম্পাদক,

কলংপাৰ, আধুনিক অসমীয়া সাপ্তাহিক, নগাঁও, অসম

বিষয় ঃ 'অসমীয়া জনজীৱনত আঘোণ মাহ' নামৰ প্ৰবন্ধৰ বিষয়ে।

মহোদয়,

নমস্কাৰ জনালো। উপৰোক্ত বিষয় সম্বন্ধে তলত দিয়া কথাখিনি আপোনাৰ দ্বাৰা সম্পাদিত বহুল প্ৰচাৰিত কাকত 'কলংপাৰ' আধুনিক অসমীয়া সাপ্তাহিক, নগাঁও অসম,ৰ জ্ঞাতাৰ্থে আৰু বিহিতাৰ্থে প্ৰেৰণ কৰা হ'ল।

মই নিম্ন স্বাক্ষৰকাৰী ড° অঞ্জনা গোস্বামীয়ে জনাওঁ যে, 'অসমীয়া জনজীৱনত আঘোণ মাহ' নামৰ এটা প্ৰবন্ধ বিগত ১৩ ডিচেম্বৰ ২০২৩ বৰ্ষত কলংপাৰ কাকতত প্ৰকাশ পাইছিল। সেই একেটা প্ৰবন্ধ পুনৰ ১৬-৩০ নবেম্বৰ ২০২৫ সংখ্যাত 'প্ৰান্তিক' আলোচনীত প্ৰকাশ পাইছে।

কিন্তু অতি আচৰিত কথা যে, সেই প্ৰবন্ধটো আকৌ একেনামেৰে "কলংপাৰ" কাকতৰ ৩ ডিচেম্বৰ ২০২৫ত জনৈক বেনজিন চুলতানা নামত প্ৰকাশ পোৱা দেখিবলৈ পালো। এই কুম্ভিলক বৃত্তি লেখক তথা অসমীয়া সাহিত্যৰ বাবে অতি লজ্জাজনক আৰু পৰিতাপৰ বিষয়। গতিকে ইয়াৰ বিহিত ব্যৱস্থাৰ বাবে আপোনাক অনুৰোধ জনালোঁ। প্ৰবন্ধৰ প্ৰতিলিপি আপোনাৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

ধন্যবাদেৰে

ড° অঞ্জনা গোস্বামী

**সম্পাদকৰ সংযোজন ঃ** ড° অঞ্জনা গোস্বামীৰ অভিযোগ মৰ্মে বিষয়টো পৰীক্ষা কৰি চাই ইয়াত যে অনিয়মৰ আশ্ৰয় লোৱা হৈছে সেই কথাত নিশ্চিত হ'লো। বেনজিন চুলতানাৰ এনে কাৰ্য্য গৰিহণাৰ যোগ্য। ভৱিষ্যতে তেওঁৰ কোনো লেখা কলংপাৰ কাকতত প্ৰকাশ নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

এনে অনভিপ্ৰেত ত্ৰুটিৰ বাবে ড° অঞ্জনা গোস্বামীৰ ওচৰত মাৰ্জনা বিচাৰিছো।

## শপতনামা

মোৰ নাম থানেশ্বৰী দেৱী। স্বামীৰ নাম মাধৱ শৰ্মা। গাওঁ - মহমৰীয়া, ডাক - ডাকৰঘাট, থানা - সদৰ, জিলা - নগাঁও (অসম)

নগাঁও আদালতত শপতনামা যোগে এই কথা ঘোষণা কৰো যে মোৰ প্ৰকৃত নাম থানেশ্বৰী দেৱী। আধাৰ কাৰ্ডতো এই নামেই লিপিবদ্ধ হৈ আছে। কিন্তু দক্ষিণপাট শাখাৰ এটা বেংকত (একাউণ্ট নং ৭২৪৪২০৬০০৯৬৯১) থকা পাছবুকত মোৰ নাম থানেশ্বৰী শৰ্মা হৈ আছে।

প্ৰকৃততে থানেশ্বৰী দেৱী আৰু থানেশ্বৰী শৰ্মা একে গৰাকী ব্যক্তিয়েই হয়। এই কথা সত্য।

থানেশ্বৰী দেৱী

# নগাঁৱত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত

*(৪ পৃষ্ঠাৰ পৰা)* অনুষ্ঠানত নগাঁও জিলাৰ জ্যেষ্ঠ নাগৰিক মঞ্চৰ অৰ্ধশতাধিক পুৰুষ মহিলাই ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰি পুৱাৰে পৰা সন্ধিয়া পৰ্যন্ত জীপাল কৰি তোলে নগাঁও পুথিভঁৰাল প্ৰেক্ষাগৃহ। জ্যেষ্ঠ নাগৰিক সন্মিলনৰ নগাঁও জিলাৰ সাধাৰণ সম্পাদক প্ৰফুল্ল চন্দ্ৰ হাজৰিকাই আতঁধৰা শুভাৰম্ভনি অনুষ্ঠানটিত আশী বছৰীয়া মহিলা জয়াদেৱী তালুকদাৰে ভূপেন হাজৰিকাৰ কালজয়ী গীত "আই তোক কিহেৰে পুজিমে" গীতটি পৰিবেশন কৰে। দ্বীপেন বৈৰাগী আৰু মোহিনী মোহন ডেকাই মঞ্চ পৰিচালনা কৰা অনুষ্ঠানত ভূপেন হাজৰিকাৰ বহুকেইটা জনপ্ৰিয় তথা কালজয়ী গীত পৰিৱেশন কৰে ক্ৰমে-অসম চৰকাৰৰ নগাঁও জিলাৰ অৱসৰপ্ৰাপ্ত বিষয়া প্ৰশান্ত কুমাৰ বেজবৰুৱা, শিল্পী দিগন্ত ভাগৱতী, প্ৰতিমা গগৈ, অলক খাউণ্ড, বোধমাই দেৱী, প্ৰভাত কলিতা, আহমেদ লতিফুৰ কৰিম, ৰঞ্জিত গায়ন, লোহিত কমল বৰা, বিপুল হাজৰিকা, অৰুণ চন্দ্ৰ বৰা, ৰূপা গায়ন, মাধৱ বৰা, বিৰিঞ্চি বৰা, গিৰিশ গায়ন, প্ৰফুল্ল চন্দ্ৰ বৰা, ভোগৰাম বড়ো, খগেন নাথ, সুৰেন্দ্ৰ কুমাৰ নাথ, মামনি বৰা ভট্টাচাৰ্যী, কুমকুম বৰুৱা, প্ৰিতী বৰাই ভূপেন্দ্ৰ সংগীত গীতৰ প্ৰতিযোগিতা অংশগ্ৰহণ কৰে। অনুষ্ঠানত তিনিটা শাখাত এই ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয় । প্ৰতিযোগিতাখনিত বিচাৰকৰ আসন শুৱনি কৰে ক্ৰমে শিল্পী ৰঞ্জন বেজবৰুৱা, শিল্পী তৰুণ শইকীয়া, শিল্পী পম্পী বৰাই। প্ৰতিযোগিতাখনিত ঘোষিকাৰ ৰূপে অনুষ্ঠানটি সামগ্ৰীকভাৱে পৰিচালনা কৰে কৃতী শিক্ষয়িত্ৰী তথা লেখিকা গীতা মহন্ত শইকীয়াই। সন্মিলনৰ প্ৰতিযোগিতাখনিত "ক" শাখাত প্ৰথম স্থান লাভ কৰে আহমেদ লতিফুৰ কৰিম, দ্বিতীয় স্থান লাভ কৰে মাধৱ বৰা আৰু মামনি শৰ্মা ভট্টাচাৰ্য্য, তৃতীয় পুৰস্কাৰ লাভ কৰে অলক খাউণ্ড আৰু জয়াদেৱী তালুকদাৰে।

সেইদৰে "খ" শাখাত প্ৰথম স্থান লাভ কৰে খগেন নাথ, দ্বিতীয় স্থান লাভ কৰে গিৰিশ গায়ন, অলক খাউণ্ডে, তৃতীয় পুৰস্কাৰ লাভ কৰে দিগন্ত ভাগৱতীয়ে। আনহাতে, প্ৰতিযোগিতাখনিত "গ" শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰে আহমেদ লতিফুৰ কৰিম, দ্বিতীয় স্থান লাভ কৰে ৰঞ্জিত গায়ন, তৃতীয় স্থান লাভ কৰে যুটীয়া ভাৱে প্ৰফুল্ল চন্দ্ৰ বৰা আৰু মাধৱ বৰাই।

# ৰাছিয়া ভ্ৰমণৰ খণ্ডচিত্ৰ- (৪) ক্ৰেমলিন চহৰ, ৰেড স্কোৱেৰ

*(৩ পৃষ্ঠাৰ পৰা)* ক্ৰেমলিন চহৰৰ ৰেড স্কোৱেৰৰ আকৰ্ষণ আছিল আন এটাহে। মোৰ ল'ৰাটোৰ মুখে শুনা ম'জ'লিয়াম চোৱাৰ হেপাহত সেই সম্পৰ্কে আগতীয়াকৈ কিছু জানিবলগীয়া কথা পঢ়ি গৈছিলো। প্ৰসিদ্ধ কমিউনিষ্ট নেতা ব্লাডিমিৰ লেনিনৰ দেহ এই ৰেড স্কোৱেৰতে ৰখা হৈছে। ইয়াৰ নামেই হৈছে ম'জ'লিয়াম। অৰ্থাৎ সমাধিস্থলী। ৰাছিয়াৰ বিপ্লৱৰ ইতিহাসত ইয়াৰ গুৰুত্ব অতি ব্যাপক। অগণন লোক ইয়ালৈ আহে। এই সমাধি সম্পৰ্কত বিভিন্ন জনৰ বিভিন্ন কথা।

১৯২৪ চনৰ ২১ জানুৱাৰীত লেনিনৰ মৃত্যু হয়। মৃত্যুৰ পাছত তেওঁৰ শৰদেহ আয়নাৰ এটা বাকচত ভৰাই সকলোৰে দৰ্শনৰ বাবে ৰেড স্কোৱেৰত এটা ওখ স্থানত মুকলিকৈ ৰখা হৈছিল। দ্বিতীয় মহাসমৰৰ সময়ছোৱাক বাদ দি বাকী সময়খিনিত এইজন জননায়কক চাবলৈ ৰেড স্কোৱেৰৰ ম'জ'লিয়ামত ভিৰ লাগিছিল। কিন্তু এতিয়া এই শৰদেহ মুকলিকৈ ৰখাৰ পৰিৱৰ্তে ক্ৰেমলিন ৱালৰ গাতে লাগি থকা এটা ঘৰ লেনিনৰ সমাধিস্থল হিচাপে ব্যৱহৃত হৈছে। অতি কঠোৰ নিয়ম পালন কৰি কেৱল নিৰ্দিষ্ট পাঁচজন লোকৰ এটা এটা গোট এবাৰত ভিতৰলৈ সোমাব পাৰে। সপ্তাহৰ পাঁচোটাকৈ দিনতহে ই প্ৰৱেশৰ বাবে খোলা থাকে। বছৰেকত এবাৰ লেনিনৰ এই শৰদেহ নষ্ট হৈ নপৰিবৰ বাবে চিকিৎসক আৰু বৈজ্ঞানিকৰ এটা দলে নিৰ্দিষ্ট সময়ৰ ব্যৱধানত বিভিন্ন কেমিকেলৰ ব্যৱহাৰ কৰি, কাপোৰ কানি সলাই দি জীৱন্ত ৰূপত ৰাখিবলৈ প্ৰয়াস কৰে। প্ৰচুৰ অৰ্থ ব্যয় কৰিও জনগনৰ প্ৰিয়নেতা জনক দেশখনে তেওঁলোকৰ শ্ৰদ্ধা তৰ্পণ জাৰি ৰাখিছে।

ম'জ'লিয়ামৰ উপৰিও ক্ৰেমলিনত আমি সৰুতে পঢ়া আৰু ছবিত দেখা কেইবাটাও বিখ্যাত স্মৃতি চিহ্ন দেখিবলৈ পালোঁ। তাৰে এটা হ'ল 'মস্কোৰ পিতলৰ ঘণ্টা' আৰু 'জাৰ কেনন'। সোতৰ শতিকাতে নিৰ্মিত এই ঘণ্টাটো নিৰ্মাণৰ সময়ৰ পৰা কেতিয়াবা বজোৱা হৈছিল নে নাই প্ৰশ্ন জগাতো স্বাভাৱিক। কিন্তু ইমান বিশালকাৰ এই ঘণ্টাৰ ব্যৱহাৰ কাহানিও হেনো কৰা হোৱা নাছিল। প্ৰায় বিশ ফুট ওখ, বাইশফুট বহল এই ঘণ্টা বজোৱাৰ সাধ্য নথকাৰে কথা। কেৱল জাৰৰ পৰা কোনো জৰুৰী নিৰ্দেশনা জাৰি কৰাৰ প্ৰতীকী স্বৰূপেহে ইয়াৰ নিৰ্মাণ কৰা হৈছিল। সোতৰ শতিকাৰ মাজভাগত হোৱা প্ৰচণ্ড অগ্নি কাণ্ডৰ ফলত এইঘণ্টাৰ এটা অংশ ভাঙি পৰিছিল আৰু সেই ভাঙি পৰা অংশৰে সৈতে এতিয়াও ঘণ্টাটো দৰ্শকৰ বাবে সংৰক্ষিত হৈ আছে।

ক্ৰেমলিন ৰেড স্কোৱেৰৰ গহীন গম্ভীৰ বাতাবৰণে মনলৈ বিষাদৰ সুৰ এটা যেন কঢ়িয়াই আনিলে। মৃত্যুয়েই কায়িক জীৱন এটাৰ শেষ হ'লেও যেন শেষ নহয়। সৎ আৰু হিতৈষী কৰ্মবেহে মানুহে অমৰত্ব লাভ কৰে। লেনিনৰ মৃত্যুৰ এশবছৰৰ পাছতো তেওঁৰ গুণমুগ্ধই তেওঁক যেন জিৰণি কক্ষত শুৱাই ৰাখিছে।

ফোন ঃ ৯৪৩৫০৬০৫১৪

# মৰণোত্তৰ দেহদানেৰে উজলিল প্ৰয়াত ভৱানী দেৱী

*(১২ পৃষ্ঠাৰ পৰা)* চিকিৎসা বিজ্ঞানৰ উন্নতিৰ হকে দান দিয়াৰ অংগীকাৰপত্ৰত চহী কৰি গ'ল। সেয়েহে যোৱা ৫-১২-২০২৫ তাৰিখে ইলোৱা বিজ্ঞান মঞ্চৰ জৰিয়তে তেখেতৰ পাৰ্থিৱ শৰীৰ নগাঁও মেডিকেল কলেজৰ এনাটমী বিভাগত অৰ্পণ কৰা হয়। ধৰ্মীয় অন্ধবিশ্বাসেৰে লুতুৰি-পুতুৰি গ্ৰাম্য সমাজৰ মাজত এনে এক জনহিতকৰ কামত অদম্য সাহস দেখুৱাই সাম্প্ৰতিক ধৰ্মান্ধ ৰাজনীতিক কেৰেপ নকৰি মৰণোত্তৰ দেহদান কৰি বিৰল কৃতিত্ব ৰখা ভৱানী দেৱীক লৈ সমাজত আলোড়ণৰ সৃষ্টি হৈছে। বৃহত্তৰ নগঁৱে অঞ্চল তথা সমগ্ৰ ৰঢ়মপুৰ সমষ্টিৰ ভিতৰত সম্পূৰ্ণ দেহদান কৰা প্ৰথম ব্যক্তি হিচাপে পৰিগণিত হৈছে। যুক্তিবাদ শিক্ষা আৰু বিজ্ঞান মানসিকতাৰ প্ৰসাৰত তেখেতৰ দেহদানে অভূতপূৰ্ব অৱদান যোগাইছে। নগঁৱে খাটৰ গাঁৱৰ ৰাইজেও অলপ ইতস্ততঃ কৰিছিল যদিও সকলোৱে চৰকাৰৰ লগতে ভৱানী দেৱীৰ সমাজহিতকৰ অৱদানৰ প্ৰতি সন্মান জনাইছে। মানুহ বিজ্ঞানৰ পথেৰে আগবাঢ়ক অন্ধবিশ্বাসৰ পথেৰে নহয় তাকেই ভৱানী দেৱীয়ে মৃত্যুৰ পিছত দেহদানেৰে ঘোষণা কৰি গ'ল।

# নগাঁৱৰ কলংনৈত মৃতদেহ উদ্ধাৰ

**নগাঁও ঃ** নগাঁও চহৰৰ মাজেৰে বৈ যোৱা কলংনৈত যোৱা ২ ডিচেম্বৰত এটা মৃতদেহ উদ্ধাৰ হোৱাত চাঞ্চল্যৰ সৃষ্টি হৈছে। পুৰা নগাঁও চহৰৰ ভুঞাপট্টিৰ সমীপত কলংনৈত এজন লোকৰ মৃতদেহ উদ্ধাৰ হয়। স্থানীয় লোকে মৃতদেহটো প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়াত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে।

# অসমীয়া ভাষাৰ দুৰ্ভাগ্য

*(১ পৃষ্ঠাৰ পৰা)* ১৫ এপ্ৰিল, ২০২৫ পৰা কাৰ্যকৰী হোৱাকৈ প্ৰকাশ কৰা হৈছিল এই ঘোষণা। কিন্তু দুখৰ বিষয় এয়ে যে আজিৰ তাৰিখতো এই ঘোষণা ঘোষণা হৈয়েই আছে। এতিয়াও প্ৰকৃত অৰ্থত অসমৰ চৰকাৰী কাম-কাজত অসমীয়া ভাষাৰ যথোচিত ব্যৱহাৰ হোৱা নাই।

প্ৰথম অৱস্থাত চমক সৃষ্টি কৰি কেইবাটাও বিভাগে নিজৰ কাম-কাজত অসমীয়া ভাষাৰ ব্যৱহাৰ কৰিছিল যদিও সময়ৰ লগে লগেই সেয়া সলনি হ'ল। এতিয়া যেন দিছপুৰত অসমীয়া ভাষা আকৌ এলাগী হৈ পৰিছে।

দিছপুৰৰ আমোলা বিষয়াৰ চৰম হেমাহিৰ বাবেই এতিয়াও দিছপুৰৰ অধিকাংশ কাম-কাজত ইংৰাজী ভাষাই আগস্থান লাভ কৰা দেখা গৈছে। আনটো বাদেই তৃতীয় তথা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ বদলি বা কৰ্মৰ দায়িত্ব বিতৰণ আদিৰ বাবে জাৰি কৰা নিৰ্দেশনাতো প্ৰয়োগ কৰা হয় ইংৰাজী ভাষা।

এই কথাতে ক্ষুণ্ণ হৈ পৰিছে সদৌ অসম ছাত্ৰ সন্থা। বিগত ২২ নৱেম্বৰত অনুষ্ঠিত উচ্চ স্তৰীয় বৈঠকত এই বিষয়টো লৈ ছাত্ৰ সন্থাই স্পষ্ট ভাবে নিজৰ অসন্তুষ্টি প্ৰকাশ কৰে। ছাত্ৰ সন্থাৰ নেতৃত্বৰ এই অসন্তুষ্টিৰ পিছত মুখ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তৎক্ষণাত মুখ্য সচিবক চৰকাৰী কাম-কাজত অসমীয়া ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক কৰিবলৈ নিৰ্দেশনা জাৰি কৰিবলৈ কয়। ইয়াৰ বাবে মুখ্য মন্ত্ৰীয়ে আনকি 'ভাষিণী' নামৰ এপটোৰ ব্যৱহাৰ কৰিবলৈকো মুখ্য সচিবক জনায়।

কিন্তু অসমীয়া ভাষাৰ দুৰ্ভাগ্য যে এটা পষেক পাৰ হৈ যোৱাৰ পিছতো কাৰ্যকৰী হৈ উঠা নাই মুখ্য মন্ত্ৰী ড° শৰ্মাৰ নিৰ্দেশ। আজিও দিছপুৰত চৰকাৰী কাম-কাজত অসমীয়া প্ৰায় এলাগী হৈয়েই আছে। এতিয়াও অসমীয়া ভাষাপ্ৰেমী সকলক হতাশ কৰি দিছপুৰৰ সৰ্বত্ৰ দপদপাই আছে ইংৰাজী ভাষাই।

অসমীয়া ভাষাৰ এনে দুৰ্দশাৰ অৱসান ঘটাবলৈ অসম চৰকাৰ সচাকৈয়ে তৎপৰ হ'ব নে?

# নগাঁৱত আৰম্ভ হ'ল ৫৩ টা কৈ পথ নিৰ্মাণৰ কাম

*(১ পৃষ্ঠাৰ পৰা)* মাহৰ প্ৰথম সপ্তাহতে বটদ্ৰৱা প্ৰকল্পটি আনুষ্ঠানিকভাবে দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহে মুকলি কৰিব। বৰ্তমান নগাঁওখন সকলো দিশতে আগবঢ়াই নিবলৈ চেষ্টা কৰিছো। নগাঁৰৰ শিৱনগৰত বৰ্তমান কাম সম্পূৰ্ণ হোৱাৰ পথত ড° ভূপেন হাজৰিকা কলাক্ষেত্ৰৰ। কিছু দিনৰ পাছতে ড° ভূপেন হাজৰিকা কলাক্ষেত্ৰৰ মুকলি কৰিবহি মুখ্যমন্ত্ৰীয়ে। আমাৰ নগাঁৱৰ ঐতিহ্যমণ্ডিত নেহৰুবালীত বৰ্তমান যি পৰিবেশ হৈছে সেই পৰিবেশটো ড° ভূপেন হাজৰিকা কলাক্ষেত্ৰটো থাকিব। নেহৰুবালীত ৰাইজে এতিয়া মুকলিকৈ খোজ কাঢ়িব পৰা ব্যৱস্থা হৈছে। তাত এক সুন্দৰ পৰিবেশে বিৰাজ কৰিছে। ঠিক সেইদৰে মৰিকলং বিলৰ পাৰতো আন এখন ৱাকিং জনৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। আমি কেৱল এটাই চিন্তা কৰি আহিছো যে অসমৰ ভিতৰত নগাঁওখন সদায় প্ৰথম স্থানত থাকিব পাৰে। উল্লেখ যে, দীৰ্ঘদিনৰ পৰা অতি জৰাজীৰ্ণ অৱস্থাত থকা পূৰ্বৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত শিৱনগৰ- কলংপাৰ মথাউৰি পথৰ বাসিন্দা সকলৰ লগতে উন্নয়ন সমিতিয়ে বিধায়ক ৰূপক শৰ্মাক এই পদক্ষেপৰ বাবে কৃতজ্ঞতা জনাইছে।

এই আধাৰশিলা অনুষ্ঠানত লোকনিৰ্মান বিভাগৰ সংমণ্ডল বিষয়া বীৰেন দাস, নগাঁও জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলি হাজৰিকা, পঞ্চায়ত প্ৰতিনিধি সকল, নগাঁও পৌৰসভাৰ সভানেত্ৰী অম্বিকা মজুমদাৰ, উপাধ্যক্ষ সীমান্ত বৰা, লোকনিৰ্মান বিভাগৰ বিষয়া-কৰ্মচাৰী সকল, পৌৰ আয়ুক্ত সকলৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে। আধাৰশিলা স্থাপন কৰা পথসমূহ ক্ৰমে— পলাশনি চাৰিআলিৰ পৰা ন আলী পথ (লতাইমাৰীৰ দিশে), পলাশনিৰ পৰা বামুনগাঁও সংযোগী পথ, দেওধৰ চেচামুখ পথ, (কৰৈয়নীৰ পৰা দেওধৰলৈ), কৰৈয়নীৰ পৰা গধবিয়া সংযোগী পথ, গধবিয়াৰ পৰা গধবিয়া কৰৈয়নী সংযোগী পথ, পানীগাঁও ডিফলু বৰমা পথ (কহালীগাঁৱৰ পৰা হালোৱা গাওঁলৈ), হালোৱাগাঁও উপৰকুৰি তিনিআলিৰ পৰা ভেটিচুকলৈ (কে কে মুদৈ বাসগৃহ পৰ্যন্ত), মৰঙ্গীয়াল গাওঁৰ পৰা বঢ়মপুৰ তিনিআলি দলং সংযোগী পথ, আউনীআটী চাৰিআলিৰ পৰা নৰ্তম গাঁও সংযোগী পথ, চেচামুখ শিৱ মন্দিৰ পথ, বিষ্ণু ৰাভা পথ (চেণ্টেল স্কুলৰ সমীপত), শেৱালি পথ (৭ নং উপপথ), আমোলাপট্টিৰ শিৱ মন্দিৰৰ পৰা কলংপাৰৰ ডিফলু পকী দলং সংযোগী পথ। উল্লেখ যে, বিধায়ক ৰূপক শৰ্মা বিগত চাৰিটা দিনত নগাঁও-বটদ্ৰৱা সমষ্টিৰ ৫৩টাকৈ পথৰ আধাৰশিলা কৰাৰ পদক্ষেপ হাতত লৈছে।

# 'বন্দে মাতৰম'ক লৈ উত্তপ্ত লোকসভা

*(১ পৃষ্ঠাৰ পৰা)* এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল যে কংগ্ৰেছ ৱৰ্কিং কমিটীৰ বৈঠকৰ আগেয়ে এই গীত গোৱা হ'ব। ইয়াৰ পিছতো যি বন্দে মাতৰমক কংগ্ৰেছে অৱমাননা কৰা বুলি কয় তেওঁ দেশৰ ইতিহাসেই নেজানে। গগৈয়ে লগতে কয় যে ১৯৪২ৰ ভাৰত ত্যাগ আন্দোলনৰ সময়ত বৰ্তমান শাসক দলৰ পূৰ্বজ সকলে কি কৰিছিল সেয়া দেশৰ জনসাধাৰণে জানে। এতিয়াৰ শাসক দলৰ পূৰ্বজ সকলে সেই সময়ত ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীতক লৈ কেনে স্থিতি গ্ৰহণ কৰিছিল সেয়া দেশৰ ইতিহাস সম্পৰ্কে জ্ঞান থকা সকলোৱেই অৱগত।

# অসমত পুথিভঁৰাল আন্দোলন প্ৰয়োজনীয়

*(৪ পৃষ্ঠাৰ পৰা)* বুদ্ধিমত্তাৰ কথা উল্লেখ কৰে। সদৌ অসম পুথিভঁৰাল সন্থাৰ সভাপতি প্ৰতাপ হাজৰিকাই সভাত সভাপতিত্ব কৰি দিয়া ভাষণত কয় যে গ্ৰন্থ আন্দোলনক অধিক জনমুখী কৰাৰ প্ৰয়োজন। ইয়াৰ বাবে অসমত এখন পুথিভঁৰাল আইন প্ৰৱৰ্তন কৰাটো অতি জৰুৰী। সন্থাই অসমত এখন পুথিভঁৰাল আইন প্ৰৱৰ্তন কৰিবৰ বাবে চৰকাৰক দাবী জনাই অহাৰ কথা উল্লেখ কৰে। সন্থাৰ প্ৰধান সম্পাদক খগেন চন্দ্ৰ নাথে উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে সম্পৰ্কীয় প্ৰতিবেদন পাঠ কৰে। সভাত সন্থাই বিগত সময়ত ৰূপায়ন কৰা আচনিৰ বিষয়ে পৰ্যালোচনা কৰা হয়। লগতে সন্থাৰ সাংগঠনিক দিশ শক্তিশালী কৰাৰ বাবে জিলা আৰু মহকুমা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি- সম্পাদক সকলে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। সভাত কেবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত সন্থাৰ তৰফৰ পৰা বিশিষ্ট সমাজসেৱক বিনোদ খেটাৱত, সন্থাৰ নগাঁও জিলা সমিতিৰ প্ৰাক্তন সভাপতি শম্ভুৰাম শইকীয়া, প্ৰাক্তন উপসভাপতি সুৰেন শইকীয়া প্ৰতিষ্ঠাপক, চিদানন্দ শৰ্মাক সম্বৰ্ধনা জনোৱা হয়। সন্ধিয়া জিলা সভাপতি-সম্পাদক ৰাজিক সমিতিৰ বিষয়ববীয়া, কৰ্মচাৰী সকলৰ মাজত এক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ আগতে পুৱা সন্থাৰ পতাকা উত্তোলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

# বিপৰ্যয়ৰ গৰাহত 'ইণ্ডিগো'

*(১ পৃষ্ঠাৰ পৰা)* বহুজনে। ভোক-পিয়াহৰ মাজত আবদ্ধ হৈ পৰা যাত্ৰীসকলৰ বহু জৰুৰী কামো অনিশ্চয়তাৰ গ্ৰাসত সোমাই পৰে। বিমান বন্দৰ সমূহত যাত্ৰীৰ চুটকেচ তথা অন্যান্য সামগ্ৰী থবলৈ ঠাই নোহোৱা হৈ পৰে। নিতৌ প্ৰায় পাঁচশ বিমান বাতিল হৈ পৰাৰ ফলত বিমোৰত পৰা যাত্ৰীসকলে বিকল্প সেৱা বিচাৰিবলৈ গৈও হতভম্ব হ'ব লগা হয়। কিয়নো ইণ্ডিগোৰ এই অচলাৱস্থাৰ সুযোগ লৈ আন বিমান পৰিবহণ সংস্থাই ব্যাপক হাৰত যাত্ৰীৰ ভাড়া বৃদ্ধি কৰে। মুম্বাইৰ পৰা দিল্লীলৈ যাত্ৰীৰ পৰা ৭০ হেজাৰ টকা পৰ্যন্ত টিকটৰ মূল্য আদায় কৰা হয়।

ইয়াৰ পিছতে হস্তক্ষেপ কৰিবলৈ আগবাঢ়ি আহে কেন্দ্ৰীয় চৰকাৰ। বিগত ৭ ডিচেম্বৰত কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে বাতিল হোৱা বিমানৰ বিপৰীতে যাত্ৰীয়ে পৰিশোধ কৰা সকলো ভাড়াৰ ধন উভতাই দিবলৈ ইণ্ডিগো বিমান কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। তদুপৰি কেন্দ্ৰীয় চৰকাৰে দূৰত্ব অনুসৰি বিমান পৰিবহণ সংস্থাই আদায় কৰিব লগা ভাড়াৰ মূল্য নিৰ্ধাৰণ কৰি দিয়ে। ইয়াৰ অন্যথা আইন অনুসৰি ব্যৱস্থা গ্ৰহণৰো ভাবুকি দিয়া হয়।

কেন্দ্ৰীয় চৰকাৰৰ এই নিৰ্দেশনাৰ পিছতে ইণ্ডিগো বিমান পৰিবহণ সংস্থাই যাত্ৰীসকলৰ ধন উভতাই দিবলৈ আৰম্ভ কৰে। সেই অনুসৰি সংস্থাটোৱে ইতিমধ্যে ৮২৭ কোটি টকা যাত্ৰীসকলক উভতাই দিয়ে। অৱশ্যে ইয়াতেই এই পৰ্ব সমাপ্ত হোৱা নাই।

দৰাচলতে কিয় এই অচলাৱস্থাৰ সৃষ্টি হৈছিল? এই বিষয়ে জানিব পৰা মতে চলিত বৰ্ষৰ আৰম্ভণিতে ডিজিচিএই ফ্লাইট ডিউটি টাইম লিমিটেশ্যন ৰুলছ শীৰ্ষক এক নতুন নিয়ম প্ৰৱৰ্তন কৰে। এই নিয়ম অনুসৰি পাইলট সমূহক বিমান সেৱা প্ৰতিষ্ঠান সমূহে সপ্তাহত ৪৮ ঘণ্টাৰ বিশ্ৰাম দিব লাগিব। তদুপৰি কোনো পাইলটক একেৰাহে ৮ ঘণ্টাতকৈ অধিক সময় ডিউটি কৰিবলৈ দিব নোৱাৰিব। সপ্তাহত একোজন পাইলটক সৰ্বাধিক ৩৫ ঘণ্টা ডিউটিহে কৰিবলৈ দিব পাৰিব। সেই অনুসৰি মাহত ১২৫ ঘণ্টা আৰু বছৰত ১০০০ ঘণ্টা ডিউটি কৰিবলৈহে দিব পাৰিব পাইলট সকলক। অৱশ্যে কোনো পাইলটে যদিহে ছুটি লয় তেন্তে সেয়া পৃথকভাৱে গণ্য কৰা হ'ব। এটা ৰোষ্টাৰত পাইলটে মাত্ৰ দুটা নাইট লেণ্ডিং কৰিব পাৰিব। ইয়াৰ আগতে এই সংখ্যা আছিল ছয়। উল্লেখযোগ্য যে যাত্ৰীৰ জীৱনৰ নিৰাপত্তাৰ দিশৰ প্ৰতি লক্ষ্য ৰাখিয়েই কেন্দ্ৰীয় চৰকাৰে এই নতুন নিয়ম প্ৰৱৰ্তন কৰিছিল। কিন্তু এই নিয়মৰ প্ৰতি একপ্ৰকাৰ উদাসীন হৈ থাকিল ইণ্ডিগো। প্ৰথম পৰ্যায়ত ডিজিচিএইৰ এই নতুন নিয়ম জুলাই মাহত কাৰ্যকৰী হয়। দ্বিতীয় পৰ্যায়ৰ এই নিয়ম নৱেম্বৰ মাহত কাৰ্যকৰী কৰা হয়। কিন্তু এই সমগ্ৰ সময়ছোৱাত ইণ্ডিগোৱে পাইলট সকলৰ প্ৰাপ্য এই সুবিধাৰ প্ৰতি কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। ইয়াৰ বাবেই সাম্প্ৰতিক দুৰ্যোগৰ সন্মুখীন হ'ব লগা হৈছে ইণ্ডিগো কৰ্তৃপক্ষ।

প্ৰকাশিত তথ্য অনুসৰি ইণ্ডিগোৱে এই সংকট অতিক্ৰম কৰিবলৈ এতিয়াও সংগ্ৰাম চলাই আছে। অৱশ্যে সোনকালেই এই অৱস্থাৰ অৱসান ঘটিব বুলি আশা কৰা হৈছে।

বিগত কুৰি বছৰত ভাৰতৰ বিমান সেৱাৰ ইতিহাসত এনে ব্যাপক বিপৰ্যয় ঘটা নাছিল।

# অমৰ দ্বীপ-মৃত্যু য'ত থমকি ৰয়

*(১ পৃষ্ঠাৰ পৰা)* সকলে আহাৰ হিছাপে শাক-পাচলি, ফল-মূল বেছিকৈ খায়। মাংস অথবা মাছ কাচিৎহে খায়। বাসিন্দা সকলৰ মূল জীৱিকা খেতি, পশু পালন, মৎস্য চিকাৰ। ইয়াৰ বাসিন্দা সকলে ঘড়ীৰ কাটাৰ নিৰ্দেশত নচলে। যেতিয়াই তেতিয়াই মনৰ ইচ্ছা মতে চলা-ফিৰা কৰে। পাহাৰীয়া অঞ্চল যিহেতু বেলেগে শৰীৰ চৰ্চাৰ প্ৰয়োজনো নাথাকে। ইকাৰিয়া দ্বীপৰ বাসিন্দা সকলে স্থানীয় সুৰা পান কৰে, তাকো বৰ বেছি নহয়। শোৱাৰ পূৰ্বে তেওঁ বিলাকে এন্টি অক্সিডেন্ট সমৃদ্ধ হাৰ্ডবেৰৰ চাহ সেৱন কৰে। কোনোধৰণৰ মানসিক চাপ নথকাৰ হেতু টোপনিও সুন্দৰ হয়, যি শৰীৰ সুস্থ ৰখাৰ অন্যতম উপায়।

ইকাৰিয়াৰ বাসিন্দা সকলৰ জীৱন যৌৱনতো বয়সে প্ৰভাৱ পেলাব নোৱাৰে। সেয়ে ৮০ শতাংশ ইকাৰিয়ান বাসীয়ে ৭০ বছৰৰ পৰা ১০০ বছৰ পৰ্যন্ত সুস্থ তথা স্বাভাৱিক যৌন জীৱন উপভোগ কৰে। এই তথ্য প্ৰকাশ পাইছে এথেন্স বিশ্ববিদ্যালয়ৰ এখন গৱেষণা পত্ৰত। তাৰোপৰি ২০০০ চনত নেচনেল জিঅ'গ্ৰাফিক এ'প্লৰাৰ তথা প্ৰখ্যাত লেখক ডেন বুয়েটনাৰে এই ৰহস্য ময় দ্বীপটোৰ বাসিন্দা সকলৰ জীৱন-যাপনক লৈ দ্য ব্লু জোন্স ছলিউছন নামৰ এখন গ্ৰন্থ ৰচনা কৰিছিল। গ্ৰন্থ খনত মুলতঃ ইকাৰিয়ান সকলৰ ৰহস্যময় জীৱন-যৌৱন, দীৰ্ঘ আয়ুৰ কথা বৰ্ণনা কৰিছে। সম্প্ৰতি বিশ্বৰ ভিতৰতে ইকাৰিয়ান দ্বীপৰ বাসিন্দা সকল সবাতোকৈ বেছি শতায়ুৰ সংখ্যা অৰ্থাৎ দীৰ্ঘ জীৱন লাভৰ লগতে নিৰোগী জীৱন প্ৰাপ্তিৰ ৰহস্য উদ্‌ঘাটন সমন্ধে ইতিমধ্যে প্ৰচুৰ গৱেষণা আৰম্ভ হৈছে।

সাধাৰণ দৃষ্টিত ইয়াৰ বাসিন্দা সকলৰ চাপ মুক্ত জীৱন, দ্বীপটোৰ বিশুদ্ধ জলবায়ু, খাদ্য ভাষা এই তিনিটাৰ কাৰণেই ইয়াৰ বাসিন্দা সকলৰ নিৰোগী আৰু দীৰ্ঘ জীৱনৰ মূল আধাৰ বুলি ঠাৱৰ কৰিছে বিজ্ঞানী মহলে।

# সূচনা হ'ল শিক্ষাৰ্থীলৈ স্কুটী বিতৰণ

*(১ পৃষ্ঠাৰ পৰা)* এই স্কুটী লাভ কৰা শিক্ষাৰ্থীসকলক চৰকাৰৰ যান বাহন আইন অনুসৰি স্কুটী চলাবলৈ আহ্বান জনায়। এই স্কুটীৰ সহায়ত শিক্ষাৰ্থীসকলে নিজৰ শৈক্ষিক উৎকৰ্ষ সাধন কৰিব পাৰিলেহে চৰকাৰৰ উদ্দেশ্য সফল হ'ব বুলি কয় মুখ্যমন্ত্ৰী শৰ্মাই। অনুষ্ঠানত ৰাজ্যৰ শিক্ষা মন্ত্ৰী ৰণোজ পেগুৱে শিক্ষাৰ্থী সকলক নতুন উদ্যমেৰে নিজৰ জ্ঞান বিকাশৰ অৰ্থে যত্নপৰ হ'বলৈ আহ্বান জনায়।

এই অনুষ্ঠানত ৰাজ্যৰ শিক্ষা উপদেষ্টা ড° দেবব্ৰত দাস, শিক্ষা সচিব নাৰায়ণ কোঁৱৰ, উচ্চ শিক্ষাৰ সঞ্চালক পমী বৰুৱা উপস্থিত আছিল।

# বৰজহা মজলীয়া বিদ্যালয়ৰ শতবৰ্ষ উদযাপনৰ প্ৰস্তুতি

*(৪ পৃষ্ঠাৰ পৰা)* উল্লেখ্য যে, ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ বিশ বছৰ পূৰ্বেই অৰ্থাৎ ১৯২৭ চনতেই নগাঁও জিলাৰ দক্ষিণপাট অঞ্চলৰ বৰজহা গাঁৱত স্থাপন হৈছিল বৰজহা মজলীয়া বিদ্যালয়। অঞ্চলটোৰ একাংশ দূৰদৰ্শী ব্যক্তিৰ প্ৰচেষ্টাত গঢ় লোৱা এই শিক্ষানুষ্ঠানখনি হৈছে নগাঁও জিলাৰ এক অন্যতম প্ৰাচীন শিক্ষানুষ্ঠান। শতিকা প্ৰাচীন এই শিক্ষানুষ্ঠানখনত এসময়ত বৰজহা, দক্ষিণপাটৰ উপৰিও ম'হমৰীয়া, কৃষ্ণাইখাট, ডাকবঘাট, খাঁহী, হাতীগড়, দেউৰীগাঁও, বালিগাঁও, বৰক'লা গাঁৱৰ পৰাও শিক্ষাৰ্থী আহি অধ্যয়ন কৰিছিল। সেয়ে এনে এখন শিক্ষানুষ্ঠানৰ শতবৰ্ষ উদযাপন কৰাটো এক পৰম সৌভাগ্যৰ বিষয় বুলি অভিহিত কৰি প্ৰস্তুতিমূলক সভাত উপস্থিত ৰাইজে এইক্ষেত্ৰত সকলোকে সহযোগিতা আগবঢ়োৱাৰ আহ্বান জনায়। ইপিনে, আগন্তুক ২৫ ডিচেম্বৰত বিয়লি ১.০০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া ৰাজহুৱা সভাখনত অঞ্চলটোৰ ৰাইজৰ লগতে অভিভাৱক আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰো উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে শতবৰ্ষ উৎসৱ প্ৰস্তুতিৰ আহ্বায়ক সমিতিখনে।

# শিলঘাট মৰাপাট কলৰ দ্বিতীয় ইউনিট বন্ধ

*(৪ পৃষ্ঠাৰ পৰা)* অনাদায়ী ধন আদায় দিব নোৱাৰি নিশাৰ ভিতৰতে পলায়ন কৰে কলকতীয়া শশীপ্ৰকাশ পুৰোহিত এণ্ড কোম্পানীয়ে। উল্লেখযোগ্য যে, দুবছৰ পূৰ্বে ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগম আৰু মুখ্যমন্ত্ৰীৰ আৰ্থিক অনুদানৰে স্থাপন কৰা হৈছিল মৰাপাট কলটোৰ দ্বিতীয়টো ইউনিট। কলৰ উৎপাদন বৃদ্ধিৰ লক্ষ্যৰে নতুন ইউনিটটো ঠিকাভিত্তিক ভাৰে অৰ্পন কৰা হৈছিল কলকতাৰ চনু এণ্টাৰপ্ৰাইজ নামৰ ব্যক্তিগত প্ৰতিষ্ঠানটোক। বহিৰাগত বনিয়াৰ স্বাৰ্থতে কলত নতুন পদ সৃষ্টি কৰি চনু এণ্টাৰপ্ৰাইজৰ নথিভুক্ত স্বত্বাধিকাৰী এইজন শশীপ্ৰকাশ পুৰোহিতক আনকি বহুওৱা হৈছিল কলৰ উপ পৰিচালন সঞ্চালকৰ পদত। কিছুদিন কলৰ নতুন গোটটো কোনোমতে চলোৱাৰ পিছতে মৰাপাট যোগনীয়াৰক দিবলৈ থকা প্ৰায় ৮ কোটি টকাক লৈ নতুন গোটটোত সৃষ্টি হয় আহুকাল। মৰাপাট যোগানৰ বিনিময়ত প্ৰাপ্য ধন আদায় নোপোৱাত যোৱা ২ ডিচেম্বৰত কলটোৰ চৌহদতে বিহপান কৰি আত্মহত্যাৰ চেষ্টা চলাইছিল হাৰাধন চক্ৰবৰ্তী নামৰ ব্যৱসায়ীজনে। ইয়াৰ পিছতে ১৫ জন কলকতীয়া কৰ্মচাৰীক লগত লৈ পলায়ণ কৰে চনু এণ্টাৰপ্ৰাইজৰ বিষয়া তথা কলটোৰ উপ সঞ্চালক শশীপ্ৰকাশ পুৰোহিত। ইয়াৰ পিছতে এতিয়া হাহাকাৰ লাগিছে মৰাপাট যোগনীয়াৰক সকলৰ মাজত। প্ৰাপ্য ধন আদায় নোপোৱা পৰ্যন্ত নতুনকৈ মৰাপাট যোগান ধৰিবলৈ অপাৰগতা প্ৰকাশ কৰি কল কৰ্তৃপক্ষক অনাদায়ী ধন আদায় দিয়াৰ দাবী কৰিছে মৰাপাট যোগনীয়াৰ সকলে। ইয়াৰ বিপৰীতে, মৰাপাট যোগনীয়াৰ অনাদায়ী ধন আদায় দিয়াৰ ক্ষেত্ৰত কল কৰ্তৃপক্ষ দায়বদ্ধ নহয় বুলি স্পষ্ট কৰি দিছে কলটোৰ পৰিচালন সঞ্চালক গুণমনি গগৈয়ে। নতুন ইউনিটটোৰ মৰাপাট ক্ৰয়ৰ পৰা উৎপাদন তথা বিক্ৰীলৈকে সকলো কৰ্তৃত্ব কলকতীয়া প্ৰতিষ্ঠানৰ এইজন শশীপ্ৰকাশৰ হাততে ন্যস্ত আছিল বুলি স্পষ্ট কৰি দিছে পৰিচালন সঞ্চালক গৰাকীয়ে। ইফালে, কলকতীয়া প্ৰতিষ্ঠান চনু এণ্টাৰপ্ৰাইজৰ সমূহ বিষয়া মৰাপাট কল এৰি পলায়ণ কৰাৰ পিছতে বন্ধ হৈ আছে অসম সমবায় মৰাপাট কলৰ দ্বিতীয়টো ইউনিট। ফলত হঠাতে কাম হেৰুৱাই হাহাকাৰ কৰিব লগা হৈছে নতুন ইউনিটটোৰ প্ৰায় তিনিশ শ্ৰমিক-কৰ্মচাৰী। তাৰ ভিতৰতে এতিয়া উপায়ন্তৰ হৈ পৰিছে ইউনিটটোত কৰ্মৰত দুই শতাধিক মহিলা শ্ৰমিকো। উল্লেখ্য যে, ২০২০ চনৰ শেষ ভাগত ব্যাপক লোকচানৰ সন্মুখীন হৈ প্ৰায় ৩ মাহ ধৰি বন্ধ হৈ পৰিছিল প্ৰায় ৯৮ শতাংশ ৰাজ্য চৰকাৰৰ শ্বেয়াৰ থকা মৰাপাট কলটো। ইয়াৰ পিছতে কল পৰিচালন মণ্ডলীৰ অধ্যক্ষ তথা কেশৰ মহন্তৰ তৎপৰতাত ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগম আৰু মুখ্যমন্ত্ৰীৰ আৰ্থিক অনুদানৰে পুনৰ আৰম্ভ হৈছিল কলটোৰ কাম-কাজ। কিন্তু কল পৰিচালন মণ্ডলীৰ ভুল আৰু অদূৰদৰ্শী সিদ্ধান্তৰ পৰিণতিতে কলকতাৰ চনু এণ্টাৰপ্ৰাইজৰ হাতলৈ গৈছিল কলটোৰ নতুনকৈ স্থাপিত ইউনিটটো। কিন্তু কলটোৰ প্ৰতি ঘোৰ অমানিশা নমাই নিশাটোৰ ভিতৰতে কলকতীয়া প্ৰতিষ্ঠানটোৱে পলায়ণ কৰাত এতিয়া হাহাকাৰ কৰিব লগা হৈছে তিনি শতাধিক শ্ৰমিক-কৰ্মচাৰীৰ লগতে মৰাপাট যোগনীয়াৰ সকলেও। লাভজনক এই উদ্যোগটো কিয় কলকাতাৰ প্ৰতিষ্ঠানক লীজত দিব লগা হল সেয়া এতিয়াও ৰহস্যৰ আবৰ্তত।

# জামুগুৰিত সংগীত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

*(৪ পৃষ্ঠাৰ পৰা)* জন্মশতবৰ্ষ উপলক্ষে সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ জ্ঞাপনৰ লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদনেৰে বন্তি প্ৰজ্জ্বলন কাৰ্যসূচী সমাপন হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিছতে সদৌ অসম গ্ৰাম্য পুথিভঁৰালৰ প্ৰধান সম্পাদক খগেন চন্দ্ৰ নাথে সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰাৰ সমান্তৰালভাৱে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা বৰগীত আৰু খেয়াল পৰিবেশন কৰা হয়। এই অনুষ্ঠানৰ পৰৱৰ্তীকালত অসমৰ সুপ্ৰতিষ্ঠিত গীতাৰ বাদক তথা বেবেজীয়া পণ্ডিত কনক শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ কৃষ্ণ দুলাল বৰুৱাৰ গীতাৰ বাদনে সকলোকে সন্মোহিত কৰা সাংস্কৃতিক অনুষ্ঠানটিত অঞ্জন কৃষ্ণ শইকীয়া, প্ৰযুক্তি দেৱী, দেৱাংগনা শইকীয়া, অদিত্যা দেৱী, বৃষ্টিপ্ৰিয়া দেৱী, হৃদিপ্ৰজ্ঞা বৰদলৈ, অপৰাজিতা ডেকা, কৌস্তভ ৰঞ্জন শইকীয়া, সুচাৰ্যা ৰাণী চৌধুৰী, হৰ্ষিতা শইকীয়া, সমীৰ শইকীয়া, নিশিতা বৰকটী, ময়ুক্ষী দাস, পৰিণীতা শইকীয়া, স্বপ্নীল জ্যোতি শইকীয়া, সাগৰিকা ফুকন, হিমনীজ কৈৱৰ্ত্ত, তেজস্ব হাজৰিকা, ভাৰ্গৱী শইকীয়া, জিষ্ণু বেজবৰুৱা, কৃষ্টি কন্যা বৰা, হৰ্ষিতা শইকীয়া, নম্যানন্দিনী শইকীয়া, আৰাধ্যা প্ৰিয়া বৰা, লয়শ্ৰী তালুকদাৰ, নিশিতা হাজৰিকা, হীমাশ্ৰী দাস, প্ৰমুখ্যে সংগীত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ কণ্ঠৰ কোমল কণ্ঠত উপভোগ্য হৈ পৰা অনুষ্ঠানটিত কেইবাগৰাকীও ব্যক্তিক ফুলাম গামোচাৰে মহাবিদ্যালয়ৰ তৰফৰপৰা স্নেহ শ্ৰদ্ধা জনোৱা হয়। হেঙুলে বোলোৱা ৰাঙলি ৰ'দালি পছিম নীলা আকাশৰ বুকুত জিলিকি উঠা সোণোৱালী গিৰিপথৰ অপূৰ্ব সৌন্দৰ্যৰ মোহনীয়তাই দি যোৱা অনন্য স্বাদৰ দৰেই ব্যতিক্ৰমী অনুষ্ঠানটিয়ে নব্য গতিশীলতা প্ৰদান কৰে। হিমে ধোৱা সন্ধিয়া বেলাত নিয়ৰ সেমেকা বতৰতো সংগীত মহাবিদ্যালয়খনৰ ভৱিষ্যতৰ সম্ভাৱনাময় শিল্পী সকলে পৰিৱেশন কৰা সুমধুৰ গীত সমূহে মায়াময় পৰিৱেশৰ সৃষ্টি কৰি সকলোকে মৌন স্তব্ধ কৰি তোলে। অনুষ্ঠানটিক অধিক মনোমোহা কৰি মুকুল বৰা, পংকজ মুদৈ, ৰূপান্তৰ হাজৰিকা, ৰাজীৱ বৰঠাকুৰ, বাবুল বৰা, দুল বৰা, ৰঞ্জন গোহাঁই, মান্যজিৎ নাথ, দেৱ মেধিৰদৰে বাদ্যযন্ত্ৰী সকলৰ সুন্দৰ বাদনত বাংময় হৈ উঠা মনোজ্ঞ অনুষ্ঠানটিৰ আঁত ধৰে ক্ৰমে কবি সঞ্জীৱ সাগৰ চৌধুৰী, পুষ্প জ্যোতি নাথ আৰু বিশ্বজিৎ নাথে। বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰতাপ সিং, সাংবাদিকদ্বয় জ্যোতিপ্ৰসাদ বৰা আৰু কল্যাণ কুমাৰ বৰা, আলিবাট প্ৰকাশনৰ স্বত্বাধিকাৰী প্ৰাঞ্জল কুমাৰ মহন্ত, ধেনুৰাম নাথ, ৰাজীৱ গোস্বামী, বিৰিঞ্চি নাথ, প্ৰশান্ত শৰ্মা, ববীন চন্দ্ৰ বৰা, মনেশ্বৰ শইকীয়া, কৌস্তভ জ্যোতি বৰা, দিব্যজ্যোতি মেধি, পৰমানন্দ ডেকা, অৰ্চনা তালুকদাৰ শইকীয়া, প্ৰদীপ বৰা প্ৰমুখ্যে ত্ৰি শতাধিক লোকে অংশ গ্ৰহণ কৰা অনুষ্ঠানটিত আকাশ বাণী কেন্দ্ৰৰ প্ৰবীন শিল্পী তথা অবসৰী শিক্ষক গম্ভীৰ নাথ, সুধাকণ্ঠৰ চিৰসেউজ গীত সমূহ সংস্কৃত ভাষালৈ তৰ্জমা কৰি প্ৰসিদ্ধি লভা কণ্ঠশিল্পী ৰঞ্জন বেজবৰুৱা, নবীন দাস, সুশীলা বৈশ্য শইকীয়া, কোকিল হাজৰিকা, দীপ বেজবৰা, কাশ্মীৰী বৰুৱা, পঙ্কজ কুমাৰ নাথ, ধৰ্ণালী হাজৰিকা, ৰিন্টি বৰুৱা, স্বপ্নালী কলিতা মেধি, বৰ্ণালী পৰাশৰ, পৰাগ তামুলী, বিনোদ শইকীয়া, সাগৰিকা ফুকন, অন্তৰীক্ষা প্ৰাপ্তি শইকীয়া, যতীন জোনাক, অপৰাজিতা ডেকা, প্ৰিয়াঞ্জু শইকীয়াকে ধৰি আমন্ত্ৰিত বহু কেইগৰাকী শিল্পীয়ে পৰিবেশন কৰা গীতৰ সুৰে সকলোকে তন্ময় কৰি ৰাখে। সংগীত মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা সুকণ্ঠী শিল্পী তৰুণ শইকীয়াই অনুষ্ঠানৰ শুভাৰম্ভতে অভ্যাগত সকলক উদ্দেশ্যি আদৰণী ভাষণ আগবঢ়োৱা আকৰ্ষণীয় সংগীতানুষ্ঠানটিতে সুপ্ৰসিদ্ধ গীতাৰবাদক কৃষ্ণ দুলাল বৰুৱাই নয়নজ্যোতি শইকীয়াৰ কথা আৰু তৰুণ শইকীয়াৰ সুৰ আৰু কণ্ঠ সমৃদ্ধ 'অসমী আই' শীৰ্ষক গীতৰ এলবামটি আনুষ্ঠানিকভাৱে উন্মোচন কৰে। উল্লেখ্য যে শিশু শিল্পী টানিষ্ঠা টিনা নাথ, শব্দ জ্যোতি বৰা আৰু অভিজ্ঞা নাথৰ গীত আৰু কবিতাৰ ধ্বনিয়ে অনুষ্ঠানটিক নব্য গতিশীলতা প্ৰদান কৰে। অনুষ্ঠানৰ অন্তত জুবিন গাৰ্গৰ 'মায়াবিনী ৰাতিৰ বুকুত' শীৰ্ষক গীত পৰিবেশনেৰে অনুষ্ঠানৰ পৰিসমাপ্তি ঘটে।

# পবিতৰাত বৃদ্ধি পাইছে পৰিভ্ৰমী পক্ষীৰ আগমন

*(৪ পৃষ্ঠাৰ পৰা)* কেন্দ্ৰবিন্দু। ৰাজ্যৰ ৰাজধানী দিছপুৰৰ পৰা ৩৫ কিলো মিটাৰ দূৰত্বত ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণপাৰে মৰিগাঁও জিলাৰ মায়ং মৌজাত এই অভয়াৰণ্যখন অৱস্থিত। ১৯৯৮ চনত পবিতৰা সংৰক্ষিত বনাঞ্চল আৰু ৰজা মায়ং পাহাৰ সংৰক্ষিত বনাঞ্চলৰ সংমিশ্ৰণেৰে ইয়াক অভয়াৰণ্য হিচাপে ঘোষণা কৰা হৈছিল। এই অভয়াৰণ্যত গঁড়ৰ সংখ্যাৰ ঘনত্ব পৃথিৱীৰ ভিতৰত সৰ্বাধিক হোৱাৰ লগতে পৰিভ্ৰমী চৰাই মুক্ত বিচৰণৰ ক্ষেত্ৰটো বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে। শীতৰ আগমনৰ লগে লগে পবিতৰা অভয়াৰণ্যৰ প্ৰতিখন খাল, বিল, জলাশয়লৈ আগমন ঘটে হাজাৰ হাজাৰ পৰিভ্ৰমী পক্ষীৰ। সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা আগমন ঘটা জলচৰ পক্ষীৰ কলৰৱেৰে পুৱা গধুলি মুখৰিত হৈ থাকে পবিতৰা। পাৰিপাৰ্শ্বিকতাৰ উপৰি মানৱ সমাজত অপৰিসীম গুৰুত্ব লাভ কৰি অহা সৌন্দৰ্যৰ প্ৰতীক জলচৰ পক্ষী সমূহে লাভ কৰা মুক্ত বিচৰণৰ সোৱাদতে অভয়াৰণ্য খনলৈ ক্ৰমাত বৃদ্ধি পাবলৈ ধৰিছে জলচৰ পক্ষী সমূহৰ। পবিতৰা অভয়াৰণ্য বনাঞ্চলিক বিষয়া প্ৰাঞ্জল বৰুৱাই পূৰ্বৰ তুলনাত আৰু অধিক পৰিভ্ৰমী পক্ষীৰ আগমন ঘটাৰ সম্ভাৱনা আছে বুলি মন্তব্য কৰিছে। কিয়নো অভয়াৰণ্য খনৰ জলাশয় সমূহত বৰ্তমানেও যথেষ্ট পৰিমাণে পানী আছে। যাৰ বাবে পক্ষী সমূহৰ খাদ্যৰ অভাৱ ঘটা নাই। বৰ্তমানে অভয়াৰণ্য খনত ৩৭৬ বিধ প্ৰজাতিৰ পক্ষী প্ৰত্যক্ষ কৰা হৈছে। শীতৰ পৰিমাণ বৃদ্ধি পালে পক্ষীৰ আগমনৰ সংখ্যাও বৃদ্ধি পাব। তেওঁ কয় ২০২৫ৰ জানুৱাৰীত চলোৱা এছিয়ান জল চৰাইৰ লোকপিয়লত অভয়াৰণ্য খনত ৫৬ প্ৰজাতিৰ ১০,৯৩৩টা জলচৰ চৰাই তথ্য লাভ কৰা হৈছিল। ২০২৪ বৰ্ষত পবিতৰাৰ জলাশয়ত এই চৰাইৰ সংখ্যা আছিল ৭,২২৫টা। তামুলিডুভা জলাশয় অভয়াৰণ্যখনৰ আটাইতকৈ ডাঙৰ জলাশয়, যিয়ে সংৰক্ষিত অঞ্চলটোত জৈৱ বৈচিত্ৰ্যৰ সৰ্বাধিক ঘনত্বৰ অৰিহণা যোগাই আহিছে। ২০২৫ৰ ১৮ জানুৱাৰীত পক্ষী বিজ্ঞানী আনোৱাৰুদ্দিন চৌধুৰী আৰু বন বিভাগৰ বিষয়াকে ধৰি প্ৰায় ২২ জন বিশেষজ্ঞৰে গঠিত মুঠ ১২টা গণনাকাৰী দলে অভয়াৰণ্যখনৰ ৯ খন 'বিল' (জলভাগ)ক সামৰি জৰীপ চলাইছিল। জৰীপৰ তথ্যৰ ভিতৰত ৮০ শতাংশ পৰিভ্ৰমী পক্ষী আৰু ২০ শতাংশ আৱাসী চৰাই। তদুপৰি চলিত বৰ্ষৰ ডিচেম্বৰ মাহৰ শেষত বা ২০২৬ৰ জানুৱাৰীৰ প্ৰথম সপ্তাহত পুনৰ জৰীপ আৰম্ভ কৰা হ'ব। এই জৰীপত পূৰ্বতকৈ অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ৩৮.৮১ বৰ্গ কিলোমিটাৰ এলেকাৰে সামৰা পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যত ১০৭টা (২০২২ চনৰ লোকপিয়ল অনুসৰি) এশিঙীয়া গঁড় আছে। ইয়াৰ উপৰিও ইয়াত অন্যান্য বন্যপ্ৰাণীৰ ভিতৰত ২২ প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণী, ২৭ প্ৰজাতিৰ সৰীসৃপ, ৯ প্ৰজাতিৰ উভচৰ প্ৰাণী, ৪১ প্ৰজাতিৰ মীন আৰু ৩৭৫ প্ৰজাতিৰ চৰাই আছে বুলি প্ৰকাশ কৰে। অভয়াৰণ্য খনত গঁড়ৰ বাহিৰেও পোৱা আন স্তন্যপায়ী প্ৰাণীসমূহ হ'ল নাহৰফুটুকী বাঘ, লতামেকুৰী বাঘ, মাছ ধৰা মেকুৰী, জংঘলৰ মেকুৰী, বনৰীয়া ম'হ, বনৰীয়া গাহৰি, চীনা পেংগোলিন আৰু বিভিন্ন প্ৰকাৰৰ হৰিণ। ২০২৩-২৪ বৰ্ষৰ পৰ্যটন বৰ্ষত ৫৪১ জন বিদেশী, ২৯,৮১৫ জন দেশী পৰ্যটককে ধৰি মুঠ ৩০,৩০৫ গৰাকী পৰ্যটকে পবিতৰালৈ আহি জীপ ছাফাৰী আৰু হাতী ছাফাৰী উপভোগ কৰাৰ লগতে ৫৪,১৭,৩০০ টকা ৰাজহ সংগ্ৰহ হৈছিল। একেদৰে ২০২৪-২৫ বৰ্ষত ৬৩৮ জন বিদেশী, ৩৪,২০৯ জন দেশী পৰ্যটককে ধৰি মুঠ ৩৪,৮৪৭ জন পৰ্যটকৰ সমাগম ঘটাৰ লগতে ৬১,৮১,৩৭৫ টকা ৰাজহ সংগ্ৰহ হয়। প্ৰতিটো দেওবাৰ আৰু শনিবাৰ লগতে চৰকাৰীৰ বন্ধৰ দিনত ক্ৰমাত পৰ্যটকৰ সংখ্যা বৃদ্ধি পোৱাৰ লগতে ২০২৫-২৬ বৰ্ষৰ বাবে যোৱা ২৩ অক্টোবৰত মুকলি হোৱা দিনটোৰ পৰা বৰ্তমানলৈ ১০ লাখ টকা ৰাজহ সংগ্ৰহ কৰা বুলি প্ৰকাশ কৰিছে পবিতৰা অভয়াৰণ্যৰ বনাঞ্চলিক বিষয়া প্ৰাঞ্জল বৰুৱাই। তদুপৰি পৰ্যটকৰ পূৰ্বৰ তুলনাত জীপ আৰু হাতী ছাফাৰীৰ বাবে কিছু পৰিমাণে মূল্য বৃদ্ধি হোৱাত ২০২৫-২৬ বৰ্ষত ৰাজহ সংগ্ৰহৰ পৰিমাণ পূৰ্বতকৈ আৰু অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

# সত্ৰীয়া শিল্পী মঞ্জিৰা চৌধুৰীক 'কল্লোল'ৰ সম্বৰ্ধনা

*(৪ পৃষ্ঠাৰ পৰা)* বৰগীত আধ্যাত্মিক হোৱাৰ লগতে জীৱন চৰ্চাৰ বস্তু। ইয়াক কেনেকৈ আগুৱাই নিব লাগে সেইটো মঞ্জিৰা চৌধুৰীৰ পৰিয়ালে অনুভৱ কৰে। যতেই নাথাকক কিয় ভূমিৰ শিপাডাল তেওঁ এৰা নাই। বিশিষ্ট বক্তা মোহিনী মোহন ডেকাই কয় যে- নগাঁও ছোৱালী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মহেশ চন্দ্ৰ দেৱগোস্বামী অসমৰ ৰাধাকৃষ্ণন আছিল। এনে এজন ব্যক্তিৰ সন্তান যথাৰ্থতে শিপাৰ লগত সংপৃক্তহৈ থাকিব। কল্লোল নগাঁৰৰ সামাজিক জীৱনৰ বটবৃক্ষ। মহেশ চন্দ্ৰ দেৱগোস্বামীৰ প্ৰতিবাদী সত্বা প্ৰকাশ পাইছিল বিহলঙনীত। সভাখনত দুৰ্গাময়ী বৰাই ভাষন প্ৰদান কৰাৰ লগতে মহেশ চন্দ্ৰ দেৱগোস্বামীয়ে ৰচনা কৰা এটা গীতো পৰিবেশন কৰে। সভাত বিশিষ্ট অনুবাদক কৃষ্ণ দুলাল বৰুৱাইও ভাষন প্ৰদান কৰে। ইপিনে সম্বৰ্ধনা গ্ৰহণ কৰি নিজৰ ভাষনত লণ্ডন নিবাসী সত্ৰীয়া সংস্কৃতিৰ শিল্পী মঞ্জিৰা চৌধুৰীয়ে কয় যে-আনুষ্ঠানিক ভাবে বৃটেইনৰ নাগৰিক হলেও মই প্ৰথমে নগাঁৰৰ, পিচত অসমৰ তথা ভাৰতৰ তাৰ পিছতহে বিশ্ব নাগৰিক। সেয়ে অসমৰ বেয়া শুনিলে বেয়া লাগে, ভাল শুনিলে ভাল লাগে। নগাঁৱৰ ভাল শুনিলে অধিক ভাল লাগে। নগাঁও সাংস্কৃতিক ভাবে চহকী বুলি মন্তব্য কৰি তেওঁ কয় যে- 'সকলো দিশতে নগাঁও অগ্ৰণী আৰু নগাঁও বাসী দূৰদৰ্শী। নগাঁৱৰ মানুহৰ আতিথ্য আজিও আছে। মই যতে নাথাকো অসম আৰু নগাঁওখন লগত কঢ়িয়াই লৈ ফুৰো। মহাপুৰুষ শংকৰদেৱক বিশ্বগুৰু আখ্যা তেওঁ অসমত বাহিকতা বেছি হৈছে বুলি মন্তব্য কৰি তেওঁ কয় যে -বহু মানুহৰ আধ্যাত্মিকতা কম। আধ্যাত্মিকতা বৃদ্ধিৰ বাবেই কল্লোলৰ দৰে অনুষ্ঠানৰ প্ৰয়োজন। লণ্ডনৰ তেওঁ থকা চহৰখনৰ জীৱন প্ৰণালীৰ ওপৰত আলোকপাত কৰি তেওঁ কয় যে- মই বিদেশত সু নাগৰিক হোৱাৰ শিক্ষা দিও। ইয়াতো তেনে শিক্ষা প্ৰদান কৰা উচিত। কাৰণ সামাজিক দায়বদ্ধতা নহলে কোনেও আগবাঢ়িব নোৱাৰে। কল্লোলে এইক্ষেত্ৰত দায়িত্ব লওক। তেওঁ কয় যে লণ্ডন তথা তেওঁ থকা চহৰখনত ১৮ বছৰলৈকে কোনো যুৱক-যুৱতী ৰাজনীতিত লিপ্ত নহয়। তাত আন্দোলনো নাই বুলি মন্তব্য কৰে।

# লংকাত কাশীনাথ উপাধ্যায়ৰ সোঁৱৰণী সভা

*(৪ পৃষ্ঠাৰ পৰা)* ভাষণত গজেন হাজৰিকাই কয় যে, আজিৰ এই অনুষ্ঠানে দুটা কথা স্পষ্ট কৰি দিলে যে, প্ৰয়াত শিক্ষা বিষয়া উপাধ্যায়ে তেওঁৰ কাৰ্য্যকালত ভাল কাম কৰিছিল আৰু, সু-শাসন দিব পাৰিছিল। তেওঁ আৰু কয় যে, আজিৰ সভাত তেখেতৰ গুণমুগ্ধ শিক্ষক সমাজৰ ব্যাপক উপস্থিতিয়ে প্ৰমান কৰিলে যে তেওঁক কিমানে ভাল পায়। আনহাতে তেওঁ কয় যে, দ্বিতীয়তে এই সুবৃহৎ প্ৰায় ৩০০ পৃষ্ঠাজোৰা স্মৃতিগ্ৰন্থ খনত অসমীয়া ইংৰাজী, হিন্দী, নেপালী আৰু বাংলা ৫টাকৈ ভাষাত প্ৰকাশ পোৱা লেখাসমূহে ইয়াকেই প্ৰমাণ কৰে যে, এজন মানুহ কিমান আদৰ্শবান আৰু ব্যক্তিত্বশালী হলে এনে এখন গ্ৰন্থ তেওঁৰ হৈ প্ৰকাশ কৰা সম্ভৱ হয়।

সভাত প্ৰয়াত উপাধ্যায়ৰ ভাতৃ অৱসৰপ্ৰাপ্ত শিক্ষক ভাস্কৰ উপাধ্যায়ে প্ৰয়াত কাশীনাথ উপাধ্যায়ৰ জীৱনবীক্ষাৰ এক চমু আলোকপাত কৰে আৰু অৱসৰপ্ৰাপ্ত শিক্ষক পুষ্প কান্ত হাজৰিকা, সাংবাদিক তোযেশ্বৰ তামুলী ফুকন, ইন্দ্ৰ প্ৰসাদ শৰ্ম্মা আৰু ভালে কেইগৰাকী বক্তাই উপাধ্যায়ৰ গুণাৱলীৰ স্মৃতিচাৰণ কৰে। সভাৰ অন্তত উপস্থিত সুধী সমাজলৈ শলাগৰ শৰাই আগবঢ়ায় প্ৰয়াত উপাধ্যায়ৰ পত্নী বিনীতা উপাধ্যায়ে।

REGD-No-NGG-712/2024-26

# কলংপাৰ

১২ কলংপাৰ **শেষ পৃষ্ঠা** ১০ ডিচেম্বৰ, ২০২৫ বুধবাৰ

# অসম চৰকাৰৰ সাহিত্যিক বঁটা আৰু পেঞ্চন প্ৰদান



**নগাঁও ঃ** অসম চৰকাৰে চলিত বৰ্ষৰ বাবে ঘোষণা কৰা সাহিত্যিক বঁটা আৰু সাহিত্যিক পেঞ্চন যোৱা ৭ ডিচেম্বৰত প্ৰদান কৰে।

কথাশিল্পী হোমেন বৰগোহাঞিৰ জন্ম দিন উপলক্ষে প্ৰদান কৰা এই বটাঁ তথা পেঞ্চন প্ৰদান অনুষ্ঠান আয়োজন কৰা হয় গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ত।

অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ হৈ আয়োজন কৰা এই অনুষ্ঠানত মুখ্য অতিথি ৰূপে অংশ গ্ৰহণ কৰে শিক্ষা মন্ত্ৰী ৰণোজ পেগুৱে। অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে বিধায়ক অতুল বৰা, কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° প্ৰতাপ চন্দ্ৰ ডেকা, শিক্ষা বিভাগৰ উপদেষ্টা ড° দেবব্ৰত দাস, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক প্ৰদীপ্ত বৰগোহাঞি আৰু উচ্চ শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ।

এই উপলক্ষে সাহিত্যিক বঁটা আৰু পেঞ্চন লাভ কৰা সকলৰ লগতে সমবেত সকলক সম্বোধন কৰি শিক্ষা মন্ত্ৰী ৰণোজ পেগুৱে কয় যে অসম চৰকাৰে ৰাজ্যখনৰ বৌদ্ধিক দিশৰ সৰ্বাংগীন বিকাশৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। এই বটাঁ আৰু পেঞ্চনে সাহিত্যিক সকলক উৎসাহিত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। অনুষ্ঠানত উপাচাৰ্য ড° ডেকা, সচিব নাৰায়ণ কোঁৱৰেও উদগনি মূলক বক্তব্য প্ৰদান কৰে।

চলিত বৰ্ষত সাহিত্যিক বঁটা লাভ কৰা সাহিত্যিকসকল হ'ল — ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, (কামৰূপ মহানগৰ) ড° সূৰ্য কান্ত হাজৰিকা (কামৰূপ মহানগৰ), কিশোৰী মোহন দাস (বৰপেটা), পূৰ্ণ কুমাৰ শৰ্মা (বিশ্বনাথ), ড° পূৰ্ণ ভট্টাচাৰ্য (কামৰূপ মহানগৰ), অৰ্পনা কোঁৱৰ (ডিব্ৰুগড়), আশুতোষ দাস (হাইলাকান্দি), সজল পাল (কামৰূপ মহানগৰ), উৰ্মিলা চক্ৰৱৰ্তী (কামৰূপ মহানগৰ), ভবেন চন্দ্ৰ কোচ (কাৰ্বি আংলং), সাৰদা প্ৰসাদ মুছাহাৰী (কোকৰাঝাৰ), গুৰমাইল সিং (নগাঁও), ফণী কৈৰী (শিৱসাগৰ), ড° যতীন বৰুৱা (শোণিতপুৰ), বৰুৱা কান্ত ব্ৰহ্ম (তামুলপুৰ), সুবৰ্ণ শইকীয়া (গোলাঘাট), সুভাষ চন্দ্ৰ সিনহা (শ্ৰী ভূমি) আৰু গিৰীশ সন্দিকৈ (তিনিচুকীয়া)।

একেদৰে সাহিত্যিক পেঞ্চন লাভ কৰা সকল হ'ল - গুঞ্জন ফুকন (বিশ্বনাথ) শান্তনু কৌশিক বৰুৱা (কামৰূপ মহানগৰ), দিলীপ চন্দন শৰ্মা (কামৰূপ মহানগৰ), কমল কুমাৰ জৈন (নলবাৰী), শশীধৰ দেউৰী (লখিমপুৰ), ৰঞ্জিত হাজৰিকা (কামৰূপ মহানগৰ), মিহিৰ দেউৰী (কামৰূপ মহানগৰ), থানেশ্বৰ গয়াৰী (কাৰ্বি আংলং) যতীন মৰাণ (তিনিচুকীয়া) আৰু সোণবৰ বৰুৱা (তামুলপুৰ)। উল্লেখযোগ্য যে সাহিত্যিক বঁটা লাভ কৰা সকলক চৰকাৰে এককালীন ৫০ হেজাৰ টকা প্ৰদান কৰাৰ লগতে সাহিত্যিক পেঞ্চন লাভ কৰা সকলক মাহিলী ৮ হেজাৰ টকাৰ পেঞ্চন প্ৰদান কৰে।

# মৰণোত্তৰ দেহদানেৰে উজলিল প্ৰয়াত ভৱানী দেৱী

**বিপ্লৱ জ্যোতি ভূএগ, নৈ ঃ** মহিলাগৰাকীয়ে ১৯৭০ত নগাঁও জিলাত হোৱা বিখ্যাত আধিয়াৰ আন্দোলনত সক্ৰিয় অংশ লৈছিল। সেই কৃষক আন্দোলনৰ মুল নেতা আছিল চিপিআইএম নেতা তিলেশ্বৰ নাথ ভূএগ। আন্দোলনকালীন অৱস্থাত কংগ্ৰেছী গুণ্ডাবাহিনীৰ হাতত কৃষক বাহিনী আক্ৰান্ত হৈছিল। বহু কৃষক কৰ্মীৰ লগতে আক্ৰান্ত হৈছিল নেতা তিলেশ্বৰ নাথ ভূএগ আৰু ভৱানী দেৱী। ভবানী দেবীক কংগ্ৰেছী দালালে অকলশৰীয়াকৈ বেঢ়ি ধৰি ভৱানী দেবীৰ কোলাত থকা ডেৰ বছৰীয়া সন্তানটোক টানি আজুৰি কাঢ়ি লৈ গৈছিল। শিশুটোক মাৰি পেলোৱাৰ ভাবুকি দি তেখেতে পিন্ধি থকা সোনৰ গহনাবোৰ কাঢ়ি নিছিল। আনফালে নেতা তিলেশ্বৰ নাথ ভূএগ সহ অনেক খেতিয়ক ভূলুণ্ঠিত হৈছিল। মাৰপিট খায়ো নিজৰ শিশু সন্তানটিক বচাবলৈ সকলো গহনা হেলাৰঙে কংগ্ৰেছী গুণ্ডাক দি দিছিল। সেই সাহসী মহিলা ভৱানী দেৱী আৰু কৃষক নেতা তিলেশ্বৰ নাথ ভূএগ আছিল কমিউনিষ্ট স্বামী স্ত্ৰী। ডেৰ বছৰীয়া সন্তানটি যাৰ জন্ম হৈছিল ১৯৬৮ চনৰ ভাদ মাহত শংকৰদেৱৰ তিথিৰ দিনা তাৰ নাম আছিল শংকৰজিত ভূএগ যি আজি বিপ্লৱ জ্যোতি ভূএগ নামেৰে জনাজাত।

আজীৱন কমিউনিষ্ট সদস্য হৈ থকা ভবানী দেৱী এগৰাকী বিজ্ঞান মনস্ক মহিলা আছিল। সকলো ধৰ্মীয় কু-সংস্কাৰ, অন্ধবিশ্বাসৰ পৰা মুক্ত আছিল। সামাজিক লোকসংস্কৃতিসমুহ আগ্ৰেহেৰে পালন কৰিছিল যদিও তেখেতে কাহানিও কাল্পনিক ঈশ্বৰৰ নাম লৈ ল'ৰাছোৱালীবোৰক ডাঙৰ কৰা নাছিল। কেতিয়াও নামঘৰ মন্দিৰ আদিলৈ গৈ নানান কাল্পনিক দেবদেবীৰ নামত বহিখোৱা পৰজীবি পুৰোহিতক ধন টকা পইচা দিয়া নাছিল। ১৯৮৩ৰ বিভৎস আৰু কুখ্যাত বহিৰাগত বহিস্কাৰ আন্দোলনকাৰী আছু বাহিনীৰ নিষ্ঠুৰ আক্ৰমণৰ সন্মুখত শিশু সন্তানসহ অকলে ঠিয় হৈছিল আৰু প্ৰতিৰোধ কৰিছিল। ছাত্ৰ সন্থাই তেখেতৰ ঘৰ বাৰী জ্বলাই দিছিল। লগতে আন ১২ টা কমিউনিষ্ট পৰিয়ালৰ ওপৰত ভয়ানক নিৰ্যাতন জাপি দিছিল। সন্তানসহ ভবানী দেবী আৰু আনকেইটা পৰিয়াল নিজ ঠাই এৰি আন সুৰক্ষিত ঠাইলৈ প্ৰাণ বচাবৰ নিমিত্তে পলাই যাব লগা হৈছিল। পলাই যাব নোৱাৰাত পৰা কৃষক নেতা, অভিনয় শিল্পী ধীৰেশ্বৰ নাথ আছুৰ হাতত বন্দী হৈছিল আৰু তেখেতক নাক কান কাটি মৰিয়াই আধামৰা কৰি জীৱন্তে পুতি থৈছিল ১৯৮৩ চনৰ ২৩ ফেব্ৰুৱাৰীত। এই ধীৰেশ্বৰ নাথ ভৱানী দেৱীৰ মোমায়েক আছিল। সেইগৰাকী সাহসী নাৰীয়েই সেই কদৰ্য সময়ৰ পিছত সবল আৰু সগৰ্বে নিজ ঠাইত জীয়াই থাকিল সম্পূৰ্ণ বিজ্ঞান মনস্কতাৰে, সন্তানসমুহক উপযোগী কৰি তুলিলে সঠিককৈ আৰু দক্ষতাৰে পৰিচালনা কৰি গ'ল যোৱা ৪-১২-২০২৫ তাৰিখে মৃত্যুমুখত পৰালৈকে। তাৰ আগতেই ২০১১ চনত হেলাৰঙে ইলোৰা বিজ্ঞান মঞ্চৰ জৰিয়তে চৰকাৰী মেডিকেল কলেজলৈ আপোন মৃতদেহ *৯ পৃষ্ঠাত*

# নগাঁৱত ভোগালী বিহু উৎসৱৰ লৈ বৈঠক অনুষ্ঠিত

**প্ৰাঞ্জল বৰদলৈ ঃ** "নগাঁৱৰ নেহৰুবালিৰ ঐতিহ্যমণ্ডিত ভোগালী বিহুলৈ বিভিন্ন লোক আহে। বিহুখন আমাৰ ধৰ্মৰ উৰ্দ্ধত। আমি সকলোৱেই ভোগৰ ভোগালীত একেলগে ৰং-ধেমালি কৰোঁ, মিলাপ্ৰীতিৰে এসাঁজ খাওঁ। শীতৰ ঠেঁটুৱৈ ধৰা জাৰকো আমি নেওচি বিহুৰ পাঁচটা দিন আমাৰ সকলোৰে মাজত যোগাযোগ চলে। এইবাৰো বিহুখন আগৰ নিচিনাই হ'ব। তাতকৈ বেলেগ কি কৰিব পাৰি মইও চিন্তা কৰিম আৰু আপোনালোকেও ভাবি জনাব। ভোগালীৰ পৰম্পৰা আমি ৰাখিব লাগিব।" এই মন্তব্য নগাঁও সদৰ বিধান সভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাৰ। আগন্তুক মাঘ বিহু উদ্‌যাপনৰ ক্ষেত্ৰত যোৱা ৮ ডিচেম্বৰৰ সন্ধিয়া ছয় মান বজাত নগাঁও ছহীদ ভৱনত সদৌ নগাঁও ভোগালী বিহু উৎসৱ সমিতিৰ উদ্যোগত অনুষ্ঠিত ৰাজহুৱা সভাত অংশ গ্ৰহণ কৰি বিধায়ক শৰ্মাই পুনৰ কয় যে ভোগৰ আৰু মিলনৰ উৎসৱটি উদ্‌যাপনৰ বাবে যি সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব এই সাংস্কৃতিক শোভাযাত্ৰাই বাৰ্তা দিব পৰাকৈ সুন্দৰ হোৱাৰ লগতে বিহুৰ পৰম্পৰা ধৰি ৰাখিবৰ বাবে সকলোকে আহ্বান জনায়। ৰঞ্জিত তামুলী ফুকনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনিৰ আৰম্ভণিতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গকে ধৰি বিভিন্ন জন শিল্পীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। ৰঞ্জিত বৰাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু বিশিষ্ট সমাজকৰ্মী জয়ন্ত বৰাই বিগত বিহুৰ কাৰ্যবিৱৰণী আৰু হিচাপ দাখিল কৰাৰ লগতে সামগ্ৰিকভাৱে আঁত ধৰা অনুষ্ঠানটিত নগাঁও জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলি হাজৰিকা, নগাঁও পৌৰ সভাৰ উপ-পৌৰপতি সীমান্ত বৰা, নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কুলেন দাস, পৰাণ গোঁহাই, দ্বিজেন্দ্ৰ নাথ হাজৰিকা, হিৰণ্য বল্লভ গোস্বামী, নৌচাদ আখতাৰ হাজৰিকা, প্ৰাণজিৎ গোস্বামী, মুক্তি বৰা, প্ৰসন্ন বেজবৰুৱা প্ৰমুখ্যে ত্ৰিশতাধিক লোকৰ সমাবেশ ঘটা সভাখনিত বিহু উৎসৱ উদ্‌যাপনৰ নতুন সমিতিখন গঠন কৰা হয়। উল্লেখ্য যে ৰাজহুৱা সভাই পূৰ্বৰ সমিতিখনকেই বাহাল ৰখাত পুনৰ ৰঞ্জিত কুমাৰ তামুলী ফুকনক সভাপতি, বিধায়ক ৰূপক শৰ্মাক কাৰ্যকৰী সভাপতি, জয়ন্ত বৰা আৰু ৰঞ্জিত কুমাৰ বৰাক সম্পাদক হিচাপে লৈয়ে পূৰ্বৰ সমিতিখনকে এইবাৰো বাহাল ৰখা হয়। অহা ১৩ জানুৱাৰীৰ পৰা ১৭ জানুৱাৰী শিল্পী দিবসলৈকে পাঁচদিনীয়া বিশাল আৰু বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে উদ্‌যাপিত হ'বলগীয়া বিহুৰ বিষয়ক কিবা জানিবলগীয়া থাকিলে ৯৪৩৫০-৬০৩২৩, ৯৬৭৮২-২৯১৮ৰ অথবা স্মৃতিগ্ৰন্থৰ সন্দৰ্ভত ৯৮৬৪৭-৮৬৯৩৬ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি উদ্যোক্তা সকলে জানিবলৈ দিয়ে।

ভিন্ন ৰুচিৰ কিতাপ, বহী, কলম, শিক্ষণ-সঁজুলি পোৱা নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান—

**বুক ইংক (Book Ink)**

বি এম ৰোড, আমোলাপট্টি, নগাঁও-৭৮২০০১ (গোহাঁইনাৰ্ছিং হোমৰ সমুখত)
ফোন নং ঃ ৮০১১৭ ৬৬৯০৬

প্ৰতি বুধবাৰে প্ৰকাশিত আধুনিক অসমীয়া সাপ্তাহিক **কলংপাৰ** ইয়াত পাব

কিতাপ ঃ ছপা, প্ৰকাশ, বিপণনকে ধৰি সকলো ধৰণৰ মুদ্ৰণৰ কামৰ বাবে যোগাযোগ কৰক—

**বহু-আনন্দ**

প্ৰকাশক আৰু গ্ৰন্থ বিক্ৰেতা
টি এম ৰোড, মাৰোৱাৰীপট্টি, নগাঁও-৭৮২০০১ (অসম)
গুৱাহাটীৰ কাৰ্যালয় ঃ চানৰাইজ প্লাজা, ফ্লেট নং - ২বি, কৈলাস নগৰ, বাণীপুৰ পথ, বেলতলা, গুৱাহাটী - ৭৮১০২৮
ফোন নং ঃ ৯৪৩৫৭ ৬৯৬৮৫, ৮৬৩৮৬ ৬৮৬৩১

তিলক প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত আৰু গিগাবাইট্‌চ প্ৰেছত মুদ্ৰিত। মুখ্য কাৰ্যালয় ঃ শংকৰ নগৰ, তেলিয়াপট্টি চানমাৰী পথ, হয়বৰগাঁও, নগাঁও-০২
☐ প্ৰতিষ্ঠাপক সম্পাদক ঃ বলেন বৰা ☐ তিলক প্ৰকাশনৰ প্ৰতিষ্ঠাপক ঃ বল্লদেৱ শৰ্মা
e-mail : kalongpareditor@gmail.com যোগাযোগ নম্বৰ ঃ ৮০১১১১৭৩২২
☐ পৰিচালন সঞ্চালক ঃ অভিলেখ শৰ্মা ☐ সম্পাদক ঃ বিৰিঞ্চি কুমাৰ ডেকা ☐ মুখ্য সম্পাদক ঃ গুৰমাইল সিং